অসমৰ যুৱক আৰু ছাত্ৰ আন্দোলন

ASOM PRADESH YUVAK CONGRESS

অসম প্ৰদেশ যুৱক কংগ্ৰেছ
কংগ্ৰেছ ভৱন,
গুৱাহাটী

উচৰ্গা



ত্যাগবীৰৰ ইচ্ছানুসৰি, এযুগৰ পিছতো, নিঃকিন ভাবে হলেও
এই পুথি সঙ্কলন কৰিব পাৰি আমি কৃতাৰ্থ হৈছোঁ।
অসমৰ যুবকসকলক আন্ধাৰ পথত বাট দেখুৱাওতা,
ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ পুণ্য স্মৃতিৰ
উদ্দেশ্যে, এই অৰিহণা আমি
নিবেদন কৰিলোঁ।

—যুৱক কংগ্ৰেছ—

GOVERNMENT OF ASSAM
Call No..............
DISTRICT LIBRARY.

GOVERNMENT OF ASSAM
Call No ....
DISTRICT LIBRARY.

আমাৰ কৰণীয়া

যোৱা জুলাই মাহত, নগাৱঁত বহা, "প্ৰদেশ যুৱক কংগ্ৰেছ ছেমিনাৰ'ত "অসমৰ যুৱক আৰু ছাত্ৰ আন্দোলন" নামৰ এটা প্ৰবন্ধ যোগোৱাৰ ভাৰ মোৰ ওপৰত দিয়া হৈছিল। এই দায়িত্বটো মোৰ গাত অহাৰ লগে লগে মোৰ মনটো ১২ বছৰৰ আগৰ অৱস্থা এটাৰ মাজলৈ গ'ল।

১৯৪৪ চনৰ ডিচেম্বৰ মাহ। ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ পৰামৰ্শক্ৰমে অসমত সদৌ অসম ছাত্ৰ ইউনিয়ন গঠন হৈছে হে মাথোন। আমি কেইজনমান কৰ্ম্মী তেখেতৰ ওচৰলৈ গৈছিলো—পা-পৰামৰ্শ বিচাৰি। নানান আলোচনাৰ মাজত তেখেতে উল্লেখ কৰিলে যে অসমৰ যুৱক তথা ছাত্ৰ আন্দোলনৰ কথাবোৰ সংগ্ৰহ কৰি, থুপ খুৱাই, প্ৰকাশ কৰিব পাৰিলে ডাঙৰ কাম এটা হয়। আমি তেতিয়া কথাষাৰত দিব লগীয়া গুৰুত্ব নিদি, অনুষ্ঠানৰ অন্যান্য কামত লাগিলোঁ। কামৰ মাজে মাজে যেতিয়াই সময় পাওঁ—পুৰণি কলীয়া কাগজপাতিবোৰ সংগ্ৰহ কৰিবৰ কাৰণে চেষ্টা নকৰাকৈ থকাও অৱশ্যে নাছিলো। ঠিক এনেদৰেই সহকৰ্ম্মী শ্ৰীউত্তম চন্দ্ৰ তহবিলদাৰেও এনে এখন পুথি প্ৰস্তুত কৰি, ছাত্ৰ কংগ্ৰেছৰ জৰীয়তে প্ৰকাশ কৰিবৰ কাৰণে সমল গোটাইছিল।

মোৰ ওপৰত পৰা এই দায়িত্বৰ কাৰণে মনতে ভয় উপজিল। কিয়নো—কেচা হাতৰ মানুহে পকা কাম কৰিবলৈ গ'লে, ভালতকৈ বেয়া হোৱাৰ সম্ভাবনা হে বেচি।

এইখিনিতে এটা কথা জনোৱা উচিত যে এনে এখন পুথি সঙ্কলনৰ কাৰণে, যিমান খিনি সমল সংগ্ৰহ কৰিব লাগিছিল, সেই সকলোখিনি সংগ্ৰহ কৰাত সফলকাম আমি হোৱা নাই। আনহাতে অনভিজ্ঞতাৰ ফলত যিবোৰ কথাত গুৰুত্ব দিব লাগিছিল, সেইবোৰত নিদি, যিবোৰত কম গুৰুত্ব দিয়া হলেও হ'লহেঁতেন—তেনেবোৰত হয়তোবা গুৰুত্ব দিছো। এইখিনিতে উল্লেখ কৰাটো অপ্ৰাসঙ্গিক নহব যে ১৯৩০ চনৰ আন্দোলনৰ পাচৰ পৰা ১৯৩৮-৩৯ চনৰ কালছোৱালৈকে অসমৰ ছাত্ৰ-আন্দোলনৰ বিশেষ উল্লেখ ইয়াত কৰিব পৰা নাই। প্ৰামান্য কাকত পাতি সংগ্ৰহ

কৰিব নোৱাৰাই ইয়াৰ একমাত্ৰ কাৰণ। আমাৰ এই ন্যুনতাৰ বাবে আমি লাজ পাইছো।

এই পুথি সঙ্কলন কাৰ্য্যত বন্ধুবৰ্গৰ সহায় সহযোগ নোপোৱা হ'লে, ই সম্ভৱপৰ কথা হৈ নুঠিলহেতেন। জয়জয়তে মই বন্ধুবৰ শ্ৰীউত্তমচন্দ্ৰ তহবিলদাৰৰ প্ৰতি মোৰ অন্তৰভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেখেতৰ পৰামৰ্শ, সাচতীয়া পাজি পুথি, ৰক্ষিত কাকতৰ টুকুৰা (Paper cutting) আদিৰ যোগাৰ নোপোৱা হলে, এই কাম মোৰ প্ৰতি সম্ভৱপৰ নহলহেতেন। তাৰোপৰি প্ৰদেশ কংগ্ৰেছৰ সম্পাদক শ্ৰীনবীন গোস্বামী, প্ৰদেশ যুবক কংগ্ৰেছৰ সভাপতি, বন্ধু শ্ৰীতিলকচন্দ্ৰ গগৈৰ পা-পৰামৰ্শ মৰমৰ দাবি ধমক, বিৰামহীন তাগাদা—নোপোৱাহলে ই হৈ উঠাটো সম্ভৱপৰ নহ'লহেতেন।

এইখন ছপা কৰি উলিয়া হৈছে যদিও, ইয়াক "অসমৰ যুবক আৰু ছাত্ৰ আন্দোলনৰ বুৰঞ্জী"ৰ খচৰা হিচাবেহে গণ্য কৰিব লাগে। সহকৰ্ম্মী বন্ধুবৰ্গ আৰু সুধীবৃন্দই—এই পুথিত উল্লেখিত কথাৰ, দোষ ত্ৰুতি, ভুল-ভ্ৰান্তি আদি আঙুলিয়াই দি, সংযোগ কৰিব লগীয় প্ৰামান্য কিবা সমল থাকিলে, আমালৈ পঠাব বুলি আশা কৰিলো। ভবিষ্যতে সেই সকলো, এই পুথিত সন্নিবেষ্টিত কৰাৰ আমাৰ মানস থাকিল। ইতি

শ্ৰীবিজয়চন্দ্ৰ শৰ্ম্মা
প্ৰদেশ কংগ্ৰেছ ভৱন,
গুৱাহাটী।

জাগৰণৰ পটভূমি

১৮৩৬ চনৰ পৰা অসমৰ পঢ়াশালি আৰু আদালত বিলাকত অসমীয়া ভাষাৰ ঠাই অধিকাৰ কৰে বঙালী ভাষাই। ইষ্ট ইণ্ডিয়া কোম্পানীৰ এই সিদ্ধান্তই অসমীয়া জাতীয়তাৰ ওপৰত নিদাৰুণ ভাবে আঘাত কৰে: এনেকি অসমীয়াৰ জাতীয় অস্তিত্বই সন্দিহান আৰু আশঙ্কাপূৰ্ণ হৈ উঠে।

কিন্তু জাতি এটা জীয়াই থাকিবলৈ হলে, তাৰ জাতীয় ভাষা আৰু সাহিত্যৰ উৎকৰ্ষ সাধিব লাগিব। যি জাতিৰ স্বতন্ত্ৰীয়া ভাষা নাই, সেই জাতি মৃতপ্ৰায়। জাতীয় জীৱনৰ লগত—জাতীয় ভাষা অঙ্গাঙ্গী ভাবে জড়িত। কিয়নো জাতীয় ভাষাৰ জৰীয়তেই জাতিৰ ভাব, চিন্তাধাৰা আৰু কৃষ্টি-সংস্কৃতিৰ মুক্ত প্ৰকাশ হব পাৰে। ভাষাই জাতিৰ অভিব্যক্তি স্বৰূপ; ভাষা নহলে সমাজ তিষ্ঠিব নোৱাৰে আৰু সমাজ নহলে কোনো ৰাষ্ট্ৰীয় ব্যৱস্থাই চলিব নোৱাৰে। গতিকেই অসমীয়া ভাষাৰ প্ৰচলন ৰহিত হোৱাৰ কাৰণে, অসমীয়া জাতীয়তাৰ, পূৰ্ণ আৰু সৰ্ব্বাঙ্গীন বিকাশৰ বাধাহীন মুক্ত গতিত, ই প্ৰচণ্ড ভেটা ৰূপে থিয় দিয়ে। "এই প্ৰাচীৰ ভাঙি চূৰ্ণ বিচূৰ্ণ কৰিবই লাগিব—অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা কৰিবই লাগিব!" কিন্তু ভাওনাৰ গুৰুঘাতত চাপৰ মাৰিব কোনে? এৰা! বায়ন ওলাল। জাতীয় মৰ্য্যাদা আৰু আত্ম-চেতনাৰ জোৱাৰে, অসমীয়া শিক্ষিত ডেকাদলৰ তৰুণ মনত, নতুন উদ্দীপনাৰ, নতুন প্ৰাণৰ সঞ্চাৰ কৰিলে। দেশব্যাপী অসমৰ যুৱক শক্তিয়ে বিপুল আলোড়নৰ ৰণভেৰী বজাই, সূচনা কৰিলে—নতুন যুগৰ স্পন্দন।

১৮৩৮ খৃঃত অসমত মিছনেৰী সকলৰ আবিৰ্ভাৱ হয়। মিছনেৰী সকলৰ উদ্দেশ্য আছিল—অসমত খৃষ্টধৰ্ম্ম প্ৰচাৰ কৰা। তেওঁলোকে স্পষ্ট কৈ বুজিছিল যে যদি অসমীয়া জাতিৰ মাজত খৃষ্টধৰ্ম্ম প্ৰচাৰ কৰিব লাগে, তেনেহলে বাইজৰ মাতৃভাষাৰ সহায় লোৱা নিতান্ত উচিত কথা। এই উদ্দেশ্যে তেওঁলোকে অসমত অসমীয়া ভাষা চলাবলৈ বদ্ধপৰিকৰ হয়। সেই উদ্দেশ্যেই ১৮৪৬ খৃঃত শিৱসাগৰৰ পৰা অসমীয়া ভাষাত "অৰুণোদয়" নামেৰে এখন কাকত প্ৰকাশ কৰে। মিছনেৰী সকলৰ এই কাৰ্য্যই অসমৰ শিক্ষিত যুবক দলৰ বুকুত ভৰষা যোগায়। অসমৰ ডেকাদলে, অসমীয়া ভাষাৰ পুনৰুদ্ধাৰ কল্পে, একনিষ্ঠ ভাবে জাতিৰ সেৱাত মনপ্ৰাণ উচ্ছৰ্গা কৰিলে। এই ডেকাদলৰ ভিতৰত প্ৰাতঃস্মৰণীয় স্বৰ্গীয় আনন্দৰাম ঢেকীয়ালফুকন অগ্ৰণি আছিল। ইংৰাজী শিক্ষাত দীক্ষিত ঢেকীয়াল ফুকনে, মিছনেৰী সকলৰ লগত লগলাগি, ইংৰাজ সকলক বুজাবলৈ ধৰিলে যে অসমীয়া ভাষা এটা স্বতন্ত্ৰীয়া ভাষা। এই উদ্দেশ্যকে সাৰোগত কৰি তেখেতে "A few remarks on the Assamese language" নামেৰে এখনি পুস্তিকা প্ৰকাশ কৰে। তেখেতৰ অশেষ পৰিশ্ৰম আৰু প্ৰচেষ্টা ফলৱতী হ'ল। অসমত অসমীয়া ভাষাৰ পুনৰ প্ৰচলনৰ দিহা হ'ল। ১৮৭১ চনত অসম-বঙ্গৰ ডুৱলীয়া লাট লড কেম্পবেলৰ আদেশত অসমৰ পঢ়াশালী আৰু আদালতত অসমীয়া ভাষা পুনৰ প্ৰচলন হ'ল।

স্বৰ্গীয় ঢেকীয়াল ফুকনক অনুসৰণ কৰিলে স্বৰ্গীয় গুণাভিৰাম বৰুৱা আৰু স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাই। ৺হেমচন্দ্ৰই, "হেমৰ কোবেৰে ওখ দোল বান্ধি ভাষাক সাৰথি কৰি; নুমাব লগীয়া অসমীয়া নাম" জিলিকাই ৰাখিলে। ঢেকীয়াল ফুকন আৰু গুণাভিৰামে দিলে অসমীয়া জাতিক জ্ঞান আৰু হেমচন্দ্ৰই দিলে বিজ্ঞান।

এই চিৰস্মৰণীয় কৃতবিদ্য লোকসকলৰ একনিষ্ঠ সাহিত্যসেৱা আৰু সাধনাই সেই যুগৰ—সেই কালৰ অসমীয়া ছাত্ৰসকলক যথেষ্টৰূপে উদ্দীপনা যোগায় আৰু তেওঁলোকৰ মনতো, দেশৰ প্ৰতি অনুভূতিশীল ভাব এটি জাগি উঠিল। অসমীয়াৰ প্ৰাণুত নতুন ভাবধোৰে আলোড়ন তুলিলে; নৱ-জাগৰণৰ এই জোৱাৰে অসমৰ সুপ্ত প্ৰাণ জগাই তুলিলে। প্ৰগতিৰ পথেৰে আগুৱাবলৈ অসম দৃঢ় প্ৰতিজ্ঞ হ'ল।

ছাত্ৰ আন্দোলনৰ সূত্ৰপাত

অসমত ছাত্ৰ আন্দোলনৰ এযে সূত্ৰপাত। অৱশ্যে এই আলোড়ন, বৰ্ত্তমানৰ ভাবধাৰাতকৈ বহুতো পৃথক, কিয়নো সেই সময়ত ৰাজনৈতিক চিন্তাবিন্যাসৰ ঠাই গ্ৰহণ কৰিছিল ভাষা আৰু সাহিত্যৰ সমস্যাই। গতিকে অনিশ্চয় ৰাজনৈতিক আন্দোলনৰ ঠাই—ভাষা আৰু সাহিত্যৰ আন্দোলনেই গ্ৰহণ কৰাটো নিতান্ত স্বাভাৱিক কথা। সেই জাগৰণ—সেই আন্দোলনৰ গুৰুত্ব বুজিবৰ চেষ্টা নকৰিলে—আমি ভুল কৰা হব। আয়াৰলেণ্ডৰো জাতীয় জাগৰণৰ মূলতে আছিল জাতীয় ভাষাৰ প্ৰীতি। দৰাচলতে কবলৈ গ'লে, ভাষা আৰু সাহিত্যৰ সমস্যাটো জাতিৰ এটা ডাঙৰ সমস্যা। অসমীয়া জাতিৰ প্ৰাণ আৰু স্বতন্ত্ৰীয়া অস্তিত্ব অটুট ৰখাৰ আন্দোলন, অসমৰ জাতীয় আন্দোলন। এই সিদ্ধান্তৰ ক্ষেত্ৰত কোনো বিতণ্ডাৰ থল নাই। পৰৱৰ্ত্তী ৰাজনৈতিক আন্দোলনৰ যুগৰ তুলনাত, সেই যুগৰ আন্দোলনৰ, মূলগত প্ৰভেদ থাকিল সচা, কিন্তু তাৰ গুৰুত্বও কম আছিল বুলিব নোৱাৰি। সেই আন্দোলন আছিল ভাষাগত শোষণৰ বিৰুদ্ধে। অসমৰ ৰাইজে এই আন্দোলনত প্ৰাণ ঢালি দিছিল।

কোনো আন্দোলন সক্ৰিয় আৰু কৃতকাৰ্য্যতাৰে চলাবলৈ হ'লে, সঙ্ঘবদ্ধ আৰু সমবেত মিলিত শক্তিৰ আৱশ্যক। আন্দোলনৰ সূচনাকাৰী ছাত্ৰসকলে সেই দেখিয়েই, ছাত্ৰসকলৰ এটা নিজস্ব অনুষ্ঠানৰ প্ৰয়োজনীয়তা বিশেষ ৰূপে উপলব্ধি কৰিছিল। এনে এটি অনুষ্ঠান গঢ়ি তুলিবলৈ বুলি কলিকতাত বাস কৰা কলেজীয়া ছাত্ৰ সকলে, অসমীয়া ভাষাৰ উন্নতিৰ অৰ্থে আৰু অসমীয়া ছাত্ৰসকলৰ মনত আত্মচেতনা আৰু কৰ্ম্ম প্ৰৱণতা বঢ়াবৰ উদ্দেশ্যেৰে "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা" নামেৰে এটি অনুষ্ঠান প্ৰতিষ্ঠা কৰে। এইখনেই অসমীয়া ছাত্ৰসকলৰ সু-সঙ্ঘবদ্ধ প্ৰথম প্ৰতিষ্ঠান। এই অনুষ্ঠানৰ প্ৰথম অধিবেশন বহে কলিকতাত; ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে। এই সভাৰ উদ্দেশ্য আছিল; অসমীয়া ছাত্ৰসকলৰ মাজত সাহিত্য চৰ্চ্চাৰ এটা প্ৰগাঢ় অনুৰাগ বঢ়োৱা, যাতে ছাত্ৰসকলে ভাষাৰ শ্ৰীবৃদ্ধি কৰি অসমীয়া সাহিত্যৰ সৌষ্ঠৱ বঢ়াবলৈ সক্ষম হয়। সাহিত্য সেৱাই, দেশৰ আৰু জাতিৰ প্ৰধান সেৱা বুলি সেই সময়ত পৰিগণিত হৈছিল। অকল ইয়াতেই ক্ষান্ত নাথাকি তেওঁবিলাকে এই সভাৰ তৰফৰ পৰা "জোনাকী" নামেৰে এখন আলোচনী প্ৰকাশ কৰিলে। এই

কাকতেই অসমীয়া নবীন সাহিত্যিক সকলক তুলিকাৰ শক্তি বঢ়াৰলৈ প্ৰথম সুযোগ দিয়ে। আজিৰ অসমৰ সুপ্ৰসিদ্ধ সাহিত্যিক সকল এই জোনাকী যুগৰেই অকৃত্ৰিম অৱদান।

ভাৰতৰ পৰিস্থিতি : বঙ্গভঙ্গ আন্দোলন

এই খিনিতেই সেই সময়ৰ ভাৰতৰ পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰাটো অপ্ৰাসঙ্গিক নহব। কিয়নো ইষ্ট ইণ্ডিয়া কোম্পানীৰ গৰাহলৈ অসমৰ শাসনভাৰ অহাৰ ফলতেই অসমৰ ৰাষ্ট্ৰীয় স্বাতন্ত্ৰ্যৰ সমাপ্তি ঘটে আৰু অসমো সৰ্ব্বভাৰতৰ এটা খণ্ডবিশেষ বুলি পৰিগনিত হয়। এতেকতে সৰ্ব্বভাৰতীয় ঘটনাসমূহৰ লগত অসমৰ স্বাৰ্থ আৰু সমস্যা জড়িত থকাটো নিতান্ত স্বাভাৱিক।

যি সময়ত অসমে জাতীয় ভাষা আৰু সাহিত্যৰ আলমত আপোন সত্ত্বা বজাই ৰাখি, তাৰ জৰীয়তে অসমৰ অধিবাসী সকলক শিক্ষা দি, মানৰ আক্ৰমনত জুৰুলা হোৱা দেশখন পুনৰগঠন কৰি, অতীত ঐতিহ্যৰ ভেটিত ভবিষ্যত অসম গঢ়ি তুলিবলৈ প্ৰাণপনে চেষ্টা কৰিছিল, সেই সময়ত ভাৰতৰ আন ঠাইতো ভাষা আৰু শিক্ষা সংক্ৰান্ত বিষয় লৈ, এটা আলোড়নৰ সৃষ্টি হৈছিল।

১৮৫৭ চনৰ প্ৰথম স্বাধীনতা বিপ্লৱ দমন কৰাৰ পাচত, ভাৰতৰ শাসন, ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা বৃটিছ পাৰ্লিয়ামেণ্টৰ হাতলৈ যায়। তেতিয়াৰে পৰা, বৃটিছ শাসন বাহাল ৰাখিবলৈ ভাষাই হ'ল প্ৰধান সম্বল। আৰু সেইকাৰণে ভাৰতৰ শিক্ষালয় বিলাকত ইংৰাজী ভাষাৰ জৰীয়তে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হয়। চাৰিও ফালৰে পৰাই মাতৃভাষাৰ জৰীয়তে শিক্ষা দিবৰ নিমিত্তে দাবী জনোৱা হল যদিও, সেই সময়ত জনমত সিমান বহল হিচাবে গঠিত হোৱাৰ কোনো সুযোগ নাছিল। সেই কাৰণে দেশৰ চাৰিওপিনৰ পৰা আপত্তি উঠা স্বত্তেও বঙ্গদেশৰ ৰাজা ৰামমোহন ৰায়ৰ সমৰ্থনৰ ওপৰতে বহু-পৰিমানে গয়না লৈ, ইংৰাজী ভাষাৰ জৰীয়তেই ভাৰতৰ শিক্ষালয় বিলাকত শিক্ষা দিয়াৰ সিদ্ধান্ত কৰা হয়। এই অনুসিদ্ধান্তৰ ফলত, ইংৰাজী ভাষাই ভাৰতীয় বিদ্যালয় সমূহৰ 'সাধাৰণ ভাষা' (Common language)ত পৰিনত হয়।

১৮৮৫ চনত ভাৰতবৰ্ষত কংগ্ৰেছ মহাসভাৰ প্ৰতিষ্ঠা হয়। পোনতে যি উদ্দেশ্য সাধনৰ হকেই ইয়াক প্ৰতিষ্ঠা কৰা নহওক লাগিলে, লোকমান্য তিলক, গোপালকৃষ্ণ গোখেল, সুৰেন্দ্ৰ নাথ বেনাৰ্জী আদি কৃতী সন্তান সকলৰ—ইয়াৰ লগত সম্পৰ্ক স্থাপিত হোৱাৰ লগে লগে, ই ভাৰতবৰ্ষৰ জাতীয় সংগ্ৰামৰ বাহক হোৱাৰ পথলৈ আগবাঢ়ি যাবলৈ ধৰিলে।

এই কালছোৱাৰ ভিতৰত ছাত্ৰ সাধাৰণৰ বৰঙণি বিশেষ উল্লেখ যোগ্য আছিল। জাতীয় সংহতি ৰক্ষা—জাতীয় প্ৰেৰণাৰ ভাবাবেগ দেশত সৃষ্টি কৰাত, ছাত্ৰ সকলেও সু-সংগঠিত ভাবে নহলেও; বৰঙণি যোগাইছিল। ছাত্ৰসকলৰ অৱদান সেই কালৰ দেশৰ নেতৃবৃন্দয়ো স্বীকাৰ কৰিছিল, আৰু ছাত্ৰ আন্দোলন সু-সংগঠিত ভাবে পৰিচালিত হোৱাত উৎসাহ যোগাইছিল। দেশৰ নেতৃবৃন্দই এই কথা ভালকৈ উপলব্ধি কৰিছিল যে ভাৰতবৰ্ষৰ ছাত্ৰ শক্তিক সংগঠিত কৰিব পাৰিলেহে ভাৰতবৰ্ষৰ মুক্তি সংগ্ৰাম বলবান হব।

কেৱল দেশৰ নেতাসকলেই নহয়, বৃটিছ শাসক সকলেও এই কথা ভাল ভাবে উপলব্ধি কৰিছিল। সেই কাৰণে ছাত্ৰ সংহতি—ছাত্ৰৰ সঙ্ঘবদ্ধ শক্তিক পঙ্গু কৰিবলৈ নানান উলঙ্গ উপায় উদ্ভাবনেৰে, এই নবজাত চেতনা আৰু জাগৰণ হেচ দি ৰাখিবলৈ যত্নপৰ হ'ল। পৰিনাম কিন্তু হ'ল ইয়াৰ ওলোটাটোহে। সাম্ৰাজ্যবাদীৰ কঠোৰ শাসনৰ ফলত, ছাত্ৰশক্তি প্ৰখৰতৰ ভাবে তীক্ষ্ণ হৈ উঠিল আৰু ভৱিষ্যত সংগ্ৰামৰ পটভূমি ৰচনাত উদ্দীপিত হৈ উঠে।

১৯০৫ চনত বঙ্গদেশক দ্বিখণ্ডিত কৰি, বঙ্গদেশৰ ক্ৰমবৰ্দ্ধমান ঐক্যবদ্ধ শক্তি খৰ্ব্ব কৰাৰ মানসেৰে, এটা চক্ৰান্ত কৰা হয়। তেতিয়া বঙ্গদেশত এটা প্ৰচণ্ড বিক্ষোভৰ সৃষ্টি হয়। এই আলোড়ন অকল বঙ্গদেশতেই আবদ্ধ নাথাকি সমগ্ৰ ভাৰতত বিয়পি পৰে আৰু ক্ৰমশঃ সৰ্ব্বভাৰতীয় সমস্যাৰ ৰূপ পৰিগ্ৰহ কৰে। বঙ্গক দ্বিখণ্ডিত কৰাৰ পৰিকল্পনাক, বঙ্গদেশৰ জনসাধাৰণে ঘোৰ বিৰোধীতা কৰিলে। সভা, শোভাযাত্ৰা, হৰতাল আদিৰে এই বিক্ষোভ প্ৰদৰ্শন কৰা হয়। বঙ্গদেশৰ জনসাধাৰণৰ লগত তাৰ ছাত্ৰসকলেও এই আন্দোলনত জপিয়াই পৰে আৰু এই আন্দোলনত যোগদান কৰিয়েই বঙ্গদেশৰ ছাত্ৰ সমাজে, কেনেকৈ আন্দোলন কৰিব লাগে, তাৰ এটা বিৰাট অভিজ্ঞতা লাভ কৰে। ধৰ্ম্মঘট, শোভা-

যাত্ৰা আদি দৈনন্দিন কাৰ্য্যত পৰিণত হ'ল। জনসাধাৰণৰ এই আন্দোলনত বঙ্গদেশৰ ছাত্ৰ সাধাৰণৰ দান অতুলনীয়।

ছাত্ৰ শক্তিক বিৰত কৰিবৰ অভিপ্ৰায়ে আৰু এই আন্দোলনৰ পৰা বিৰত ৰাখিবলৈ, সাম্ৰাজ্যবাদীয়ে নানান উপায় উদ্ভাৱন কৰিবলৈ ধৰিলে। সভা, শোভাযাত্ৰা বে-আইনী বুলি ঘোষণা কৰা হ'ল। স্কুল কলেজ বোৰত আদেশ জাৰী কৰিলে যে কোনো ছাত্ৰ বঙ্গভঙ্গৰ বিৰুদ্ধে আন্দোলন, অথবা কোনো প্ৰকাৰৰ ৰাজনৈতিক কাৰ্য্যত সংশ্লিষ্ট থাকিব নোৱাৰিব। বঙ্গদেশৰ অদম্য ছাত্ৰ শক্তিয়ে, এই আদেশৰ প্ৰতি মুৰ দোঁৱাবলৈ অস্বীকাৰ কৰে, লগে লগে মুক্তি পিপাসু ছাত্ৰসকলৰ ওপৰত যিমানেই কঠোৰ ব্যৱহাৰ কৰা হ'ল, স্বাধীনতাৰ প্ৰতি তেওঁলোকৰ হেপাহ তিমানেই তীব্ৰ হবলৈ ধৰিলে।

ছাত্ৰ সকলক ৰাজনৈতিক আন্দোলন আৰু সভা শোভাযাত্ৰাৰ পৰা বিৰত কৰিবলৈ যি আদেশ জাৰী কৰা হৈছিল, ছাত্ৰ সকলৰ মাজত সেয়ে এটি নতুন আন্দোলনৰ সূত্ৰপাত কৰিলে। দলে দলে ছাত্ৰসকলে চৰকাৰী স্কুল কলেজ বিলাক পৰিত্যাগ কৰি, নতুনকৈ স্থাপিত হোৱা জাতীয় স্কুল বিলাকত ভৰ্ত্তি হবলৈ ধৰিলে। এনেকি এই সময়ত অকল পূব বঙ্গতে পচিশ খন নতুন হাইস্কুল স্থাপিত হয়।

এই ঘটনাসমূহে ভাৰতীয় জনসাধাৰণৰ প্ৰাণত, অভূতপূৰ্ব্ব জাতীয় মৰ্য্যাদা আৰু আত্মচেতনাৰ ভাবৰ গভীৰ চাপ বহুৱাই দিয়ে। ভবিষ্যতে জাতীয় চেতনাৰে উদ্বুদ্ধ শিক্ষাৰ যাতে ব্যৱস্থা হয়, তাৰ কাৰণে এখন পৰিষদো গঠন কৰা হ'ল আৰু তাৰ পৃষ্ঠপোষকতা কৰে স্যাৰ গুৰুদাস বেনাৰ্জ্জীয়ে।

লাহে লাহে এই জাতীয় ভাবে ভাৰতৰ ইমুৰৰ পৰা সিমুৰলৈ জনসাধাৰণক অনুপ্ৰাণিত কৰি তোলে। এনেকি জাতি গঠনত, এই জাতীয় শিক্ষাৰ আদৰ্শৰ অপৰিহাৰ্য্যতা ভাৰতীয় কংগ্ৰেছে মুক্তকণ্ঠে স্বীকাৰ কৰে আৰু ১৯০৬ চনত বহা বাৰ্ষিক অধিবেশনত এই মৰ্ম্মে এটা প্ৰস্তাৱ গ্ৰহণ কৰে:

"Resolved that in the opinion of this Congress, the time has arrived for the people all over the country, earnestly to take up the question of national education

for both boys and girls and organise a system of education literary, scientific and technical, suited to the requirements of the country on national lines and under national control".

এই আন্দোলনত কৃতকাৰ্য্যতা লাভ কৰি, ভাৰতীয় জনসাধাৰণে, লগতে ছাত্ৰ সমাজেও নতুন বল পালে আৰু এইটো পৰিষ্কাৰ কৈ বুজি পালে যে আন্দোলনেই হে জাতিৰ মুক্তিৰ একমাত্ৰ উপায়।

অসম এছোচিয়েশ্যন

এই কাল ছোৱাত অসমতো নতুন ভাবধাৰাৰ সৃষ্টি হয়। ভাৰতৰ এই সুদূৰ প্ৰসাৰী আন্দোলনে অসমৰ তৰুণ সম্প্ৰদায়কো স্পৰ্শ নকৰাকৈ নাথাকিল। অসমত ৰূপ তাৰ হ'ল কিছু বেলেগ। একে প্ৰেৰণাৰ উৎসৰ পৰাই, এটি নতুন আন্দোলনে আহি অসমত ভুমুকি মাৰিলেহি। ভাষা আৰু শিক্ষা বিষয়ক সমস্যা লৈ অসমতো ছাত্ৰ আৰু শিক্ষিত ডেকা সমাজৰ মাজত এটা অভিনৱ জাগৰণৰ ঢল আহিল।

আগতেই উল্লেখ কৰা হৈছে যে ভাষা আৰু সাহিত্যৰ সমস্যাই, অসমীয়াৰ আগত প্ৰধান সমস্যাৰূপে দেখা দিছিল। ইয়াৰ লগতে অৱশ্যে শিক্ষাৰ সমস্যাও কোনো গুণে কম নাছিল। ভাষাগত শোষণৰ পৰা অব্যাহতি পাই, ছাত্ৰ আৰু অসমৰ জাতীয় নেতাসকলে শিক্ষাৰ পিনে চকু দিলে। অসমত উচ্চ শিক্ষাৰ কোনো ব্যৱস্থা নথকাত, এখন কলেজ স্থাপনৰ কাৰণে দেশবাসী সজাগ হ'ল আৰু ১৯০০ চনত গুৱাহাটীত পোনতে এখন কলেজ স্থাপন কৰা হয়। সেই সময়ৰ চীফ্ কমিছনাৰ মিঃ হেনৰী কটনৰ নামানুসাৰে কলেজখনৰ নাম "কটন কলেজ" ৰখা হয়। ঠিক সেই সময়তেই ডিব্ৰুগড়ত "বেৰী হোৱাইট মেডিকেল স্কুল" স্থাপিত হয়। ১৯১২ চনত স্বৰ্গীয় মাণিকচন্দ্ৰ বৰুৱাৰ অক্লান্ত পৰিশ্ৰমৰ ফলত গুৱাহাটীতেই "আৰ্ল কলেজ"খনো খোলা হয়।

ভাষাৰ উন্নতিৰ কাৰণে দুই এখন অনুষ্ঠানে জন্ম গ্ৰহণ কৰিলে হয়, কিন্তু তেতিয়ালৈকে ৰাজনৈতিক ভাবাপন্ন কোনো অনুষ্ঠান নাছিল। গতিকে দেশত ৰাজনৈতিক অৱস্থাৰ চিন্তা আৰু উন্নতিৰ অৰ্থে "অসম এছোচিয়েশ্যন" নামে এখন ৰাজনৈতিক অনুষ্ঠান স্বৰ্গীয় মাণিকচন্দ্ৰ বৰুৱাৰ সুনেতৃত্বত প্ৰতিষ্ঠিত হ'ল। এই অনুষ্ঠানখন ১৯২০ চনলৈকে অস-

মীয়াৰ একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান আছিল। ৺মাণিকচন্দ্ৰ বৰুৱাৰ পাচত এই অনুষ্ঠানৰ নেতৃত্ব কৰিছিল ৺চন্দ্ৰনাথ শৰ্ম্মা, ৺নবীনচন্দ্ৰ বৰদলৈ, ৺যোগেন্দ্ৰনাথ বৰুৱা আদিয়ে। অসমত প্ৰথম ৰাজনৈতিক চিন্তাধাৰাৰ অৱতাৰণা কৰে এই "অসম এছোচিয়েশ্যনে"। সেই সময়ত অসমৰ ৰাজনৈতিক সমস্যাৰ সমাধানৰ চেষ্টা কৰা হৈছিল এই এছোচিয়েশ্যনৰ তৰফৰ পৰাই। তাৰোপৰি মণ্টেগু চাহাবৰ শাসন সংস্কাৰৰ আচনি মতে যেতিয়া লণ্ডনলৈ প্ৰদেশ সমূহৰ পৰা প্ৰতিনিধিৰ আহ্বান জনোৱা হয়, সেই সময়ত এই অসম এছোচিয়েশ্যনে অসমৰ দাবী জনাবলৈ লণ্ডনলৈ দুজন প্ৰতিনিধি পঠিয়ায়।

আগেয়ে উল্লেখ কৰি অহা "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ" কাৰ্য্যপ্ৰক্ৰিয়া কেৱল সাহিত্যৰ ক্ষেত্ৰতে আবদ্ধ আছিল। কিন্তু এই সভাৰ নামত যেনে—কামতো তেনে সংকীৰ্ণ পৰিসৰ দেখি, এই প্ৰতিষ্ঠানটোৰ নাম সলাই "এ,এছ,এল ক্লাব"লৈ পৰিবৰ্ত্তন কৰা হয়। গুৱাহাটীৰ ছাত্ৰ সকলেও কলিকতাত বাস কৰা অসমীয়া ছাত্ৰসকলৰ অভিজ্ঞতা অনুসৰণ কৰি, গুৱাহাটীতো তেনেকুৱা দুখন অনুষ্ঠান স্থাপন কৰে। এখনৰ নাম গুৱাহাটী এ,এছ,এল, ক্লাব (১৯০৩) আৰু আনখন হৈছে "একতা ক্লাব" (১৯০৫)। এই তিনিওখনৰ মূল উদ্দেশ্য আছিল সাহিত্য চৰ্চা।

ছাত্ৰ অনুষ্ঠান গঢ়াৰ পথত

এই তিনিওখন অনুষ্ঠানৰ কৰ্ম্মীসকলে স্থানীয় অনুষ্ঠান বিলাকৰ উপৰিও অসমৰ কাৰণে, এনে এখন অনুষ্ঠান গঠন কৰাৰ কথা চিন্তা আৰু আলোচনা কৰিছিল।

অৱশেষত এই উদ্দেশ্যে বয়সীয়াল সকলৰ পৰামৰ্শ লোৱাৰ মানসে, ৺চন্দ্ৰনাথ শৰ্ম্মা আৰু শ্ৰীঅম্বিকানাথ বৰা আদি, সেই সময়ৰ কেতবোৰ মুখিয়াল ছাত্ৰই, ১৯১৬ চনত গুৱাহাটীত বহা "অসম এডুকেশ্যনেল কনফাৰেন্সলৈ" অহা শিক্ষা বিভাগৰ মুৰব্বীসকলক কাৰ্জ্জন হলত এখন সভা পাতি নিমন্ত্ৰন কৰে। কিন্তু তেওঁ বিলাকৰ ভিতৰৰে অনেকে অনেক মত প্ৰকাশ কৰাত, কোনো সিদ্ধান্তত উপনীত হব নোৱাৰি, ছাত্ৰসকলে গুৱাহাটীৰে কিছুমান মুখিয়াল লোকৰ ওচৰত পৰামৰ্শ বিচাৰি গ'ল। কিন্তু তেওঁ বিলাকেও অনুষ্ঠান প্ৰতিষ্ঠা কৰাৰ সপক্ষে বিপক্ষে বহুতো

মত দিলে; কিন্তু তত্রাচ ছাত্র সকলৰ উৎসাহ আৰু উদ্যম জয় নপৰিল।

অসম ছাত্র সন্মিলন

ইয়াৰ কিছুদিনৰ আগতেই বিহাৰ প্ৰদেশত ছাত্ৰসকলে, এখন ছাত্র অনুষ্ঠান স্থাপন কৰে আৰু এই ছাত্র অনুষ্ঠান খনিয়েই, সদৌ ভাৰতৰ ছাত্র অনুষ্ঠান বিলাকৰ ভিতৰতে আটাইতকৈ পুৰণি। সেই সময়ত বিহাৰী ছাত্র সকলৰ এই উদ্যম আৰু কৰ্ম্মপ্ৰৱণতাই অসমীয়া ছাত্ৰসকলক বিমুগ্ধ কৰাৰ উপৰিও, প্ৰেৰনা আৰু উদ্দীপনাৰ ইন্ধন জোগাইছিল। এতেকে প্ৰথম চেষ্টাত বিফল হলেও, অসমৰ ছাত্ৰসকল একেবাৰে নিৰুৎসাহ নহৈ, পুনৰ একাগ্ৰ দৃঢ়তাৰে কাৰ্য্যক্ষেত্ৰত নামি গ'ল। "একতা সভাত" এই বিষয়ে আলোচনা হ'ল আৰু এই সভাতে ছাত্র সন্মিলন স্থাপনৰ বিষয়ে প্ৰতিবেদন দাখিল কৰিবলৈ এখন কমিটি গঠন কৰা হ'ল। এই কমিটিত আছিল—৺চন্দ্ৰনাথ শৰ্ম্মা, শ্ৰীজ্ঞাননাথ বৰা, হেৰম্ব প্ৰসাদ বৰুৱা, সোণাপতি দেৱ শৰ্ম্মা, শ্ৰীপদ্মধৰ চলিহা, শ্ৰীদেবচন্দ্ৰ তালুকদাৰ প্ৰভৃতি জনদিয়েক ছাত্র। কমিটিৰ ভিতৰতো মতদ্বৈধ হ'ল। এনেসময়তে কলিকতাৰ এ.এচ্, এল ক্লাবৰ ছাত্ৰসকলে বিহাৰৰ ছাত্ৰসকলৰ উদ্যমৰ কথা ব্যক্ত কৰি, গুৱাহাটীৰ ছাত্ৰসকললৈ এখন চিঠি লিখে—অসমতো বিহাৰৰ দৰে এখন অনুষ্ঠান গঠন কৰিবলৈ। এই চিঠিখনে কৰ্ম্মপথত আগবাঢ়িবলৈ গুৱাহাটীৰ ছাত্ৰসকলক যথেষ্ঠ ভাৱে উদগনি দিয়ে। সেই বছৰতে বৰ্হা "অসম এছোচিয়েশ্যন"ৰ ৰভাৰ তলতে অসমীয়া ছাত্ৰৰ "সাহিত্য সন্মিলনী" পাতিবলৈ উক্ত কমিটিয়ে ঠিৰাং কৰে। এই সন্মিলনৰ অভ্যৰ্থনা সমিতি হিচাবে কাম কৰিবলৈ, সেই উল্লেখ কৰা সমিতিয়েই ৰাজী হয় আৰু ৺চন্দ্ৰনাথ শৰ্ম্মা অভ্যৰ্থনা সমিতিৰ সম্পাদক নিৰ্ব্বাচিত হয়; লগতে বিভিন্ন ক্লাব আৰু স্কুল বিলাকলৈ প্ৰতিনিধি আৰু বৰঙণি পঠাবৰ বাবে অনুৰোধ কৰি চিঠি লিখা হ'ল।

এনেসময়তে আকৌ এটা আহুকালৰ সৃষ্টি হয়। অধিবেশনত যোগ দিয়া প্ৰতিনিধিৰ সংখ্যা আশাতীত ভাবে বঢ়াত আৰু কলেজৰ পৰা ঠিকমতে প্ৰতিনিধিত্ব নোহোৱা বুলি কৰা আপত্তি—এই দুয়োটা কাৰণবশতঃ এই আহুকালৰ সৃষ্টি হয়। কিন্তু তেতিয়া সন্মিলনত যোগ দিয়াৰ সপক্ষে সৰহ সংখ্যক ছাত্র থকাত, তেওঁবিলাকে সুকলমে অধিবেশনৰ কাম সমাধা কৰিবৰ উদ্দেশ্যে বৰঙণি তুলি সভাৰ কাৰ্য্য আৰম্ভ কৰি পেলালে।

এই খনেই আছিল সদৌ অসমৰ সন্মিলিত ছাত্ৰসকলৰ প্ৰথম আৰু একমাত্ৰ অনুষ্ঠান। এই নব প্ৰতিষ্ঠিত ছাত্ৰ অনুষ্ঠানৰ প্ৰথম অধিবেশন বহে ১৯১৬ চনৰ ২৫ ডিচেম্বৰ তাৰিখে গুৱাহাটী নগৰত আৰু তাৰ সভাপতিত্ব কৰিছিল সাহিত্যৰথী স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই।

ধৰ্ম্ম আৰু ৰাজনৈতিক সম্পৰ্কীয় আলোচনা বাদ দি, সাহিত্য চৰ্চ্চা আৰু আলোচনা কৰাই এই সন্মিলনৰ মুখ্য উদ্দেশ্য আছিল। সাহিত্য সেৱাই দেশ মাতৃকাৰ সেৱা, এই মূলমন্ত্র সাৰোগত কৰি, সদৌ অসমৰ ছাত্ৰ সমাজে নবীন উৎসাহেৰে সন্মিলনত যোগ দান কৰিছিল। সভাৰ মূল উদ্দেশ্য ব্যক্ত কৰি অভ্যৰ্থনা সমিতিৰ সম্পাদকীয় বিবৃতিত কৰ্ম্মবীৰ ৺চন্দ্ৰ নাথ শৰ্ম্মাই কৈছিল—

"প্ৰকৃত কামৰ ভিতৰতো ছাত্ৰৰ কৰিবলৈ বহুত আছে। পুৰণি পুথি সংগ্ৰহ, অসমীয়া বৰগীত, দেহ বিচাৰৰ গীত, গৰখীয়া গীত, আইনাম, বিয়ানাম, ধাইনাম বোৰ সংগ্ৰহ কৰি প্ৰকাশ কৰিলে, আমাৰ সাহিত্যত নতুন সৃষ্টি হব।.... আমাৰ ইতিহাস আৰু প্ৰত্নতত্ত্বৰ বিষয়ে ছাত্ৰসকলে ইচ্ছা কৰিলে যথেষ্ট কৰিবলৈ আছে।...."

"গোটেই অসমৰ স্কুল কলেজৰ ছাত্ৰ সকলে, পৰস্পৰৰ মাজত ভাব বিনিময় আৰু সৌহাৰ্দ্দ্য ভাব স্থাপন কৰাও এই আন্দোলনৰ উদ্দেশ্য।"

"স্বাৰ্থত্যাগ কৰিবলৈ শিকা, নিজৰ চিন্তা এৰি দহজনৰ কাৰণে জীৱন দিবলৈ শিকা অতি মহান কথা।....মাতৃভাষাৰ প্ৰতি স্নেহ, স্বদেশৰ প্ৰতি প্ৰেম—সকৰে পৰা শিকিব লাগে।"

সভাপতি ৺বেজবৰুৱা দেৱেও তেখেতৰ ভাষণত ছাত্ৰৰ ভৱিষ্যত জীৱনৰ লক্ষ্য, তাৰ উপকাৰীতা আদিৰ বিষয়ে ছাত্ৰসকলক উপদেশ দি অনুপ্ৰাণিত কৰিছিল।

মুঠতে এওঁবিলাকৰ ভাষণৰ পৰা আৰু সন্মিলনৰ নিয়মতন্ত্ৰৰ পৰা জনা যায় যে এই সন্মিলনৰ প্ৰধানতম উদ্দেশ্য আছিল—"অসমীয়া সাহিত্য আৰু প্ৰত্নতত্ত্ববিষয়ক লুপ্তপ্ৰায় সম্পদৰাজি আবিষ্কাৰ কৰি, সাহিত্যৰ ভৰাল চহকী কৰা,—ছাত্ৰসকলৰ সাহিত্য প্ৰতিভাৰ ক্ৰমোন্নতি সাধন কৰা, সৌহাৰ্দ্দ্য ভাবৰ বিনিময়ৰ সুযোগ দিয়া, দেশপ্ৰেম শিকোৱা" ইত্যাদি। ইয়াৰ বাহিৰেও "সমূহ অসমীয়া ছাত্ৰৰ উন্নতিৰ অৰ্থে তেওঁবিলাকক যথা

সন্তৰ সুবিধা দি, ব্যক্তিগত কাৰ্য্যত সহায়তা কৰা", "স্কুলকলেজৰ শিক্ষাৰ উপৰিও তেওঁবিলাকৰ মানসিক, আধ্যাত্মিক, শাৰীৰিক শক্তিৰ উৎকৰ্ষ সাধনত সহায় কৰা" আদি নিয়মতন্ত্ৰৰ অন্তৰ্ভুক্ত আছিল। কিন্তু আটাইতকৈ মন কৰিব লগীয়া যে, এই সন্মিলনৰ নিয়মতন্ত্ৰত "এই সন্মিলনত কোনো ৰাজনৈতিক আলোচনা হব নোৱাৰে" বুলি এটা সুস্পষ্ট নিষেধাজ্ঞা আছিল। অৱশ্যে সেই সময়ৰ দেশৰ পৰিস্থিতিৰ সুৰতেই এই প্ৰস্তাৱনা কৰা হৈছিল। তাতোকৈ অসমক বিশেষতঃ ৰাজনৈতিক সমস্যাতকৈ ভাষাগত সমস্যাইহে জুমুৰি দি ধৰিছিল। এনেকি সদৌ ভাৰতত্তে সেই সময়ত ৰাজনৈতিক কোনো বিশেষ আলোড়ন নোহোৱাত, অসমত: বিশেষকৈ অসমৰ ছাত্ৰ সমাজৰ মাজত, ৰাজনৈতিক চেতনা বিস্তাৰ কৰাৰ কোনো সম্ভাৱনা নাছিল।

ছাত্ৰ সকলৰ এই সন্মিলন আহ্বান কৰোঁতে ইয়াৰ নাম ৰখা হৈছিল "অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন।"—কিন্তু প্ৰকলি অধিবেশনত ইয়াৰ নাম লৈয়েই তৰ্কযুদ্ধৰ অৱতাৰণা হয়। অৱশেষত সন্মিলনৰ কাৰ্য্যক্ৰম অকল সাহিত্য চৰ্চ্চাতে আবদ্ধ নাৰাখি, ইয়াক বহুমুখী কৰাৰ অভিপ্ৰায়ে, ইয়াৰ আগৰ নাম সলাই "অসম ছাত্ৰ সন্মিলম" নামেৰে অভিহিত কৰাৰ স্থিৰ কৰা হয়।

সদৌ অসমৰ কাৰণে এখন সাহিত্য সন্মিলন গঠন কৰাৰ কথা, সেই সময়ৰ অসমীয়া ৰাইজে বিবেচনা কৰিছিল আৰু এই উদ্দেশ্যে ১৯১৫ চনত বহা 'অসম এছোচিয়েশ্যনৰ' বাৰ্ষিক অধিবেশনত 'অসম সাহিত্য সন্মিলন' নামে, সদৌ অসমীয়া ৰাইজৰ এখন অনুষ্ঠান স্থাপন কৰাৰ কথা ঠিৰাং কৰা হয়। ইয়াৰ প্ৰথম অধিবেশন বহে ১৯১৭ চনত, "ছাত্ৰ সন্মিলনৰ" জন্মৰ প্ৰায় এবছৰৰ পিছত। অৱশ্যে দুয়োখন অনুষ্ঠানৰ মাজত বহুল ব্যৱধান থকা বুলি ভাবিলে ভুল কৰা হব। যেহেতু দুয়োখনৰেই মূল উদ্দেশ্য আছিল—অসমীয়া সাহিত্যৰ উন্নতি সাধন কৰা।

"অসম ছাত্ৰ সন্মিলন" লাহে লাহে অসমৰ সদৌ ছাত্ৰ সমাজৰ আদৰৰ অনুষ্ঠান হিচাবে শ্ৰদ্ধা আৰু প্ৰীতিভাজন হৈ উঠে। ছাত্ৰশক্তিৰ পূৰ্ণ বিকাশৰ একমাত্ৰ প্ৰতিষ্ঠান এই সন্মিলনে ছাত্ৰসকলৰ সমাদৰ লাভ কৰিছিল। সন্মিলনৰ দ্বিতীয় অধিবেশন কৰ্ণেল পি, আৰ টি গৰ্ডন চাহাবৰ সভাপতিত্বত ১৯১৭ চনত যোৰহাটত অনুষ্ঠিত হয়। তাত 'সেৱা সমিতি'

গঠন কৰি সেৱাকাৰ্য্যত লিপ্ত হবলৈ ছাত্ৰসকলক অনুৰোধ কৰি প্ৰস্তাব গৃহীত হয়।

"ছাত্ৰ জীৱন কঠীয়াতলী"

১৯১৮ চনত তৃতীয় বছৰত ভৰি দিয়াত, ইয়াৰ বাৰ্ষিক অধিবেশন পূজাৰ বন্ধত সাহিত্যিক পেঞ্চনাৰ ৺পদ্মনাথ গোহাঞি বৰুৱাৰ পৌৰোহিত্যত ডিব্ৰুগড়ত বহে। এই অধিবেশনত হেমকোষ ৰচয়িতা ৺হেমচন্দ্ৰ বৰুৱাৰ নামত কিছুমান ভাল ভাল গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্তই উল্লেখযোগ্য।

কিন্তু ১৯১৮ চনত প্ৰথম মহাযুদ্ধ শেষ হোৱাৰ লগে লগে ভাৰতত ৰাজনৈতিক জাগৰণৰ সূচনা হয়। শাসন সংস্কাৰাৰ্থে মণ্টেগু চাহাবৰ ভাৰত আগমনত দেশত নতুন চিন্তাধাৰাৰ সোঁত ব'বলৈ ধৰে। অসমৰ ছাত্ৰসকলে সেই সময়ত ৰাজনৈতিক অৱস্থাৰ পৰিবৰ্ত্তন কেৱল দৰ্শক হিচাবে চায়েই ক্ষান্ত আছিল। কিন্তু ছাত্ৰ সমাজে সক্ৰিয় ভাবে যোগদান নিদিলেও —ৰাজনৈতিক চিন্তা কৰা আৰু আলোচনা কৰা যে একান্ত প্ৰয়োজন, সেই সময়ৰ দেশনেতা সকলে সেইকথা সম্যক ভাবে উপলব্ধি কৰিছিল। ৺গোহাঞি বৰুৱাৰ সভাপতিৰ অভিভাষণত সি সম্পূৰ্ণ ভাবে পৰিস্ফুট হৈ উঠিছিল। সম্মিলনৰ নিয়মতন্ত্ৰত থকা "এই সম্মিলনত কোনো ৰাজনৈতিক আলোচনা হব নোৱাৰে"—এই নিষেধাজ্ঞাৰ বিষয়ে উল্লেখ কৰি তেখেতে কৈছিল,—"আজিৰ সংসাৰত এনে কিছুমান অতি লাগতিয়াল আৰু দায়িত্বপূৰ্ণ বহল বিষয় আছে, যাক সহজে আৰু সোনকালে আয়ত্ব কৰি উঠা টান। অথচ, দেশৰ অভাব আৰু অৱস্থা চাই, দেশহিতৈষিতাৰ আলোচনা আৰু অনুশীলনলৈ যথেষ্ট সময় আৰু সুবিধা দিবও নোৱাৰি। বা স্বদেশ প্ৰেমিকে সেই অভাব আৰু অৱস্থা চাই সময় আৰু সুবিধালৈ বাট চাবও নোৱাৰাত পৰে। গতিকে ভোকত ভাতৰ গৰাহ ডাঙৰ কৰি মুখ ফলাৰ দৰে, অনেকে শক্তিৰ অতিৰিক্ত কৈ দেশহিতকৰ কাৰ্য্যত ধৰি অকালতে স্বাস্থ্য হেৰুৱাই মাৰ যাব লগাত পৰে।............ ছাত্ৰ জীৱনত ৰাজনৈতিক শিক্ষা লাভ নোহোৱাত, অন্ততঃ তাৰ আভাষ ভাগী হব নোৱাৰাত, যে, পাচত বুঢ়া শালিকা দেশহিতৈষীয়ে ৰাজনৈতিক মাত লব লগাত পৰে, আৰু তাৰ ফলত, গুৰুতৰ বিষয়ে মেৰভাঙ্গি কথা কব নাজানি, অনেকে অনেক বিধৰ প্ৰমাদ ঘটায়—এই কথা কোনে নাজানে?" অৱশ্যে সেই সময়ত জনসাধাৰণৰ মাজত এনে এটি ভ্ৰান্ত

ধাৰণা আছিল যে ছাত্ৰই ৰাজনীতিৰ আলোচনাত অংশ গ্ৰহণ কৰিলে ছাত্ৰজীৱন বিপন্ন হোৱাটো অতি সম্ভৱ। কিন্তু এই ধাৰণাৰ ভুল ভাঙি অকাট্য যুক্তি দেখুৱাই গোহাঞি বৰুৱাই কৈছিল—"ৰাজনীতি শিক্ষা কৰিলে ছাত্ৰ-ধৰ্ম্ম নষ্ট যোৱা নীতি—প্ৰাচ্য নে পাশ্চাত্য? পাশ্চাত্য ৰাজনৈতিক পুৰুষৰ জীৱনী আলোচনা কৰি চালে জনা যায় যে সেইটো পাশ্চাত্য নীতি নহয়। হোৱা হলে. সৰহ কব নালাগে, তাহানি ২৫ বছৰতে মিঃ পীট চাহাবে বৃটিছ ৰাজ্যৰ প্ৰধানমন্ত্ৰীৰ আসন লোৱা আৰু আজি মণ্টেগু চাহাবে ৩৭ বছৰত ভাৰত মন্ত্ৰীৰ বিষয় খোৱাটো সম্ভৱপৰ নহলহেঁতেন।......বিদ্যালয়ৰ শিক্ষাৰ্থী দলৰ নামভুক্ত মিঃ পীট চাহাবে স্কুল কলেজত ৰাজনীতি শিকিছিল কাৰণেহে, ছাত্ৰজীৱন পাৰ হোৱা মাত্ৰকে ৰাজনৈতিক শিক্ষাৰ মহলত যশস্যাৰে উত্তীৰ্ণ হৈ ততালিকে জিলিকি উঠিব পাৰিছিল। মিঃ মণ্টেগুৰ সহপাঠী ভাৰতীয় ছাত্ৰৰ মুখে শুনা যায় যে, আওাৰ গ্ৰেজুৱেট কালতে তেওঁ ৰাজনৈতিক কাৰ্য্যক্ষেত্ৰত নামি দোপত দোপে উধাবলৈ ধৰে। আজি সেই মণ্টেগুৰ ভাৰত শাসন সংস্কাৰ প্ৰস্তাৱনাই সভ্যজগতত, বিশেষকৈ ভাৰতবৰ্ষত, এটি অপূৰ্ব্ব ৰাজনৈতিক আন্দোলনৰ অভ্যুদয় ঘটাইছে।...........ভাৰতীয় স্কুল-কলেজীয়া ছাত্ৰকো ৰাজনীতি শিক্ষা দিয়াৰ ব্যৱস্থা দি, এই দেশৰ ৰাজনৈতিক প্ৰমাদ গুছোৱা হব; কাৰণ ছাত্ৰজীৱন কঠিয়াতুলী, তাত ৰাজনীতিৰ সঁচ নিসিচিলে, সংসাৰ পথাৰত কবলৈ সেই জাতৰ কঠীয়া ক'ৰ পৰা হব? নহয় দেখিতো, পৰৰ পথাৰৰ পৰা তাৰ লেছেৰী চপাই, ভড়াল বান্ধোতে ভাৰত সন্তানে ৰাজনৈতিক আন্দোলনত সততে প্ৰমাদ ঘটায়।"

১৯১৮ চনৰ সময়তো, ছাত্ৰসকলৰ ৰাজনীতিৰ লগত কি সম্বন্ধ হোৱা উচিত সেইবিষয়ে গোহাঞি বৰুৱাদেৱে ওপৰত উল্লেখ কৰা যিখিনি কথা কৈছিল, সেইখিনি কথাৰ পৰা বুজিব পাৰি যে সেইসময়ত ছাত্ৰসকল নিজে ৰাজনীতিৰ পৰা আতৰত থাকিলেও, জাতিৰ নেতাসকলৰ অনেকেই ৰাজনীতি চৰ্চ্চা কৰাতো সমীচিন আৰু দৰকাৰী বুলি অনুভৱ কৰিছিল। আজিও যিসকলে ভাবে—ছাত্ৰসকলে ৰাজনীতিত যোগ দিয়াতো অনুচিত, তেওঁলোকে এবাৰ ভাবি চোৱা উচিত, তেখেতসকল এতিয়াও ৺গোহাঞি বৰুৱাৰ আগৰ যুগত আছে, নে কোন যুগত আছে।

অসম ছাত্র সন্মিলনে অৱশ্যে সেই সময়ত ছাত্রসকলৰ উন্নতিৰ হকে আৰু সমাজৰ উপকাৰৰ অৰ্থে, আন বহুতো কাম হাতত লৈছিল। ৩য় বাৰ্ষিক অধিবেশনত ছাত্রসকলৰ এটা Students' social service league স্থাপন কৰি, গাৱলীয়া স্বাস্থ্যৰ উন্নতিৰ হকে প্রচাৰকাৰ্য্য, সমাজৰ প্রগতিৰ পথৰ বাধাস্বৰূপ ৰাগীয়াল বস্তু বৰ্জ্জন কৰা, সমাজৰ মূল পৰ্য্যন্ত বিয়পি থকা অন্ধবিশ্বাস আৰু কুসংস্কাৰ—আদি গুচাবলৈ আৰু নিৰক্ষৰতা দূৰীকৰণ কৰিবলৈ বহুতো প্রচাৰকাৰ্য্য চলাইছিল। আধুনিক বিজ্ঞান-সন্মত শিক্ষাৰ প্রচলনৰ বাবে তেতিয়াৰ দিনৰ পৰাই ছাত্রসকলে Technical School আদি স্থাপন কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাই আহিছিল। দেশৰ এই বিলাক সংগঠনমূলক কাৰ্য্যত ছাত্রসকলে সততে মনপ্রাণ নিয়োগ কৰিছিল।

১৯১৯ চনত ছাৰ পি, চি, ৰায়ৰ নেতৃত্বত তেজপুৰত বহা ৪ৰ্থ বাৰ্ষিক অধিবেশন বিশেষভাবে উল্লেখযোগ্য। কিয়নো এই অধিবেশনৰ বিশেষত্ব আছিল এই যে ১৯২০ চনত কংগ্রেছে বিদেশী বস্ত্র বৰ্জ্জন আৰু স্বদেশী বস্ত্র প্রচলনৰ প্রস্তাব কৰাৰ আগতেই, অসমৰ ছাত্রসকলে সেই মৰ্ম্মে প্রস্তাব গ্রহণ কৰিছিল। অৱশ্যে এই বিষয়ত ছাৰ পি, চি, ৰায়ে অসমৰ ছাত্রসকলক 'স্বদেশী' ভাবত উদ্দীপীত কৰিছিল।

আগৰ কেইবছৰতকৈ তেজপুৰত বহা অধিবেশনত সৰহ সংখ্যক প্রতিনিধিয়ে যোগদান দিছিল। এই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক—কৰ্ম্মপ্রাণ শ্রীঅমিয়কুমাৰ দাসে ছাৰি বছৰীয়া সন্মিলনৰ কথা উল্লেখ কৰি কৈছিল,—"ছাত্র সন্মিলন এতিয়াও নুমলীয়া; খোজেপতি বিপদৰ আশঙ্কা.... । আমাৰ সন্মিলন অসমীয়া ছাত্রসমাজৰ সমবেত শক্তিৰ জীৱন্ত প্রতিমূৰ্ত্তি স্বৰূপ; প্রত্যেক ছাত্রই এই শক্তি সম্ভাৰত যোগদান কৰিলে, সি ক্রমে মহত্তোমহীয়ান হৈ উঠিব। আমাৰ অভাব অভিযোগবোৰ অকল চৰকাৰক জনাই ক্ষান্ত থাকিলেই নচলিব; মানুহ হবলৈ যি আচল চেষ্টা—তাকো আমি নিজেই কৰিব লাগিব।" স্বাৱলম্বন নীতিৰ কথা ছাত্রসকলক সোঁৱৰাই দি তেখেতে কৈছিল -"দেশত আত্মবোধ উদগাব নোৱাৰিলে, কেতিয়াও আমি উদ্দেশ্যত সফলকাম হব নোৱাৰো।"

তেজপুৰৰ এই অধিবেশন অসমৰ ছাত্রসকলৰ কৰ্ম্মকুশলতা, সুশৃঙ্খল দৃঢ়তাৰ পৰিচায়ক। সভাৰ কাৰ্য্যৰ সুশৃঙ্খলতাত মুগ্ধ হৈ সভাপতি ছাৰ পি,

চি, ৰায়ে মুক্ত কণ্ঠে স্বীকাৰ কৰি কৈছিল : "Such disoipline aud aotivity I had never experienoed outside the Congress pandal" ; লগতে এইখিনিও কৈছিল—"বঙ্গদেশে অৰ্দ্ধশতাব্দীত যিখিনি কৰিব পাৰিলে, অসমে দহ বছৰতে তাক কৰিলে ; অহা দহ বছৰত অসমে ভয়ানক উন্নতি কৰিব। মই অসমৰ সমাচাৰ বঙ্গদেশলৈ আৰু ভাৰতৰ আন আন ভাগলৈ ল যাম। ভাৰতৰ পুনৰজীৱনৰ নিমিত্তে আৱশ্যকীয়, অসম, আকৌ উঠিবলৈ সৰহ দিন নাই।"

লাহে লাহে অসমৰ বিপুল ছাত্ৰশক্তি এই সন্মিলনৰ জৰীয়তেই সংগঠিত হৈ উঠে। ইতিমধ্যে মণ্টেগু চাহাবৰ শাসন সংস্কাৰ বিষয় লৈ ভাৰতত তুমুল ৰাজনৈতিক চাঞ্চল্যই দেখা দিয়ে। অসমতো ইয়াৰ প্ৰতিক্ৰিয়াই খুন্দা মাৰিলেহি। সন্মিলনৰ ৫ ম. বাৰ্ষিক অধিবেশন নিচেই কাষ চাপিলেহি। গতিকে যথাসময়ত, ১৯২০ চনত, সুপ্ৰসিদ্ধ ঐতিহাসিক আৰু প্ৰত্নতত্ত্ববিদ ডাঃ ভি, আৰ, ভাণ্ডাৰকাৰৰ সভাপতিত্বত গোলাঘাটত এই অধিবেশনৰ কাৰ্য্য আৰম্ভ হয়। এই অধিবেশনৰ সম্পাদক নিৰ্ব্বাচিত হৈছিল ত্যাগ-বীৰ হেম বৰুৱা। সভাপতিয়ে তেখেতৰ অভিভাষণত ছাত্ৰসকলক, শাৰীৰিক, মানসিক আৰু নৈতিক বলত বলীয়ান হৈ দেশৰ কাৰণে চিন্তা কৰিবলৈ উপদেশ দিয়ে। এইদৰে অসমৰ ছাত্ৰসকলে দেশ নেতা-সকলৰ তেজোদ্দীপক উপদেশত উদ্বুদ্ধ হৈ ছাত্ৰসমাজৰ মাজত দেশপ্ৰেমৰ নতুন চেতনাৰ ঢল আনে। অসমৰ ছাত্ৰসকলৰ বহল—বিশাল কৰ্ম্ম-ক্ষেত্ৰলৈ চকু মেল খালে আৰু ভাৰতৰ আন প্ৰদেশৰ ছাত্ৰসকলৰ লগত সমানে খোজ দি প্ৰগতিৰ পথত অগ্ৰসৰ হবলৈ ধৰিলে।

সৰ্ব্বভাৰতীয় ছাত্ৰ অনুষ্ঠান

১৯২০ চনৰপৰা অসমৰ ছাত্ৰসকলে, দেশৰ পৰিস্থিতি, পৰিবৰ্ত্তনৰ দৃষ্টিভঙ্গীত পৰ্য্যাবেক্ষণ কৰিবলৈ ধৰিলে। সেইসময়ত নাগপুৰত সৰ্ব্বভাৰতীয় ছাত্ৰ অনুস্থান, নিখিল ভাৰত ছাত্ৰসন্মিলনৰ বাৰ্ষিক অধিবেশন বহাৰ স্থিৰ কৰা হয়। প্ৰাদেশিক ছাত্ৰ-সন্মিলনবোৰ একতাৰ ডোলেৰে বান্ধি সৰ্ব্বভাৰতীয় ছাত্ৰশক্তি সংগঠিত কৰাই এই সন্মিলনৰ উদ্দেশ্য আছিল। অসমৰ ছাত্ৰ-সকলেও ভাৰতৰ এমূৰে একছেতীয়া হিচাবে নাথাকি, ভাৰতৰ আন আন ছাত্ৰসকলৰ লগত লগ লাগি দেশৰ হকে—মাতৃৰ কল্যাণৰ অৰ্থে কাম

কৰাই যুক্তিসঙ্গত বুলি বিবেচনা কৰিলে। এই পৰিকল্পে, 'নিখিল ভাৰত ছাত্র-সম্মিলন'লৈ অসমেও প্রতিনিধি পঠিওৱাৰ দিহা কৰে। এই উদ্দেশ্যে গুৱাহাটীৰ কিছুমান ছাত্রই কলিকতালৈ যাওনা হৈ, কলিকতাত থকা ছাত্রসকলৰ লগত এই বিষয়ে আলোচনা আৰু পৰামৰ্শ কৰে। কিন্তু অসমীয়া ছাত্রসকল আন এটি সমস্যাৰ সন্মুখীন হব লগীয়াত পৰে। কিয়নো সেইসময়ত অসমৰ বাবে প্রতিনিধিত্ব কৰিবৰ কোনো সুকীয়া আসন নাছিল। বঙ্গদেশৰ পচিশ জনৰ ভিতৰতেই তেওঁবিলাকক প্রতিনিধিত্ব কৰিবলৈ সুবিধা দিয়া হৈছিল। বঙ্গালী ছাত্রসকলৰ লগত আলোচনা কৰি, অসমীয়া ছাত্রসকলে, অসমৰ বাবে অন্ততঃ পাচটা আসন দিবলৈ অনুৰোধ কৰে। বঙ্গালী ছাত্রসকল ইয়াত অমান্তি হয় যদিও, অৱশেষত দুখন আসনহে অসমৰ বাবে দিবলৈ মত প্রকাশ কৰে। এই কথাত অসমীয়া ছাত্রসকল অসন্তুষ্ট হোৱাত মনোমালিন্য ঘটে। উপায়ান্তৰ নেদেখি অসমৰ ছাত্রসকলে নাগপুৰ অধিবেশনৰ সভাপতিৰ বাবে নিৰ্ব্বাচিত হোৱা লালা লাজপৎ ৰায়ক (তেখেত ১৯২০ চনত বহা কংগ্রেছৰ বিশেষ অধিবেশনৰ সভাপতি আছিল) দেখা কৰি, তেওঁবিলাকৰ দাবীৰ কথা জনায়; কিন্তু লালাজীয়ে কংগ্রেছতো অসমৰ বাবে সুকীয়া আসন নথকাৰ কথা উল্লেখ কৰি, ছাত্রসকলৰ পৃথক আসনৰ দাবী অপ্রয়োজনীয় বুলি কয়। তেখেতে অৱশেষত বঙ্গালী ছাত্রসকলক লগ ধৰি, পাচ খন আসন গ্রহণ কৰিবলৈ অসমীয়া ছাত্রসকলক পৰামৰ্শ দিব বুলি কয় আৰু তেওঁবিলাক মান্তি হব বুলি আশ্বাস দিয়ে। ইতিমধ্যে বঙ্গালী ছাত্রসকলে আগতে দিব খোজা সেই দুখন আসনো অসমীয়া ছাত্রসকলক দিবলৈ অস্বীকাৰ কৰে। এই কাৰ্য্যত অসমীয়া ছাত্রসকল হতাশ হলেও, নিৰুৎসাহ নহল। ইফালে ১৯২০ চনত নাগপুৰত বহা কংগ্রেছৰ বাৰ্ষিক অধিবেশন হোৱাত, সেই সভামণ্ডপতে ছাত্রসম্মিলনৰ অধিবেশন লাল লাজপৎ ৰায়ৰ সভাপতিত্বত বহে। যেতিয়া বিষয় বাছনি সভাৰ প্রতিনিধিসকলৰ নামৰ তালিকা সভাপতিক দিয়া হয়, তেতিয়া অসমৰ পৰা কোনো প্রতিনিধিৰ নাম নেদেখি তেওঁ খং কৰে আৰু ক্রোধান্বিত হৈ তালিকাখন দলিয়াই পেলায়। কিন্তু শেহত তেখেতৰ নিৰ্দ্দেশ অনুযায়ী অসমৰ বাবে সুকীয়া আসন ৰখাৰ দিহাকৰা হয়। এই ঘটনাৰ পিচতেই কংগ্রেছতো অসমৰ বাবে সুকীয়া আসন ৰখাৰ ব্যৱস্থা কৰা হয়।

এইদৰে সৰ্ব্বভাৰতীয় ক্ষেত্ৰত অসমীয়া ছাত্ৰসকলে নিজৰ দাবী পূৰণত জয় লাভ কৰাত, তেওঁবিলাকৰ মনত নতুন চেতনা আৰু আত্মবোধৰ ভাব জাগে আৰু এই অনুপ্ৰেৰণাই তেওঁলোকক আগতকৈ আৰু দৃঢ়তাৰে—আৰু কাৰ্য্যকৰী ভাবে, অসমৰ ছাত্ৰ অনুষ্ঠান গঢ়ি তুলি, ছাত্ৰসকলক দেশমাতৃকাৰ সেৱাত উদ্দীপীত আৰু সৰ্ব্বতোভাবে প্ৰস্তুত কৰিবলৈ উদগণি দিয়ে।

নাগপুৰত বহা অধিবেশন অতি গুৰুত্বপূৰ্ণ আছিল। কংগ্ৰেছে মহাত্মা গান্ধীৰ নেতৃত্বত যি 'অসহযোগ' আন্দোলন চলাবলৈ স্থিৰ কৰে, সেই সিদ্ধান্তই ভাৰতীয় ছাত্ৰসকলৰ অন্তৰো স্পৰ্শ নকৰাকৈ নাথাকিল। নাগপুৰ অধিবেশনত সি স্পষ্ট ভাবে ব্যক্ত হৈ পৰিল। ছাত্ৰসকলে মুকলি ভাবে 'অসহযোগ আন্দোলন', স্বদেশী বৰ্জ্জন আৰু স্কুলকলেজ পৰিত্যাগ কৰা সম্বন্ধে আলোচনা কৰিবলৈ ধৰে। কিন্তু সেই সময়ত অসমীয়া ছাত্ৰসকল স্কুল কলেজ পৰিত্যাগ কৰাৰ পক্ষপাতী নাছিল। তেওঁবিলাকৰ এই মনোভাবৰ ওপৰত দেশবন্ধু চিত্তৰঞ্জন দাসে অতিকৈ প্ৰভাব বিস্তাৰ কৰিছিল। দেশবন্ধু দাসে অসহযোগ আন্দোলন সম্বন্ধে আৰু স্কুলকলেজ বৰ্জ্জন কৰা বিষয়ত, প্ৰথম অৱস্থাত ঘোৰ বিৰোধীতা কৰিছিল যদিও, শেহত তেখেতেই কংগ্ৰেছৰ মুকলি সভাত এই প্ৰস্তাৱ দাঙি ধৰিছিল। তাৰোপৰি অসমৰ দুজন দেশনেতা দেশভক্ত তৰুণ ৰাম ফুকন আৰু কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈয়ে সেই সময়ৰ অসমৰ ৰাজনৈতিক চিন্তা-ধাৰা বিশেষ ভাবে পৰিচালনা কৰিছিল। তেওঁলোক দুয়োজনেই দেশবন্ধু দাসৰ নিচিনাকৈ এই অসহযোগ সূচীৰ বিৰোধীতা কৰিছিল। কিন্তু পাচত আন্দোলনৰ প্ৰয়োজনীয়তাত প্ৰত্যয় জন্মি, তেওঁবিলাকে এই প্ৰস্তাৱত সন্মতি জ্ঞাপন কৰে। ফলস্বৰূপে আমাৰ ছাত্ৰসকলৰো মনোভাবৰ পৰিবৰ্ত্তন ঘটে। স্কুলকলেজ বৰ্জ্জন সম্বন্ধে নাগপুৰ সন্মিলনত প্ৰস্তাৱ লোৱা হৈছিল, তাত যদিও অসমে প্ৰথম অৱস্থাত বিৰোধীতা কৰিছিল, শেষত প্ৰস্তাৱৰ সপক্ষে ভোট দিয়ে।

অসহযোগ আন্দোলনত অসমৰ ছাত্ৰ সমাজ

মাহাত্মাৰ নেতৃত্বত গোটেই ভাৰত জুৰি তুমুল আলোড়নৰ সৃষ্টি হল। দেশত ৰাজনৈতিক চাঞ্চল্যই দেখা দিলে। আমাৰ ছাত্ৰসকলেও মুক্তি সংগ্ৰামৰ আহ্বান সাবটি ধৰিলে আৰু প্ৰত্যক্ষ ভাবে আন্দোলনত অংশ গ্ৰহণ কৰিলে।

সেই সময়ত অসম ছাত্রসম্মিলনৰ প্ৰধান সম্পাদক আছিল ৺হেম বৰুৱা। তেখেত কিন্তু তেতিয়ালৈকে স্কুলকলেজ ত্যাগ কৰাৰ সম্পূৰ্ণ বিৰোধী আছিল; কিন্তু যেতিয়া আন্দোলনৰ প্ৰচণ্ড ঢৌৱে অসমক খুণ্ডা মাৰিলেহি, তেতিয়া কোমল প্ৰাণৰ নিঃস্বাৰ্থ স্বদেশ প্ৰেমিক ৺হেম বৰুৱা নিষ্ক্ৰিয় হৈ আতৰত বহি থাকিব নোৱাৰিলে। তাৰোপৰি দেশনেতা সকলৰ তেজোদ্দীপক ভাষণে, তেখেতৰ সুপ্ত বিদ্ৰোহী হিয়াক, বৈপ্লৱিক সোঁতৰ ধাৰাই উটুৱাই লৈ গ'ল, আগৰ মনোভাৱ পৰিত্যাগ কৰি তেওঁ আন্দোলনত আগভাগ ললে; আৰু নিৰ্ভীক চিত্তে কাৰাবৰণ কৰে। তেখেতৰ একনিষ্ঠ দেশসেৱাই আন আন ছাত্ৰসকলকো অনুপ্ৰাণিত কৰিছিল।

২০ চনৰ অসহযোগ আন্দোলনত অনেক ছাত্ৰই অকুণ্ঠিত চিত্তে দেশমাতৃকাৰ সেৱাত স্কুলকলেজ পৰিত্যাগ কৰি জেললৈ যায়। সম্পাদক আৰু কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ প্ৰায় ভাগ সভ্যই জেললৈ যাব লগা হোৱাত সম্মিলনৰ কাম কিছু দিনৰ কাৰণে বন্ধ হৈ থাকে। এই বিলাক কাৰণতে ১৯২১ চনত নগাৱত বহিব লগীয়া স্বত্তেও সম্মিলনৰ অধিবেশন স্থগিত ৰাখিব লগীয়াত পৰে।

দেশৰ নেতাসকল কাৰাৰুদ্ধ হোৱাৰ ফলত আৰু দিন অতীত হোৱাৰ লগে লগে, এই ৰাজনৈতিক আলোড়ন শাম কাটি আহিবলৈ ধৰে। ইতিমধ্যে আন্দোলনৰ নেতা মহাত্মা গান্ধীয়ে হঠাতে আন্দোলন বন্ধ কৰি দিয়াত, ভাৰতৰ ৰাজনৈতিক বায়ুমণ্ডলে স্থিৰতা লাভ কৰে। অসমৰ ছাত্ৰ আন্দোলনেও কিছুদিনৰ বাবে স্থিৰ প্ৰকৃতি লাভ কৰে। কিন্তু অসমৰ ছাত্ৰসকলে যাতে স্বাধীনতাৰ প্ৰথম যুদ্ধ কৰিয়েই ভাগৰি নপৰে, এই লক্ষ্য ৰাখি, ছাত্ৰ আন্দোলনৰ একমাত্ৰ অনুষ্ঠান 'ছাত্ৰ সম্মিলন' পুনৰ সঞ্জিৱীত কৰিবলৈ ছাত্ৰসকল যত্নবান হ'ল। ভৱিষ্যৎ স্বাধীনতাৰ সংগ্ৰামৰ বাবে ২০ চনৰ ৰাজনৈতিক আন্দোলনত বিচ্ছিন্ন হোৱা ছাত্ৰসকলক সুদৃঢ়-ভাবে সংগঠিত কৰিবলৈ হলে "ছাত্ৰ সম্মিলন" জীয়াই তুলিব লাগিব। এই মহান উদ্দেশ্যত উদ্বুদ্ধ হৈ ১৯২২ চনত, গুৱাহাটীৰ সনাতন ধৰ্ম্মসভাত (হৰিসভা) ছাত্ৰ সম্মিলনৰ এখন বিশেষ অধিবেশন পতা হয়। সেই অধিবেশনত সভাপতিত্ব কৰিছিল শ্ৰী আৰ, আৰ, টমাছ; পি. আৰ, এছ, এ। সম্মিলনৰ সেই সময়ৰ সম্পাদক আছিল শ্ৰীদৈবচন্দ্ৰ তালুকদাৰ। তেখে-

তৰ অক্লান্ত পৰিশ্ৰম আৰু প্ৰচেষ্টাৰ ফলত 'ছাত্ৰ সম্মিলন' পুনৰ ঠন ধৰি উঠে আৰু ভৱিষ্যৎ অসমৰ ছাত্ৰ সকলক গঢ়ি তোলাৰ গধুৰ দায়িত্ব লৈ কৰ্ম্মপথত সম্মিলন আগুৱাই যাবলৈ ধৰে।

বহুদিনৰে পৰা ছাত্ৰসকলে তেওঁবিলাকৰ মনোভাব প্ৰকাশৰ অৰ্থে এখনি আলোচনীৰ একান্ত প্ৰয়োজনীয়তা অনুভৱ কৰি আহিছিল। তাৰোপৰি ছাত্ৰসকলক সাহিত্য চৰ্চ্চা আৰু কৃষ্টিমূলক চিন্তাধাৰাৰ বিকাশৰ সুযোগ দানৰ কাৰণে আলোচনী এখনিৰ নিতান্ত আৱশ্যক। এই ভাবতে উদ্দীপ্ত হৈ জনদিয়েক ছাত্ৰই 'জন্মভূমি" নাম দি এখন আলোচনী উলিয়াবলৈ ঠিৰাং কৰিলে; অৱশ্যে এই অনুসিদ্ধান্ত কোনো মুকলি অধিবেশনত গ্ৰহণ কৰা হোৱা নাছিল। তথাপি সেই সময়ৰ সম্মিলনৰ সহকাৰী সম্পাদক শ্ৰীশুকদেৱ গোস্বামীয়ে এই আলোচনী প্ৰকাশ কৰাৰ ভাৰ লোৱাত, আলোচনী প্ৰকাশ কৰাৰ সিদ্ধান্ত কৰা হয়। এই আলোচনী তিনিটা সংখ্যা ওলায়েই মাৰ যায়।

খ্ৰীঃ ১৯২২ চনত যেতিয়া গুৱাহাটী নগৰতেই প্ৰত্নতত্ত্ব বিশাৰদ পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সভাপতিত্বত সম্মিলনৰ ৭ম বাৰ্ষিক অধিবেশন বহে সেতিয়া এই আলোচনী সম্পৰ্কে তৰ্কৰ সূচনা হয়। আগৰ বছৰৰ সম্পাদক শ্ৰীদৈবচন্দ্ৰ তালুকদাৰৰ প্ৰস্তাৱ মতে আগতে উল্লেখ কৰা "জন্মভূমি" নামে এখন তিনি মহীয়া কাকত সম্মিলনৰ মুখপত্ৰ হিচাবে উলিয়াবলৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ঠিক কৰিছিল যদিও, মুকলি অধিবেশনত সন্মতি নোলোৱাকৈ, "জন্মভূমি" প্ৰকাশ কৰাৰ কাৰণে বিষয় বাছনি সভাই "জন্মভূমি"ক সম্মিলনৰ মুখপত্ৰ হিচাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। ফলত এই অধিবেশনত সম্মিলনৰ মুখপত্ৰ হিচাবে "মিলন" প্ৰকাশৰ সিদ্ধান্ত হয়।

৮ম অধিবেশন পূজাৰ বন্ধত দীনবন্ধু এণ্ড্ৰুজ চাহাবৰ সভাপতিত্বত বহে। এই অধিবেশনত আগৰ কেইবছৰতকৈ বেচি দৰ্শক আৰু প্ৰতিনিধি উপস্থিত আছিল। অধিবেশনো বেচ জাকজমকেৰে হয়। সভাপতিয়ে ছাত্ৰসকলক গাৱলৈ গৈ সৰল আৰু আৰম্বৰহীন জীৱনযাপন কৰিবলৈ আৰু কানি নিবাৰণ কৰিবলৈ চেষ্টা কৰাৰ কাৰণে উপদেশ দিয়ে। প্ৰস্তাৱ সমূহৰ ভিতৰত বীৰপূজা আৰু অপ্ৰকাশিত সাথৰ, গীত আদি গোটাবলৈ স্থিৰ কৰা সিদ্ধান্তই প্ৰধান।

১৯২৪ চনত শিৱসাগৰত বহিব লগীয়া ৯ম বাৰ্ষিক অধিবেশনত সভাপতিত্ব কৰাৰ কথা আছিল ৺সৰোজিনী নাইডুৰে ; কিন্তু সেই সময়তে মহাত্মাজীয়ে ২১ দিনীয়া অনশন ব্ৰত আৰম্ভ কৰাত নাইডু আহিব নোৱাৰিলে । শেষত স্বৰ্গীয় নবীনচন্দ্ৰ বৰদলৈ দেৱে এই সভাত সভাপতিত্ব কৰে । এই সন্মিলনত স্বাস্থ্যনীতি, কৃষি, বাণিজ্য, বিজ্ঞান, আৰু সাধাৰণ সাহিত্য সম্বন্ধে পাঁচখন পুস্তিকা বিনামূল্যে গাৱঁলীয়া ৰাইজৰ মাজত বিলা দিবলৈ স্থিৰ কৰা হয় ।

ইয়াৰ পিচৰ দশম অধিবেশন বহে—যোৰহাটত, ছাৰ দে দি সৰ্ব্বাধিকাৰীৰ সভাপতিত্বত । ইয়াত গৃহীত প্ৰস্তাব সমূহৰ ভিতৰত ছাত্ৰাবাসৰ 'ছীট' বঢোৱা, কটন কলেজত এম,এ, শ্ৰেণী খোলা আৰু কলিকতা বিশ্বদ্যিালয়ৰ ছিনেট সভাত অসমৰ পৰা কেইজনমান বে-চৰকাৰী সভ্য অন্তৰ্ভুক্ত কৰাৰ অনুৰোধ কৰি লোৱা প্ৰস্তাৱেই উল্লেখযোগ্য ।

একাদশ আৰু দ্বাদশ অধিবেশন যথাক্ৰমে শ্ৰী জে, জে, এম, নিকলছ ৰয় আৰু এছ, খুদাবক্সৰ সভাপতিত্বত ডিব্ৰুগড় আৰু গুৱাহাটীত বহে । সন্মিলনৰ কামো বছৰে বছৰে সুচাৰুৰূপে সমাধা হৈ যায় । ছাত্ৰসকলে বিশেষকৈ গাওঁ সংগঠনত লিপ্ত হয় । ইয়াৰ উপৰিও নানান প্ৰস্তাবৰ মাজেৰে, তেওঁবিলাকে ছাত্ৰসকলৰ দাবী-দাৱা চৰকাৰক জনাই, সেই দাবী পূৰণ কৰি কৃতকাৰ্য্যত লাভ কৰিবলৈ ধৰিলে ।

ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক চেতনাই দেশৰ জনসাধাৰণক উদ্বুদ্ধ কৰাৰ উপৰিও অসমৰ ছাত্ৰসকলক সেই ভাৱধাৰাই সততে অনুপ্ৰাণিত কৰি ৰাখিছিল । ব্যক্তিগতভাবে দেশৰ ৰাজনৈতিক পৰিস্থিতি আলোচনা আৰু চিন্তা কৰিলেও সন্মিলিত ভাবে ৰাজনৈতিক কথা চৰ্চ্চা কৰাৰ কোনো ভাব দেখা নগৈছিল । আনকি, ছাত্ৰ সন্মিলনৰ নিয়মতন্ত্ৰত থকা "ৰাজনৈতিক আলোচনা কৰা নিষিদ্ধ" দফাটো সলনি কৰাৰো কোনো লক্ষণ দেখা নগৈছিল ।

দ্ৰুতপৰিবৰ্ত্তনশীল দেশৰ ৰাজনৈতিক অৱস্থাৰ লগত ছাত্ৰসকল তথা নতুন যুগৰ বাৰ্ত্তাবাহক তৰুণৰ মন, সমান গতিত আগবাঢ়িব নোৱাৰিলে দেশ আৰু জাতিৰ প্ৰগতি বহু পিচপৰি থকাতো নিতান্ত সম্ভৱ ;— আৰু সেয়ে হ'লে জাতিক আৰু দেশক প্ৰগতিৰ পথত আগবঢ়াই নিয়ক চাবি, বাটত বিঘিপথালি কৰাতো অৱশ্যম্ভাৱী । তাতোকৈ—পৰাধীন

জাতিৰ ৰাজনীতিৰ অবিহনে কোনো কথা বা আলোচনাই আগ ভাগ লব নোৱাৰে আৰু নোলোৱাটোও সমীচিন। এই মহৎ সত্য দেশৰ নেতা সকলে হাড়ে হিমজুৰে উপলব্ধি কৰিছিল আৰু পৌৰাণিক জঠৰতাৰ পৰা মুক্ত হৈ যুগৰ পৰিবৰ্ত্তনশীল নীতি গ্ৰহণ কৰিবলৈ সততে ছাত্ৰসকলক উপদেশ আৰু পৰামৰ্শৰে উদগাই আহিছিল।

ছাত্ৰ আৰু ৰাজনীতি

ৰাজনৈতিক ক্ষেত্ৰত ছাত্ৰসকলৰ এই এলেহুৱা আৰু মন্থৰ গতিৰ কথা উল্লেখ কৰি ১৯২৮ চনত তেজপুৰত বহা ছাত্ৰ সন্মিলনৰ ত্ৰয়োদশ অধিবেশনৰ সভাপতি দেশভক্ত তৰুণ ৰাম ফুকনে অভিযোগ আনিছিল— "তোমালোকৰ নিয়মাৱলীৰ পৰা জানিব পাৰিছোঁ, দুটা কথা তোমালোকৰ কাৰ্য্যৰ পৰা বাদ। অৰ্থাৎ ধৰ্ম্ম কথা আৰু ৰাজনীতি আলোচনা তোমালোকৰ নিষিদ্ধ। আমি জেৰা কৰা মানুহ; জেৰা কৰোতে দেখা গ'ল ইয়াৰ পৰা ধৰ্ম্ম আৰু কৰ্ম্ম বাদ। ইয়াত কেৱল আলোচনাহে হব পাৰে আন্দোলন হব নোৱাৰে।........ছাত্ৰৰ অৱশ্যে কৰ্ত্তব্য অধ্যয়ণ। সেই অধ্যয়ণ অনন্যমনা হৈ অৰ্থাৎ একানপটিয়াকৈ কৰিব লাগিব। এই কথাত বোধহয় কোনেও আসোৱাহ দুলিয়াব।........কিন্তু ছাত্ৰ আৱস্থাত পৃথিবীৰ সকলো কথালৈ আওকান কৰি কেৱল মাত্ৰ পুথিখনতে প্ৰাণ দি চলা যুক্তিসঙ্গত নহয়।........বিদ্যাৰ আৱশ্যকতা মনুষ্যত্বৰ পূৰ্ণ বিকাশ কৰি নিত্যা-নিত্য লাভ কৰাৰ কাৰণে—বিদ্যাৰ আৱশ্যকতা নিজক আৰু দেশবাসীক দায়িত্ব পূৰ্ণ নাগৰিক কৰি তোলা।........বৰ্ত্তমান পৃথিবীব্যাপি যি নবজাগৰণৰ সূচনা হৈছে, জাতীয়তাৰ যি প্ৰবল সোঁত বৈছে, তাৰ পৰা ছাত্ৰক আঁতৰত ৰাখিবলৈ চেষ্টা কৰা, তাৰ বিপৰীতে সাতুৰিবলৈ উপদেশ দিয়া আৰু ক্ষুদ্ৰ স্বাৰ্থৰ কাৰণে ছাত্ৰৰ আৰু দেশৰ অহিত চিন্তা—একেই কথা। ছাত্ৰই ৰাজনীতি শিকা বেয়া বুলিলে, সাহিত্য, ঘাইকৈ ইতিহাস শিকোৱা, স্কুলকলেজৰ পৰা তুলি দিয়া উচিত হব। অতীত আৰু বৰ্ত্তমানৰ ৰাজনীতি আলোচনা কৰা ছাত্ৰ-মাত্ৰৰেই অৱশ্য কৰ্ত্তব্য বুলি মই কব পাৰোঁ। ৰাজনীতিৰ ওপৰতেই দেশৰ কল্যাণ নিৰ্ভৰ কৰে। বিশেষতঃ পৰাধীন দেশৰ কাৰণে ৰাজনীতিয়েই জীৱন মৰণৰ সেতু—মুক্তিৰ উপায়। উঠোতে বহোতে, খাওঁতে শোওতে, সপোনে সচিতে ৰাজনীতিৰ গুণা-গুণ বিচাৰ নকৰিলে,

আমাৰ চলিবৰ—মেলিবৰ উপায় নাথাকে। সেই দেখিয়েই দেশ বিদেশৰ, অতীত বৰ্ত্তমানৰ ৰাজনীতি, ছাত্ৰাৱস্থাতেই আয়ত্ব নকৰিলে নিজৰ কল্যাণ, দেশৰ কল্যাণ কৰা অসম্ভৱ।" ৺ফুকন ডাঙৰীয়াই তেখেতৰ যুক্তিপূৰ্ণ আৰু বাক্‌শুলভ কথাৰে ছাত্ৰই ৰাজনীতিত যোগ দিয়াতো যে অৱশ্য কৰ্ত্তব্য, তাক পৰিষ্কাৰ ভাবে দেখুৱাই দিছে। ৰাজনীতিশিক্ষা বা আলোচনা কৰা আৰু আন্দোলনত যোগ দিয়া এই দুয়োটাৰ পাৰ্থক্য দেখুৱাই তেখেতে স্পষ্ট ভাবে প্ৰকাশ কৰিছে—"স্কুলকলেজ এৰি ৰাজনৈতিক আন্দোলনত যোগ দিবলৈ ছাত্ৰক আমি সম্প্ৰতি নকওঁ; কিন্তু ছাত্ৰাৱস্থাত সভা সমিতিলৈ গৈ ৰাজনৈতিক আলোচনা শুনি বিশিষ্ট ৰাজনীতিজ্ঞৰ লগত তৰ্ক, যুক্তি কৰি, নিজৰ মত সমৰ্থন বা সংশোধন কৰাত কি আপত্তি হব পাৰে, আমি কব নোৱাৰোঁ। কেৱল পুথিগত ৰাজনীতি লৈ সাহিত্য ক্ষেত্ৰত উপস্থিত হলে কাৰ্য্যতঃ—বিচক্ষণ চালকৰ আগতো ভেবা হোৱা বহুতো প্ৰমাণ পোৱা যায়।" উপসংহাৰত আকৌ তেখেতে কৈছিল—"ভাৰতবৰ্ষত বাজে আন কোনো দেশতেই ৰাজনৈতিক আন্দোলনত যোগ দিয়াৰ নিষেধ শুনা নাযায়। আজি ভাৰতবৰ্ষ পৰাধীন বুলিয়েই এই নিষেধ নেকি? আজি ভাৰত শক্তিহীন বুলিয়েই মুক্ত হৃদয় ছাত্ৰবো এই অযথা বিধি নিষেধ মানি চলিব নেকি?"

কিন্তু ভাৰতৰ নিচিনা পৰাধীন দেশ এখনত ছাত্ৰসকলে ৰাজনীতিত যোগ দিয়াৰো এটা ঐতিহাসিক প্ৰয়োজনীয়তা আছিল। কিয়নো পুৰণি শাসনতন্ত্ৰ সংস্কাৰ কৰি, তাত নতুনৰ বীজ ৰোপন কৰাত ছাত্ৰসকলেই আগৰণুৱা আৰু আধুনিকতাৰ ভেঁটিত ভাৰত গঠন কৰিবলৈ হলে ৰাজনীতিতেই পোনতে হস্তক্ষেপ কৰিব লাগিব, জগতৰ সাহিত্য, জগতৰ ইতিহাস আজি ৰাজনৈতিক কক্ষ্যতে ঘূৰিব ধৰিছে।

যুগধৰ্ম্মৰ প্ৰভাবৰ হাত এৰাতো ছাত্ৰসকলৰ পক্ষে সুকঠিন। ৰক্ষণশীলতাৰ নিত্য বিৰোধী ছাত্ৰসকলৰ মনোবৃত্তিৰ দ্ৰুত পৰিবৰ্ত্তন হবলৈ ধৰে। তাতোকৈ 'অসহযোগ আন্দোলনৰ' ফলত ভাৰতীয় ছাত্ৰসকলৰ মনত নতুন ভাব আৰু কৰ্ম্মধাৰাৰ সৃষ্টি হয়। দীৰ্ঘকালীন শঙ্কা আৰু দ্বিধাৰ ভাব পৰিত্যাগ কৰি অসমৰ ছাত্ৰসকলেও যুগসাপেক্ষ নতুন আদৰ্শক আকোৱালী ধৰে। ৰাজনৈতিক ভাব প্ৰৱণতাই অসমৰ ছাত্ৰ সকলৰ মাজত প্ৰশস্ততা লাভ কৰে। এনেকি এই নতুন চেতনাৰ প্ৰলা-

ৰতা উপলব্ধি কৰি অসম ছাত্ৰ সন্মিলনৰ গোলাঘাটত বহা ১৪ শ অধি-বেশনৰ সভাপতি মাননীয় শ্ৰীকৃষ্ণকান্ত সন্দিকৈ দেৱে কৈছিল—"এই সন্মিলনৰ এটা বিশেষত্ব আছে। প্ৰথমে আমি যেতিয়া এই ছাত্ৰ-সন্মিলন পাতো, তেতিয়া আমাৰ উদ্দেশ্য আপোনালোকৰ বৰ্ত্তমান উদ্দেশ্য-তকৈ অলপ সঙ্কীৰ্ণ আছিল। তেতিয়া আমি এই সন্মিলনৰ পৰা ৰাজ-নীতি বাদ দিছিলোঁ। কিন্তু আজি ১২।১৩ বছৰৰ পাচত এই দেশত অনেক পৰিবৰ্ত্তন হৈছে—অনেক ভাবৰ পৰিবৰ্ত্তন হৈছে। কাজেই এই যুগ সন্ধিৰ সময়ত অসমৰ ছাত্ৰসকলে বিশেষকৈ কলেজৰ ছাত্ৰসকলে, ৰাজ-নীতি আলোচনা কৰিব খুজিছে, সেইটো তেওঁলোকৰ উদাৰ—নিৰ্ভীক ভাবৰ পৰিচায়ক। মই কব খোজা নাই—পঢ়াশুনা কাতি কৰি ৰাজনৈতিক আলো-চনা কৰিব লাগে। কিন্তু মোৰ কোৱাৰ উদ্দেশ্য এই যে,—দেশত যিবিলাক ৰাজনৈতিক আন্দোলন হৈছে আৰু ৰাজনৈতিক ভাব হৈছে, তাৰ পৰা ছাত্ৰসমাজ, বিশেষকৈ কলেজৰ ছাত্ৰসমাজ, বিচ্ছিন্ন হৈ থাকিব নোৱাৰে। ইউৰোপত মই দেখিছোঁ, তাত বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে সমাজ-নীতি আৰু ৰাষ্ট্ৰনীতি অবাধে আৰু অনবৰত আলোচনা কৰে। যদি তেওঁবিলাকক কোনোবাই কয় যে তোমালোকে পঢ়াশুনা নকৰি, ছাত্ৰৰ কৰ্ত্তব্য নকৰি, কেৱলেই ৰাজনীতি বা সমাজনীতি আলোচনাত যোগ দিছা, তেনেহ'লে তেওঁবিলাকে কব 'তোমালোকে কোৱা যে—আমি ছাত্ৰ, সেই দেখি ৰাজনীতি আলোচনাত যোগ দিব নালাগে। কিন্তু যেতিয়া যুদ্ধ হয়, তেতিয়া আমাক যুদ্ধ কৰিবলৈ মাতা কিয়?" এনেবোৰ সাৰগৰ্ভ, যুক্তিপূৰ্ণ অথচ অনুজ্ঞাসূচক পৰামৰ্শই ছাত্ৰসকলক ৰাজনৈতিক পথেৰে আগবাঢ়িবলৈ যথেষ্ট প্ৰেৰণা দি আহিছিল।

কানিংহাম চাৰ্কুলাৰ

কৃষি চনৰ আন্দোলনৰ পিচৰ পৰা ভাৰতত অনেক পৰিবৰ্ত্তন ঘটে। বিদেশী শাসকৰ সঙ্কীৰ্ণ খোচত ভাৰতীয়ৰ মনোভাব তিক্ততৰ হৈ উঠিছিল; তাৰোপৰি ঐতিহাসিক প্ৰক্ৰিয়াৰ অন্যতম আৰু অনিবাৰ্য্য ফল-স্বৰূপে, ৰাজনৈতিক জাগৰণে দেশবাসীক সততে সজাগ আৰু সচেতন কৰি ৰাখিছিল। ইতিমধ্যে ১৯২৯ চনৰ ৩১ ডিচেম্বৰ তাৰিখে জাতীয় কংগ্ৰেছৰ লাহোৰ অধিবেশনত পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

তাৰ পিচত ১৯৩০ চনৰ ১৫, ১৬ আৰু ১৭ ফেব্ৰুৱাৰী তাৰিখে সবৰমতী আশ্ৰমত বহা কংগ্ৰেছ ৱাৰ্কিংকমিটিয়ে স্বাধীনতা লাভৰ উদ্দেশ্যে আইন অমান্য আন্দোলন চলাবলৈ, মহাত্মা গান্ধীক সম্পূৰ্ণ ভাৰ দিয়ে। লোণকৰৰ প্ৰতিবাদ কৰি, এই আইন ভঙ্গ কৰিবৰ উদ্দেশ্য মাহাত্মা গান্ধীয়ে ১৯৩০ চনৰ ১২ মাৰ্চ্চ তাৰিখে দাণ্ডী অভিমুখে যাত্ৰা কৰিলে। মহাত্মাক গ্ৰেপ্তাৰ কৰাৰ লগে লগে গোটেই ভাৰত জুৰি প্ৰবল আলোড়নৰ সৃষ্টি হ'ল। এই আলোড়নৰ প্ৰতিধ্বনিত অসমো মুখৰিত হ'ল। কিন্তু সেইসময়ত অসমৰ ত্ৰুয়োজন মুখ্য দেশনেতা দেশভক্ত তৰুণৰাম ফুকণ আৰু কৰ্ম্মবীৰ বৰদলৈয়ে অসমৰ এই আন্দোলনৰ নেতৃত্ব নোলোৱাত, হাতাশা ভাবৰ সৃষ্টি হলেও, অসম কংগ্ৰেছ একেবাৰে বিচলিত নহল। সেইসময়ত ওকালতি ব্যৱসায়ত খ্যাতি থকা ডেকা উকিল শ্ৰীবিষ্ণুৰাম মেধী আৰু ৺হেমচন্দ্ৰ বৰুৱাই ইয়াৰ নেতৃত্ব লবলৈ আগবাঢ়ি আহিল। অসমতো এই আইন অমান্য আন্দোলনে ভীষণ আকাৰ ধাৰণ কৰিলে।

৫ মেই তাৰিখে মাহাত্মাজী গ্ৰেপ্তাৰ হোৱাত, ভাৰত জুৰি তাৰ তীব্ৰ প্ৰতিবাদ হ'ল। এই গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰিবলৈ ৬ মেই তাৰিখে অসমৰ ছত্ৰসকলেও স্কুল কলেজ বিলাকত হৰতাল পালন কৰে। কিন্তু যেতিয়া আন্দোলনৰ প্ৰচণ্ডতাই সাম্ৰাজ্যবাদৰ শেহ চিহ্নও নাইকিয়া কৰাৰ উপক্ৰম হল, তেতিয়া সাম্ৰাজ্যবাদী শাসকদলে এই আন্দোলন নিমূৰমূৰীয়া কৰিবৰ অভিপ্ৰায়ে, নানান উপায় আৰু পন্থা উদ্ভাবনত ৰত হৈ পৰিল।

এতেকে আন্দোলনৰ ধৰণী স্বৰূপ ছাত্ৰসংহতি আৰু মিলিত শক্তি বিনাশ কৰিবৰ উদ্দেশ্যে, সাম্ৰাজ্যবাদৰ এজেণ্ট সেই সময়ৰ অসমৰ শিক্ষা বিভাগৰ ডাইৰেক্টৰ কানিংহাম চাহাবে এখন চাকুলাৰ জাৰি কৰি আদেশ দিয়ে যে যদি ছাত্ৰ-ছাত্ৰীসকলে আন্দোলনত যোগদান নিদিয়ে বুলি অভিভাৱক সকলে আৰু ছাত্ৰ-ছাত্ৰীসকলে আগতে লিখিত প্ৰতিশ্ৰুতি দিয়ে, তেনেহলে তেওঁবিলাকক গবৰ্ণমেণ্ট হাইস্কুল আৰু কলেজবোৰত পঢ়িবলৈ দিয়া হব। কিন্তু কানিংহামৰ এই নীচ অভিপ্ৰায় সিদ্ধি হওঁক চাৰি, তেওঁৰ ছাকুলাৰে অসমত নতুন আন্দোলনৰ সৃষ্টিহে কৰিলে। তুৰন্তে অসমত বৃহৎ ছাত্ৰ আন্দোলন গঢ়ি উঠিল। অভিভাৱক সকলে চাকুলাৰৰ মতে কোনো প্ৰতিশ্ৰুতি দিবলৈ অস্বীকাৰ কৰিলে; আৰু ছাত্ৰসকলেও এই চাকুলাৰৰ প্ৰতিবাদ কৰি গবৰ্ণমেণ্ট স্কুল কলেজ বিলাকৰ পৰা ধৰ্ম্মঘট কৰি ওলাই আহিল।

অসমৰ ছাত্ৰসকলক নতুন কৰ্ম্মপন্থা আৰু নিৰ্দ্দেশ দিবৰ নিমিত্তে ১৯৩০ চনৰ ২৩ জুলাই তাৰিখে গুৱাহাটীৰ হৰিসভাত কৰ্ম্মপ্ৰাণ শ্ৰীঅমিয় কুমাৰ দাসৰ সভাপতিত্বত অসম ছাত্ৰ সন্মিলনৰ এখন বিশেষ অধিবেশন বহে। এই সভাত সৰ্ব্বসন্মতিক্ৰমে তলৰ প্ৰস্তাবটো গৃহীত হয়:

...."ছাত্ৰসকলে পঢ়াশুনা স্থগিত ৰাখি দেশৰ কামত লাগিবলৈ স্থিৰ কৰে আৰু যি সকল ছাত্ৰই দেশৰ কামত লাগিব নোৱাৰে, তেখেত সকলকো কানিংহাম চাৰ্কুলাৰৰ মতে প্ৰতিশ্ৰুতি লিখি দি স্কুল কলেজলৈ যাব নালাগে বুলি ঠিক কৰে।"

লগতে ছাত্ৰসকলক এই আন্দোলনত পৰিচালিত কৰিবলৈ, সাত জন সভ্যৰে কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ তলত, এখন কাৰ্য্যকৰী সমিতি গঠন কৰি, এই সমিতিক কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সকলো ক্ষমতা দিয়া হয়। তাৰ পিচদিনা কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি গুৱাহাটীত প্ৰায় এহেজাৰ ছাত্ৰৰ এটা ডাঙৰ শোভাযাত্ৰা হয়।

সন্মিলনৰ এই বিশেষ অধিবেশনত অসমৰ সকলো ঠাইৰে প্ৰতিনিধি উপস্থিত আছিল, আৰু সকলি সভাতো প্ৰায় তিনি হাজাৰ লোকৰ সমাবেশ হৈছিল। প্ৰতিনিধি সকলৰ মুখত যেতিয়া কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে আন্দোলন কৰাৰ সিদ্ধান্তৰ খবৰ অসমৰ চাৰিওফালে প্ৰচাৰিত হ'ল, তেতিয়া অসমৰ গাৱেঁ ভূঞে, নগৰে চহৰে, ছাত্ৰ আন্দোলনে নতুন ৰূপ ললে। ইয়াক বাধা দিয়া বৃটিছ গৱৰ্ণমেণ্টৰ কাৰণে অসম্ভৱ হৈ পৰিল। ধুবুৰী, বৰপেটা, গুৱাহাটী, তেজপুৰ, নগাওঁ, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আদি সকলো নগৰতে এই আন্দোলন বিয়পি পৰিল। গাৱেঁ-ভূঞে ইয়াৰ বাণী প্ৰচাৰিত হ'ল। প্ৰত্যেকখন নগৰৰ গৱৰ্ণমেণ্ট হাইস্কুল খিলাকত ধৰ্ম্মঘট হ'ল আৰু কেবাখনৰো স্কুলবোৰত শতকৰা ৫।৬ জনৰ ওপৰ ছাত্ৰ স্কুললৈ যোৱা নাছিল। কোনো কোনো স্কুলত সম্পূৰ্ণ ধৰ্ম্মঘট হৈছিল। নগাৱৰ অভিভাৱক সকলে সভা পাতি ঠিৰাং কৰিলে যে, কানিংহাম চাৰ্কুলাৰৰ মতে ছাত্ৰ-ছাত্ৰীক স্কুললৈ পঠিয়াত কৈ এবছৰ ঘৰতে বহুৱাই ৰাখিব। নগৰ, গাওঁ সকলোতে ধৰ্ম্মঘটৰ উপৰিও কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি সভা শোভাযাত্ৰা হ'ল। গৱৰ্ণমেণ্ট হাইস্কুল পৰিত্যাগ কৰা ছাত্ৰসকলৰ পঢ়াৰ ব্যৱস্থা কৰিবলৈ, প্ৰায় কেউখন নগৰতে জাতীয় স্কুল প্ৰতিষ্ঠা কৰা হ'ল। গুৱাহাটীত একেদিনাৰ ভিতৰতে কামৰূপ একা-

ডেমী পতাৰ ঠিক হ'ল; আৰু একেৰাতিৰ ভিতৰতে ১৮ হাজাৰ টকা তুলি ১৯৩০ চনৰ ১৫ জুলাই তাৰিখে ফাঁচী বজাৰৰ এটা দুম-হলীয়া ঘৰ ভাৰা কৰি স্কুল আৰম্ভ কৰা হ'ল; আৰু অলপ দিনৰ ভিতৰতে ইয়াৰ ছাত্ৰৰ সংখ্যাও যথেষ্ট বেচি পৰিমাণে বাঢ়ে। তেজপুৰ, ডিব্ৰুগড়, বৰপেটা আদি ঠাইতো নতুন জাতীয় স্কুল স্থাপন কৰা হয়। ধুবুৰী আদি ঠাইত ছাত্ৰীসকলেও প্ৰতিশ্ৰুতি লিখি দিবলৈ অস্বীকাৰ কৰে। শিৱসাগৰত গৰমৰ বন্ধৰ পিচত ছাত্ৰসকল স্কুললৈ যোৱাত, যেতিয়া প্ৰতিশ্ৰুতি লিখি দিবলৈ কোৱা হ'ল, তেতিয়া স্কুলৰ পৰা ছাত্ৰসকল ওলাই আহিল। গুৱাহাটীৰ কটনকলেজ আৰু আৰ্লল কলেজতো ধৰ্ম্মঘট হল। কটন কলেজৰ সেই সময়ৰ অধ্যক্ষ ব্ৰাউন চাহাবে এটা অভিনব কৌশল অবলম্বন কৰিছিল। গান্ধীটুপী পিন্ধা স্বেচ্ছাসেৱক সকলে পিকেটিং কৰিবলৈ কলেজৰ সমুখত উপস্থিত হোৱা দেখিলেই প্ৰিন্সিপালে এখন জাননী দিয়ে—"আজিলৈ ক্লাচ লোৱা নহব।" এইদৰে তেওঁ বহুদিন ধৰি পঢ়াশুনা আৰম্ভ নকৰাকৈয়ে, দেখাত কলেজ খোলা ৰাখিছিল।

তাৰ পিচত ছাত্ৰসকলে পিকেটিং কৰিবলৈ আৰম্ভ কৰে। গুৱাহাটী, বৰপেটা, নগাওঁ আদি সকলো নগৰতে পিকেটিং কৰা হয়। গুৱাহাটীৰ কলেজিয়েট হাইস্কুলত জুলাই মাহৰ শেষ ভাগ আৰু আগষ্টৰ প্ৰথম ভাগত পিকেটিং চলে আৰু প্ৰত্যেক দিনেই ৬।৭ জনকৈ ছাত্ৰক গ্ৰেপ্তাৰ কৰি নিয়া হয়। সেইসময়ৰ কামৰূপৰ ডেপুটি-কমিছনাৰ মিঃ হিল চাহাবে পিকেটিং কৰাৰ অপৰাধত কেবাজনো ছাত্ৰক ছয় সপ্তাহকৈ জেল দিয়ে। সেইদৰে অসমৰ অন্যান্য ঠাইতো পিকেটিং কৰা ছাত্ৰসকলক জেল দিয়া হয়।

গ্ৰেপ্তাৰ কৰি জেল দিয়া স্বত্বেও, ছাত্ৰসকলৰ অদম্য উৎসাহ জয় নপৰিল; বৰঞ্চ ছাত্ৰ আন্দোলন তীব্ৰতৰ ভাবে চলিবলৈ ধৰিলে। উপায় বিহীন হৈ মিঃ কানিংহামে তেওঁৰ চাৰ্কুলাৰৰ বান্ধ ঢিলাই দিবলৈ বাধ্য হ'ল। এনেকি হবিগঞ্জ আদি ঠাইত একেবাৰে উঠাই ললে: চাকুলাৰৰ বান্ধ ঢিলাই দি নিয়ম কৰিলে যে ছোৱালী বিলাকে প্ৰতিশ্ৰুতি লিখি নিদিলেও হব আৰু ছাত্ৰৰ বেলিকা ছাত্ৰসকলে লিখি নিদি, অভিভাবক সকলে লিখি দিলেই হব। কিন্তু তেতিয়াও আন্দোলন শাম নাকাটিল। কানিংহাম চাকুৰ্লাৰৰ বিৰুদ্ধে গঢ়ি উঠা এই ছাত্ৰ আন্দোলন অসমৰ

আইন অমান্য আন্দোলনৰ লগত মিলি গ'ল। অসমৰ ছাত্ৰ সমাজৰ জাতীয় আন্দোলনত ৰৰঙণি ৪২ চনক বাদ দি, এই সময়তেই বেচি হব। অসমৰ ছাত্ৰ আন্দোলনৰ এই সময়ত গুৰি ধৰিছিল, ত্যাগবীৰ ৺হেম চন্দ্ৰ বৰুৱা আৰু কৰ্ম্মপ্ৰাণ শ্ৰীঅমিয় কুমাৰ দাসে।

৩০ চনৰ আন্দোলনত ছাত্ৰসকলৰ মনত নতুন ভাবৰ সঞ্চাৰ হ'ল। তাৰোপৰি কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে আন্দোলন কৰি, নতুন চেতনা আৰু আত্মবোধৰ ভাব সজাগ হয়। লগতে নিজৰ শক্তিৰ ওপৰতো বিশ্বাস আৰু বিদেশী শাসকৰ বিৰুদ্ধে সংগ্ৰাম কৰিব পৰা সাহসো লাভ কৰে। আগৰ সংকীৰ্ণতা দূৰৈলৈ থেলি থৈ, ৰাজনৈতিক ক্ষেত্ৰত প্ৰত্যক্ষ ভাবে অংশ গ্ৰহণ কৰিবলৈ ছাত্ৰসকলে সুযোগ পায়।

১৯৩০-৩৬ চনৰ ভাৰতৰ অৱস্থা

১৯৩০ চনৰ পৰা ১৯৩৬ চনৰ এই কালছোৱাত ভাৰতবৰ্ষৰ ৰাজনৈতিক অৱস্থা অতি অস্থিৰ হৈ আছিল। বৃটিছ চৰকাৰে ভাৰতৰ ক্ৰমবৰ্দ্ধমান জাতীয় চেতনা মষিমূৰ আৰু ছেদেলি ভেদেলি কৰিবৰ কাৰণে নানান অৰ্ডিনেঞ্চ জাৰি কৰিলে; দেশপ্ৰেমিক কৰ্ম্মীসকলক জেলত ৰাখিলে—নিজ গাৱত অন্তৰীণ কৰিলে, কোনো অঞ্চল বা প্ৰদেশত সোমাব নোৱাৰাকৈ বহিষ্কাৰৰ আদেশ জাৰি কৰিলে। ১৯৩৬ চনৰ শেষত ভাৰতবৰ্ষৰ সামাজিক আৰু ৰাজনৈতিক পৰিবেশ কেনে হৈছিল তলৰ বিবৰণৰ পৰা তাক অনুমান কৰিব পাৰি।

"The year 1936 was a year of great unrest and repression in which searches, arrests, conviction and fantastic orders were the order of the day.… …As many as 348 newspapers had to cease publication in the space of a few years prior [illegible] 1936, owing to the operation of Law of Sedition, the S[illegible] customs Act, the Ordinance Act and the Board of Censors. Students were externed, resolution of Municipalities to present addresses of welcome to the Congress President at Lyallpur were suspended. … … A postal envelope with a printed picture of Gandhi was redirected

to the sender with the remark "Proscribed"—open air meetings, processions and demonstrations were prohibited in a suburb of Calcutta, under section 144 Cr. P.C. Praja Samities or Peasants' Committees were interdicted. Detenus were freely arrested for technical breach of rules regulating their movements ......It may be noted that there were in July 1936 over 2000 detenus in Bengal alone and yet repression was being persued with evermore vigour and persistance. ......

Not less than fifty Socialist and Congress workers of the Punjab were served with orders not to leave their villages ......Revolutionary and communistic propoganda was the subject to general charge —These wide and vague powers only ended in penalizing Youth Leagues and Labour and Socialistic Organisations ......An order was issued on August 4, that no person between ages of 12 and 30 shall "Sit or loiter between sunset and sunrise" in 19 places at Dacca and 16 places at Narayanganj including parks, playgrounds, and temples, for one year.......The number of persons externed from the city of Bombay......during the—years 1933-34, 1934-35 and 1935-36 was 246, 578 and 663 respectively" (Vide—"History of Indian National Congress"—Part II—Page 362)

ভাৰতবৰ্ষৰ ৰাজনৈতিক আকাশৰ এই ধুমুহাৰ মাজত যুৱক সাধাৰণ দিশহাৰা হৈ পৰিল। ৰুছীয়াৰ New Economic Policy, নেহেৰুৰ 'সমাজবাদ' সম্পৰ্কীয় চিন্তাধাৰা আদিয়ে তেতিয়াৰ যুৱক সাধাৰণৰ মনত হেন্দোলনি নোতোলাকৈও থকা নাছিল। দেশৰ ৰাজনৈতিক আন্দোলনত যোগদানৰ ফল স্বৰূপে কংগ্ৰেছ কৰ্ম্মীবৃন্দৰ বেচি ভাগেই হয় কাৰাৰুদ্ধ, নহয় চৰকাৰী নিৰ্দ্দেশত বহিষ্কৃত বা অন্তৰীণাধীন। ছাত্ৰ সকলৰ কোনো ৰকমৰ অস্তিত্বই স্বীকাৰ কৰা নহৈছিল। এই পৰিবেশে ভাৰতবৰ্ষত এটি সৰ্ব্বভাৰতীয় ছাত্ৰ অনুষ্ঠান গঢ়াৰ ক্ষেত্ৰ প্ৰস্তুত কৰিলে। ১৯৩৬ চনত "নিখিল

ভাৰত ছাত্ৰ ফেডাৰেশ্যন" পুনৰ গঠিত হয়। এই ছাত্ৰ সন্থাত সকলো মতাবলম্বী ছাত্ৰয়েই যোগদান কৰিছিল। "ছাত্ৰ সমাজৰ নিজস্ব স্বকীয়া দাবী-দাৱা, কলেজ ইউনিয়ন প্ৰতিষ্ঠা, কলেজৰ ভিতৰত ৰাজনৈতিক মতবাদ আলোচনাৰ অধিকাৰ আদিৰ কাৰণে আন্দোলন কৰিবৰ কাৰণে"ই, নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যন গঠিত হয়। এই প্ৰতিষ্ঠানৰ নিয়মাৱলীত স্পষ্ট ভাবেই লিখা আছিল: "এই ছাত্ৰ সন্থাই ৰাজনৈতিক অনুষ্ঠান হিচাবে কাম নকৰে, ছাত্ৰ সমাজৰ সাংস্কৃতিক আৰু তাৰ লগে লগে ৰাজনৈতিক চেতনা উদ্বুদ্ধ কৰিবৰ কাৰণেহে এই সন্থাই কাম কৰিব।"

ভাৰতীয় কমিউনিষ্টৰ ভূমিকা

ভাৰতীয় কমিউনিষ্ট পাৰ্টি সেই সময়ত আছিল বে আইনী। গান্ধী আৰউইণ চুক্তি ভঙ্গৰ ফলত দেশত গঢ়ি উঠা আন্দোলনৰ তেওঁলোকে বিৰোধীতা কৰিছিল। সেই হেতুকে দলগত হিচাবে তেওঁলোক আছিল কাৰাবৰণৰ পৰা মুক্ত। তেতিয়াৰে পৰাই কমিউনিষ্ট পাৰ্টিৰ কাৰ্য্যাৱলী অতি আচৰিত ৰূপে গঢ় লৈ আহিবৰ উপক্ৰম কৰিলে। গতিকে ১৯৩০-৩৬ চনৰ ৰাজনৈতিক পটভূমিকাত কমিউনিষ্ট পাৰ্টিৰ মত নো কি আছিল, কংগ্ৰেছ বা অসহযোগ আন্দোলনৰ ভাবধাৰা নো কেনে বিধৰ আছিল সেই কথা চোৱা উচিত। এই কালছোৱাত, ১৯৩৩ চনত কমিউনিষ্ট পাৰ্টিয়ে তেওঁলোকৰ Manifesto এখনত লিখিছিল:

"......The propaganda of Non-violence of Mr. Gandhi and other leaders is intended to prevent a general national armed insurrection of the toiling masses against the British Rule......And to-day Mr. Gandhi tells the peasant workers of India, that they have no right to, and must not revolt against their employers. He tells them this at the very time, when the British robbers are making open war on Indian people in the N.W. Province and throughout the country."

সেই একে Manifesto তে তেওঁলোকে লিখিছিল: "The greatest threat to the victory of the Indian Revolution lies in the fact that the masses of our people,

still harbour illusions about the Indian National Congress and have not realised that it represents a class organisation of the Capitalists, working against the fundamental interest in the toiling masses of our country."

কিন্তু কমিউনিষ্ট সকলে বিশ্বাস কৰিছিল,— "It must be clearly recognised however, that the movement against war, ... can acquire national dimensions and can be really effective, only, when it is led by the Congress".

(Vide—Bengal Committee of C.P.I's "Statement of policy and tasks in the period of war.")

গতিকে কমিউনিষ্ট পাৰ্টিয়ে কংগ্ৰেছ দখল কৰিবলৈ উঠিপৰি লাগিল। কংগ্ৰেছ দখলৰ এই প্ৰচেষ্টাক তেওঁলোকে "Bolshevic Path" বুলিছিল। তেওঁলোকৰ Policy Statement ত লিখিছিল :

"The main task at present is to seize initiative in making preparations for, ... through Congress Committees and Congressmen. ... ... Thenceforth the chief task shall be to give the mass movement revolutionary content and form. ... ...We shall be able to direct the movement into revolutionary channels only in the measure, in which, we shall have embeded ourselves in the Congress."

নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যন

কংগ্ৰেছ কৰ্ম্মীবৃন্দৰ অনুপস্থিতিৰ সুবিধা গ্ৰহণ কৰিবলৈ কমিউনিষ্ট পাৰ্টিয়ে হেলা নকৰিলে। ফলত নিঃ ভাঃ ছাঃ ফেডাৰেশ্যনত কমিউনিষ্ট পাৰ্টিৰ প্ৰতিপত্তি বাঢ়িবলৈ ধৰিলে। তাৰোপৰি এটা কথা বিশেষ ভাবে মন কৰিব লাগিব যে যদিও সেই সময়ত ছাত্ৰ আন্দোলনত বিভিন্ন মতবাদী ছাত্ৰ আছিল—তথাপি অনুষ্ঠানত যোগদান কৰিছিল তেওঁলোকে স্বৰূপতে ছাত্ৰৰ দাবী-দাৱা পূৰণ কৰিবৰ কাৰণে। কিন্তু কমিউনিষ্ট পাৰ্টিয়ে তেতিয়াৰে পৰাই, ছাত্ৰ ফেডাৰেশ্যন দখল কৰাৰ মানসেৰে ইয়াত সোমাইছিল।—দ্বিতীয় মহাসমৰৰ আগে আগে—আবিছিনীয়াত ফেছিবাদৰ ৰণ দামামা বাজি উঠাৰ কালত—পৰাধীন ভাৰতবৰ্ষত কোনো সন্থায়েই ৰাজনৈতিক

চিন্তাধাৰা আৰু কৰ্ম্মপদ্ধতিৰ আদৰ্শৰ পৰা আতৰি থাকিব পৰাটো, সম্ভৱপৰ কথা নাছিল। নিঃ ভাঃ ছাঃ ফেডাৰেশ্যনো তাৰ পৰা আতৰি থাকিব নোৱাৰিলে। গতিকেই কিছু দিনৰ ভিতৰতে ছাত্ৰ ফেডাৰেশ্যন—এটা শক্তিশালী ৰাজনৈতিক সন্থাৰ ৰূপ পৰিগ্ৰহ কৰি খ্যাতিমান হৈ উঠিল।

ৰাজনৈতিক কৰ্ম্মপদ্ধতিত নিজকে জড়িত কৰি পেলোৱাৰ ফল স্বৰূপে—ছাত্ৰ ফেডাৰেশ্যনৰ ভিতৰত বিভিন্ন আদৰ্শবাদী দল উপদলৰ স্বাৰ্থৰ সংঘাত ঘটিল। ছাত্ৰ আন্দোলনৰ ফল স্বৰূপে, বহু ঠাইত ছাত্ৰসকলৰ কলেজ ইউনিয়ন আদি প্ৰতিষ্ঠাৰ দাবী দাৰা স্বীকৃত হ'ল—তাৰেই ফল স্বৰূপে ছাত্ৰ আন্দোলন আৰু বেচি ৰাজনৈতিক মেৰপাকৰ মাজলৈ আগ বাঢ়িবলৈ ধৰিলে।

কমিউনিষ্ট পাৰ্টিয়ে যি সুযোগ বিচাৰিছিল সেই সুযোগ পালে। তেওঁলোকৰ ক্ৰমবৰ্দ্ধমান প্ৰতিপত্তিৰ ফল স্বৰূপে—ছাত্ৰ ফেডাৰেশ্যনক নিজৰ দলীয় মতবাদ প্ৰচাৰৰ মাধ্যম কৰাৰ চেষ্টা কৰিবলৈ ধৰিলে। ইয়াৰ ফল স্বৰূপেই ছাত্ৰ ফেডাৰেশ্যনত পৰস্পৰৰ মাজত—অসন্তোষ, অবিশ্বাস, আদিবোৰ তীব্ৰৰ পৰা তীব্ৰতৰ হৈ আহিবলৈ ধৰিলে।

এটা আইনসঙ্গত অনুষ্ঠানৰ প্ৰয়োজনীয়তা আৰু ১৯৩৬ চনত কংগ্ৰেছৰ প্ৰতি কমিউনিষ্ট পাৰ্টিৰ নীতি সলনি হোৱাৰ কাৰণে, কমিউনিষ্ট সকলে কংগ্ৰেছ সমৰ্থক কৰ্ম্মীসকলেৰে এই নিঃ ভাঃ ছাত্ৰ ফেডাৰেশ্যন গঠন কৰাত বেছি সুবিধা হয়। নিঃ ভাঃ ছাত্ৰ ফেডাৰেশ্যনৰ লক্ষ্ণৌত বহা প্ৰথম অধিবেশনৰ সভাপতিত্ব কৰে মিঃ মহম্মদ আলি জিন্নাই আৰু সভা উদ্বোধন কৰে পণ্ডিত জৱাহৰলাল নেহৰুৱে। যদিও নিঃ ভাঃ ছাত্ৰ ফেডাৰেশ্যনত প্ৰথমে সকলো ৰাজনৈতিক মতাৱলম্বী ছাত্ৰই যোগ দিছিল—তাত প্ৰাধান্য আছিল কমিউনিষ্টসকলৰ, তাৰ কাৰণ আগতে উল্লেখ কৰা হৈছে। "কমিউনিজম"ৰ প্ৰতি ছাত্ৰসমাজৰ এটা ভাল-ভাব আছিল—তাৰোপৰি কমিউনিষ্ট পাৰ্টিয়ে কংগ্ৰেছৰ সহযোগিতাত কাম কৰিছে—সেই কাৰণে দিনে দিনে কমিউনিষ্ট সকলৰ প্ৰাধান্য বাঢ়ি আহিবলৈ ধৰিলে। আৰু নিঃ ভাঃ ছাত্ৰ ফেডাৰেশ্যনো আন এখন সম্পূৰ্ণ ৰাজনৈতিক অনুষ্ঠানত পৰিণত হয়। কিন্তু আগতে কৈ অহা মতে কমিউনিষ্ট পাৰ্টিয়ে এই ছাত্ৰ-ফাডাৰেশ্যনক তেওঁলোকৰ দলৰ Platform হিচাবে ব্যৱহাৰ কৰিবলৈ প্ৰাণপনে চেষ্টা কৰিছিল।

সেইকাৰণে লাহে লাহে ছাত্ৰ-ফেডাৰেশ্যনৰ মাজত মনোমালিন্যৰ সৃষ্টি হয়।

ইয়াৰ দ্বিতীয় অধিবেশন ১৯৩৬ চনত লাহোৰত শ্ৰীশৰৎচন্দ্ৰ বসুৰ সভাপতিত্বত বহে আৰু তৃতীয় অধিবেশন বহে ১৯৩৭ চনত শ্ৰীমিন্নু মাছানীৰ সভাতিত্বত—মাদ্ৰাজত। এই অধিবেশনত কমিউনিষ্ট সকলে, ছাত্ৰ ফেডাৰেশ্যন আচুতীয়াকৈ দখল কৰাৰ চেষ্টা কৰে, কিন্তু সেই চেষ্টা বিফল হয়। ১৯৩৮ চনত কলিকতাত বহা ৪ৰ্থ বাৰ্ষিক অধিবেশনতো কমিউনিষ্ট সকলে সেই একে চেষ্টা কৰে, কিন্তু তাতো ব্যৰ্থ হয়। ১৯৩৯ চনত দিল্লীত শ্ৰীসুভাষচন্দ্ৰ বসুৰ সভাপতিত্বত ৫ম বাৰ্ষিক অধিবেশন বহে—আৰু কমিউনিষ্টসকলে ছাত্ৰ ফেডাৰেশ্যন দখল কৰাৰ যি চেষ্টা কৰে তাৰ ফলত এইবাৰ আগৰে পৰা চলি অহা মনোমালিন্যই গভীৰ আকাৰ ধাৰণ কৰে। উক্ত অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল কমিউনিষ্ট নেতা ফাৰুকী। তেখেতে ছাত্ৰ-ফেডাৰেশ্যনৰ মাজত গঢ়ি উঠা এই মনোমালিন্যৰ কথা উল্লেখ কৰি কৈছিল, **"I am sorry that the A. I. S. F should have been an arena to fight out factional rivalries and party bickerings."**

দুটা প্ৰস্তাৱ সম্বন্ধে, উক্ত অধিবেশনত বিভিন্ন ৰাজনৈতিকদলক সমৰ্থন কৰা ছাত্ৰসকলৰ মাজত, ভীষণ মনোমালিন্যৰ সৃষ্টি হয়। প্ৰথম প্ৰস্তাৱটো হৈছে—যুদ্ধ-সম্বন্ধীয় প্ৰস্তাৱ। এক পক্ষৰ পৰা কোৱা হল—অবিলম্বে যুদ্ধৰ অৱসান লাগে—আন পক্ষই কলে যে যুদ্ধ চলি থকাটোৱেই বাঞ্ছনীয়। কাৰণ তেতিয়া হলে, সাম্ৰাজ্যবাদী শক্তি সমূহ পৰাজিত হব আৰু সাম্ৰাজ্য-বাদীসকলৰ এই দুৰ্ব্বলতাৰ সুযোগ লৈ ভাৰতবৰ্ষই স্বাধীনতা আদায় কৰিব পাৰিব। কিন্তু যুদ্ধখনত যে ভাৰতবৰ্ষৰ কোনো স্বাৰ্থ নাই—এই যুদ্ধত যে ভাৰত-বাসীয়ে কোনো সহায় কৰিব নালাগে—এই বিষয়ে সকলোৰে একমত আছিল। তাৰ পিচত, স্বাধীনতা দিবস উপলক্ষ্যে পাঠ কৰিব লগা সঙ্কল্প বাণী সম্বন্ধেও বাদানুবাদৰ সৃষ্টি হয়। কিছুমানে কংগ্ৰেছৰ নতুন সঙ্কল্প বাণীক সমালোচনা কৰি প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে বুলি কয় আৰু বৰ্ত্ত-মান জাতীয় নেতৃত্বৰ ঠাইত নতুন বৈপ্লবীক নেতৃত্ব লাগে বুলি ঘোষণা কৰাৰ পক্ষে অভিমত জনায়। এই বিলাক কাৰণতে বিভিন্ন মতাৱলম্বী ছাত্ৰসকলৰ মাজত এইবাৰৰ মনোমালিন্য আগতকৈ বেছি গভীৰ হয়, কিন্তু কোনো বিভেদ নোহোৱাকৈ এই অধিবেশনৰ কাম সমাপ্ত হয়। তাৰ

পিচত ৬ষ্ঠ অধিবেশন বহাৰ সম্পৰ্কে আলোচনা কৰি ঠিক কৰা হ'ল যে ভাৰতবৰ্ষৰ মধ্যম স্থান নাগপুৰত এই সভা হব লাগে ।

বঙ্গদেশৰ শ্ৰীসৌমেন্দ্ৰনাথ ঠাকুৰ, সেই সময়ত "বিপ্লবী কমিউনিষ্ট পাৰ্টি"ৰ (R. C. P.I) নেতা । তেখেতৰ অনুগামী যুবক সকলক "ঠাকুৰ-পন্থী" বুলি কোৱা হৈছিল । অসমত তেওঁলোক "ৰেডিকেলিষ্ট" বুলি জনাজাত আছিল । এই ঠাকুৰপন্থী সকলৰ মতে—"কংগ্ৰেছ এটা পুঁজিবাদী অনুষ্ঠান—দুখীয়াৰ কাৰণে সংগ্ৰাম ই নকৰে যি কোনো প্ৰকাৰেই কংগ্ৰেছক ধ্বংস কৰিব লাগে । সেই সময়ত কমিউনিষ্ট পাৰ্টিয়েও আনকি প্ৰকাশ্যে এনে মত পোষণ কৰা দেখা নগৈছিল । সেই কাৰণেই এই ঠাকুৰপন্থী যুবক সকল গুৰিৰে পৰা—নিঃ ভাঃ ছাত্ৰ ফেডাৰেশ্যনৰ পৰা আতৰত আছিল ।

দ্বিতীয় মহাসমৰ

দ্বিতীয় মহাসমৰৰ সূচনাৰ পৰাই ভাৰতবৰ্ষৰ ৰাজনৈতিক আকাশ আকৌ অনিশ্চয়তাৰ কুৱলীয়ে আৱৰি ধৰিবলৈ ধৰিলে । কংগ্ৰেছ ৱাৰ্কিং কমিটিয়ে, বৃটিছ গবৰ্ণমেণ্টৰ পৰা যুদ্ধৰ উদ্দেশ্যৰ খোলোছা ঘোষণা বিচাৰিলে । সেই কালৰ ভাৰত সচিব লৰ্ড জেটলেণ্ড আৰু তেওঁৰ পৰবৰ্ত্তী মিঃ আমেৰিয়ে খোলোছা ভাবে একো কথা নকৈ, যুদ্ধত ভাৰতীয় ৰাইজৰ অকুণ্ঠ সহযোগ বিচাৰিলে । লৰ্ড জেটলেণ্ডে কংগ্ৰেছ নেতৃবৃন্দক, বৃটিছ চৰকাৰৰ অসুবিধাৰ সময়ত—ভাৰতৰ দাবীৰ বিষয়ে উল্লেখ কৰি,—বৃটিছ চৰকাৰক পেপুৱা লগাবৰ চেষ্টা কৰিছে বুলি অভিযোগ কৰিলে । যুদ্ধৰ নীতি ঘোষণা, ভাৰতবৰ্ষই সেই যুদ্ধত কি ভাবে সহায় কৰিব—আদি প্ৰশ্নলৈয়েই বৃটিছ চৰকাৰ আৰু কংগ্ৰেছৰ মাজত মতৰ অমিল হয় । ফল স্বৰূপে কংগ্ৰেছে ভাৰতৰ বিভিন্ন প্ৰদেশৰ কংগ্ৰেছ মন্ত্ৰীদলক পদত্যাগ কৰিবলৈ আহ্বান জনালে । ৱাৰ্কিং কমিটিৰ আহ্বানত ভাৰতৰ ৮ খন প্ৰদেশৰ মন্ত্ৰীসভাই পদত্যাগ কৰিলে । গান্ধীজীয়ে যুদ্ধ বিৰোধী ব্যক্তিগত সত্যাগ্ৰহ আন্দোলন আৰম্ভ কৰিলে । আচাৰ্য্য বিনোবা ভাবেক প্ৰথম সত্যাগ্ৰহী নিৰ্ব্বাচন কৰিলে । ব্যক্তিগত সত্যাগ্ৰহ এটা অতি অভিনৱ আন্দোলন । সত্যাগ্ৰহীয়ে কেৱল চৰকাৰৰ যুদ্ধায়োজনত—সাহায্য কৰিব নালাগে বুলি এফাকি মন্ত্ৰ ৰাজহুৱা স্থানত বাৰে বাৰে আওৰাব লাগে ।

১৯৩৯ চনৰ ১৭ অক্টোবৰ তাৰিখে বিনোবাজীয়ে ৰাজহুৱা ভাবে ঘোষণা কৰিলে : "It is wrong to help this British war efforts with

men or money. The only remedy to war is to resist all wars by 'non-violent resistance''.

দ্বিতীয় মহাসমৰক কমিউনিষ্ট আৰু অন্যান্য প্ৰগতিশীল ৰাজনৈতিক দল বিলাকেও সাম্ৰাজ্যবাদী যুদ্ধ বুলি অভিহিত কৰিলে। যুদ্ধ লগাৰ সুযোগ গ্ৰহণ কৰি, ভাৰতবৰ্ষৰ স্বাধীনতাৰ আন্দোলন তীব্ৰতৰ কৰিবলৈ কংগ্ৰেছৰ ওচৰত তেওঁলোকে দাবী জনালে। এই ক্ষেত্ৰত তেতিয়া আগভাগ লৈছিল—কমিউনিষ্ট সকলেই। কিন্তু গণ আন্দোলনৰ পৰিবৰ্ত্তে কংগ্ৰেছে যেতিয়া ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰিলে, কমিউনিষ্ট সকলেই তাৰ বিৰুদ্ধে প্ৰচাৰ কৰাত লাগিল।

কমিউনিষ্ট চক্ৰান্ত : নাগপুৰ অধিবেশন

ইতিমধ্যে ভাৰতবৰ্ষৰ ঠ'ত ঠ'ত যুদ্ধ প্ৰদৰ্শনী পাতি, বৃটিছ চৰকাৰে ভাৰতীয় ৰাইজৰ সমৰ্থন লাভৰ প্ৰচেষ্টা কৰিলে। ভাৰতবৰ্ষৰ ছাত্ৰ সম্প্ৰদায়ে এই যুদ্ধ প্ৰদৰ্শনীত বিক্ষোভ প্ৰদৰ্শন কৰাত আগভাগ লৈছিল। এই বিক্ষোভত ছাত্ৰ ফেডাৰেশ্যনেই ছাত্ৰ সাধাৰণক নেতৃত্ব কৰিছিল। যুদ্ধৰ কালত অশান্তি দমনৰ নামত, বৃটিছ সাম্ৰাজ্যবাদে পোনপ্ৰথমেই আক্ৰমণ আৰম্ভ কৰিলে—ছাত্ৰ সাধাৰণৰ ওপৰত। ছাত্ৰ সাধাৰণৰ ওপৰত অত্যাচাৰ নিৰ্য্যাতন আৰম্ভ হ'ল। এই লাঞ্চনাৰ প্ৰতিকাৰ বিচাৰি ছাত্ৰ সকলে ঠায়ে ঠায়ে স্কুল কলেজ ধৰ্ম্মঘট আদিৰ জৰীয়তে চৰকাৰৰ বিৰোধীতা কৰিবলৈ ধৰিলে। ইয়াৰো নেতৃত্ব কৰিছিল ছাত্ৰ ফেডাৰেশ্যনে।

সত্যাগ্ৰহ আন্দোলনৰ সময় ছোৱাত, গান্ধীজীয়ে অতি সতৰ্কতাৰে আগবাঢ়িছিল। তেখেতে দেশত যাতে অবাঞ্ছিত উশৃঙ্খলতাই ঠাই নেপায়, তাৰ কাৰণে দৃষ্টি ৰাখিছিল। ছাত্ৰ আন্দোলন সম্পৰ্কে গান্ধীজীৰ মত সুবিদিত। তেখেতে, সকলো সময়তে, ছাত্ৰ সকলে স্কুল কলেজ ধৰ্ম্মঘট কৰাটো ভাল নাপাইছিল। বৃটিছ বিদ্বেষৰ ফল স্বৰূপে, দেশত গঢ় লৈ উঠা ছাত্ৰ সাধাৰণৰ ক্ৰমবৰ্দ্ধমান ধৰ্ম্মঘট প্ৰীতিক গান্ধীজীয়ে অনুমোদন কৰিব নোৱাৰিছিল। সেই কাৰণেই নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনৰ তেতিয়াৰ সম্পাদক শ্ৰী এম, এল, শাহে, গান্ধীজীৰ লগত দেখা কৰি (১৯৪০ চনত) আশ্বাস দিলে যে 'বিশেষ প্ৰয়োজন নহলে ছাত্ৰ সমাজে ধৰ্ম্মঘট নকৰে।'

নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনৰ ভিতৰত থকা কমিউনিষ্ট ছাত্ৰসকলে, জাতীয়তাবাদী ছাত্ৰসকলৰ এই ভাব দেখি প্ৰমাদ গনিলে। আৰু বেনাৰচত বহা নিঃ ভাঃ ছাত্ৰ ফেডাৰেশ্যনৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিত শ্ৰী এম, এল শ্বাহক গৰিহণা দি প্ৰস্তাৱ গ্ৰহণ কৰিলে।

এনেদৰেই নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনত দুটা সম্পূৰ্ণ প্ৰতিদ্বন্দী শিবিৰ হৈ পৰিল। এটা কমিউনিষ্ট মতাৱলম্বী আৰু আনটো কংগ্ৰেছৰ প্ৰতি আস্থাভাজন জাতীয়তাবাদী নেতৃত্ব।

ইয়াৰ পাচৰে পৰা কমিউনিষ্ট সকলে ছাত্ৰ ফেডাৰেশ্যনত, নিজৰ শক্তি পাৰেমানে বঢ়াবলৈ লাগিল—উদ্দেশ্য তেওঁলোকৰ হ'ল "যি উপায়েৰেই নহওক লাগিলে—ছাত্ৰ ফেডাৰেশ্যন দখল কৰিব লাগিব।"

কমিউনিষ্ট সকলৰ হীন চক্ৰান্তৰ চৰম সীমা পালেগৈ ১৯৪০ চনত নাগপুৰত বহা নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনৰ ৬ষ্ঠ বাৰ্ষিক অধিবেশনত। কমিউনিষ্ট সকলে নানান চক্ৰান্তৰ মাজেৰে সভাপতি মনোনীত কৰিলে কমিউনিষ্ট অধ্যাপক শ্ৰীহীৰেণ মুখাৰ্জীক। অভ্যৰ্থনা সমিতিৰ সভাপতিও হল এজন কমিউনিষ্ট ছাত্ৰ। এই কমিউনিষ্ট ছাত্ৰ শ্ৰীবি, এন, মুখাৰ্জী পিচত নাগপুৰ কমিউনিষ্ট পাৰ্টিৰ সম্পাদক হয়।

অধিবেশনৰ প্ৰস্তুতিৰ কাম ক্ষীপ্ৰ গতিত চলিবলৈ ধৰিলে। কিন্তু মুৰকত গৈ দুখন সভা বহিলগৈ। এখনত সভাপতিত্ব কৰিলে অধ্যাপক হীৰেণ মুখাৰ্জীয়ে আৰু আনখনত বিহাৰৰ ছাত্ৰ নেতা শ্ৰীমদন মোহনে। জাতীয়তাবাদী দলৰ ছাত্ৰ নেতা শ্ৰী এম, এল, শ্বাহ থাকিল পিচৰ খন সভাত। এই বিবাদৰ ফল স্বৰূপে ভাৰতবৰ্ষত দুখন ছাত্ৰ ফেডাৰেশ্যন গঢ়ি উঠিল। জাতীয়তাবাদী ছাত্ৰ ফেডাৰেশ্যনৰ নেতৃত্ব কৰিলে শ্ৰীএম, এল, শ্বাহে আৰু কমিউনিষ্ট পন্থী খনৰ নেতৃত্ব কৰিলে শ্ৰীএম, এন, ফাৰুক্কীয়ে।

কমিউনিষ্ট সকলেই এই বিভেদৰ মূল আছিল যদিও, অন্যান্য দলৰ ছাত্ৰ নেতা সকলেও ইয়াত যথেষ্ট অংশ গ্ৰহণ কৰিছিল তাৰ প্ৰমাণ বহুতো আছে। কমিউনিষ্ট নেতা ডাঃ আশ্ৰফে অধিবেশনৰ আগতে এই বিভেদৰ বিষয়ে কৈছিল: "A Split is a historic necessity."

সৰ্ব্বভাৰতীয় ছাত্ৰ আন্দোলনত হোৱা এই বিভেদৰ পিচত মহাত্মা গান্ধীয়ে দুখ প্ৰকাশ কৰি কৈছিল: "I have great regard for Dr.

Ashraf's abilities. I have never questioned his love for his country, but I am positive, he will one day be sorry, for the wrong guidance he is giving to the students' world."

আচাৰ্য্য নৰেন্দ্ৰদেৱে কৈছিল: "Do not be misled by those who are destroying the students unity and are styling the evil results of their deeds, as a 'historic necessity'. You should be on your guard."

শ্ৰীজয়প্ৰকাশ নাৰায়ণে এইদৰে কৈছিল: "The Nagpur split is a result of the efforts of a particular party, to make the A.I.S.F. their party platform. The strongest proof of it has been given by the leader of that party Dr. Ashraf. The Doctor was deputed by his party to guide the conference. The guidance given by Dr. Ashraf can only hamper the Students' Movement."

ইয়াৰ পিচত নাগপুৰত বিভাগ হৈ যোৱা দুয়োখন নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনে ইখনে সিখনৰ ওপৰত দোষাৰোপ কৰিবলৈ আৰম্ভ কৰে। ইদলে সিদলৰ ওপৰত ঐক্য নিবিচাৰে বুলি অভিযোগ কৰিবলৈ ধৰে।

মহাত্মাজীৰ পৰামৰ্শ বিচাৰি এখনৰ সম্পাদক ফাৰুকীয়ে চিঠি লিখিলে। গান্ধীজীয়ে পৰামৰ্শ দিলে যে, এটা নিৰপেক্ষ তদন্ত কমিটি পাতি, সকলো কথাৰ বিচাৰ কৰি, তেওঁলোকে যি ৰায় দিয়ে—দুয়োদলে তাকে মানি লব লাগে। কিন্তু কোনো দলেই ঐক্য স্থাপনৰ হকে একাগ্ৰ আগ্ৰহ প্ৰকাশ নকৰিলে। দৰাচলতে কবৰ হলে ১৯৩৭ চনৰ পৰা ১৯৪০ চনলৈকে অনুষ্ঠানৰ ভিতৰত যি মনোমালিন্য চলি আহিছিল, সেই মনোমালিন্যই এই ঐক্যৰ পথত প্ৰধান অন্তৰায় আছিল।

এই কালছোৱালৈকে অসমৰ ছাত্ৰ-আন্দোলন

১৯৩৯ চনত "Assam Students' Conference" ৰ নাম সলাই Federation কৰা হয়। কিছুকালৰ আগৰ পৰা সুৰমা উপত্যকাত এখন বেলেগ ছাত্ৰ ফেডাৰেশ্যন আছিল। ১৯২৬ চনত "সুৰমা ভেলী ছাত্ৰ ফেডাৰেশ্যন" গঠিত হয়। ছিলেট আৰু কাছাৰৰ সম্বন্ধ সেই সময়ত বঙ্গদেশৰ লগত বৰ ওচৰ আছিল। কিন্তু সুখৰ কথা যে "সুৰমা

ভেলী" ছাত্র ফেডাৰেশ্যন বঙ্গদেশৰ দলাদলিৰ পৰা মুক্ত আছিল। কিন্তু তথাপিও এই ছাত্র অনুষ্ঠানত, 'All Bengal Students Association" আৰু "Bengal Provincial Students Association" ৰ কিছু ছাঁ নপৰাকৈ থকা নাছিল।' কানিংহাম চাৰ্কুলাৰে সুৰমা ভেলী ছাত্র ফেডাৰেশ্যনক অসমৰ লগত নিকপকপীয়া সমন্ধ ঘটালে বুলি কব পাৰি।

শ্বিলঙতো এখন বেলেগ ছাত্র ফেডাৰেশ্যন গঠিত হল। ১৯৩৮ চনত "শ্বিলং ছাত্র ফেডাৰেশ্যন"ৰ জন্ম হয়। বৃটিছ শাসনৰ দিনত শ্বিলং নিষিদ্ধ সীমাৰ লেখীয়া আছিল। শাসনৰ নামত তাত চলিছিল স্বেচ্ছাচাৰী শাসন। সেইসময়ৰ কংগ্রেছ সভাপতি শ্রীসুভাষচন্দ্র বসু আৰু মৌলানা আবুল কালাম আজাদৰ পদাৰ্পনত শ্বিলংৰ যুবক সাধাৰণৰ প্রাণত, নতুন উছাহ উদ্দীপনাৰ ঢৌ বয়। আমোলাতান্ত্রিক চৰকাৰৰ সন্তান সন্ততি সকলেও, দেশৰ নেতা সকলৰ আহ্বানত সঁহাৰি নিদিয়াকৈ থকা নাছিল। এইদৰে খুব কম দিনৰ ভিতৰতে "শ্বিলং ছাত্র ফেডাৰেশ্যন"—শ্বিলঙৰ ছাত্র-ছাত্রী সকলৰ প্রতিনিধি মূলক অনুষ্ঠান হৈ পৰে।

১৯৩৭ চনত স্বৰ্গীয় মধুসিংহৰ সু-নেতৃত্বত সদৌ মণিপুৰ ছাত্র সন্মিলন গঠিত হয়। মণিপুৰ ছাত্র সন্মিলনে অধ্যয়ণ চক্র আৰু আন্যান্য সাংস্কৃতিক কাৰ্য্য-ক্রমনিকাৰ জৰীয়তে খুব কম দিনৰ ভিতৰতে ছাত্র সমাজৰ মাজত প্রতিষ্ঠা লাভ কৰে। ১৯৩৮-৩৯ চনত এই ছাত্র ফেডাৰেশ্যনৰ সম্পাদক আছিল শ্রীৰণবীৰ সিংহ। তেওঁৰ সংগঠন শক্তিৰ ফলতেই মণিপুৰী ছাত্র সমাজে জাতীয়তাবাদৰ প্রেৰ্ড়না লাভ কৰে। ১৯৩৯-৪০ চনত মণিপুৰ ছাত্র ফেডাৰেশ্যনে, সম্পাদক শ্রীঅচ্যুত সিংহৰ নেতৃত্বত বৰ্মা ভগনীয়া সকলক সহায় কৰা আৰু মণিপুৰী ছাত্র-ছাত্রীৰ উচ্চ শিক্ষাৰ কাৰণে মণিপুৰত এখন কলেজ প্রতিষ্ঠাৰ কাৰণে তীব্র আন্দোলন চলায়। এই গোটেই কালছোৱাত মণিপুৰ ছাত্র সন্মিলনে সম্পূৰ্ণৰূপে সামাজিক উন্নয়নমূলক কামতেই আত্মনিয়োগ কৰিছিল।

এই বছৰতে অসম ছাত্র ফেডাৰেশ্যন; সুৰমা ভেলী ছাত্র ফেডাৰেশ্যন; শ্বিলঙ ছাত্র ফেডাৰেশ্যন, আৰু সদৌ মণিপুৰ ছাত্র ফেডাৰেশ্যন, এই চাৰিটা অনুষ্ঠান লগ লগাই "All Assam Students' Confederation" গঠন কৰা হয়। এই অনুষ্ঠানক নিখিল ভাৰত ছাত্র ফেডাৰেশ্যনৰ

অন্তর্ভূক্ত কৰা হয়। তাৰ কিছু দিনৰ পাচতে এই "Confederation"ৰ ঠাইত "Federation" কৰা হ'ল।

আমি আগতে "ঠাকুৰপন্থী" যুৱক দলৰ কথা উল্লেখ কৰিছোঁ। তেওঁলোকক অসমত "ৰেডিকেলিষ্ট" বুলি কোৱা হৈছিল বুলি উল্লেখ কৰা হৈছে। অসমৰ এই দলৰ কিছু লোক সেইকালত আছিল। বিশেষ কৈ কটন কলেজৰ কেইজনমান ছাত্ৰই—এই দল জীয়াই ৰাখিবৰ চেষ্টা কৰিছিল। অসমৰ চাৰিটা ছাত্ৰ অনুষ্ঠান লগ লাগি যেতিয়া এটা শক্তি-শালী অনুষ্ঠানত পৰিনত হ'ল—তেতিয়া ৰেডিকেলিষ্ট সকলে, বঙ্গদেশৰ "ঠাকুৰপন্থী" নেতা শ্ৰীসনৎ কুমাৰ ৰায় চৌধুৰীৰ সভাপতিত্ব আৰু নিৰ্দ্দেশত অসমত বেলেগ এটা ছাত্ৰ অনুষ্ঠান গঢ়ি তুলিলে। এই অনুষ্ঠানৰ নাম দিয়া হ'ল "অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যন"। এতিয়া দেখ দেখকৈ অসমত দুটা ছাত্ৰ অনুষ্ঠানে গঢ় ললে—এটা হ'ল নিঃ ভাঃ ছাঃ ফেডাৰেশ্যনৰ অন্তৰ্ভূক্ত "সদৌ অসম ছাত্ৰ ফেডাৰেশ্যন" আৰু আনটো হ'ল—"অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যন"। পিচৰ অনুষ্ঠান টো ১৯৪০ চনৰ শেহলৈকে কোনো সৰ্ব্বভাৰতীয় ছাত্ৰ অনুষ্ঠানৰ অন্তভূৰ্ক্ত হোৱা নাছিল।

অসমৰ ছাত্ৰ অনুষ্ঠানৰ সৰ্ব্বভাৰতীয় অন্তভূৰ্ক্তি

১৯৪০ চনত বহা নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনলৈ অসমৰ পৰা যি কেইজন প্ৰতিনিধি গৈছিল—তেওঁলোকে যোগ দিছিল অধ্যাপক হীৰেণ মুখাৰ্জীৰ সভাপতিত্বত বহা সন্মিলন খনত। সেই কাৰণে "সদৌ অসম ছাত্ৰ ফেডাৰেশ্যন"খন কমিউনিষ্টৰ দ্বাৰা পৰিচালিত নিঃ ভাঃ ছাত্ৰ ফেডাৰেশ্যনৰে অন্তভূৰ্ক্ত হৈ থাকিল।

"অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যন"ৰ ঠাকুৰপন্থী এজন প্ৰতি-নিধি, তেতিয়া নাগপুৰত উপস্থিত আছিল। সৰ্ব্বভাৰতীয় মতভেদৰ সুযোগ লৈ, তেওঁ "অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যন"ক, শ্ৰীএম, এল শ্বাহৰ নেতৃত্বত গঢ় লোৱা জাতীয়তাবাদী ছাত্ৰ সকলৰ, নিঃ ভাঃ ছাত্ৰ ফেডাৰেশ্যনৰ অন্তভূৰ্ক্ত কৰি ললে।

৬ ডিচেম্বৰ

এনেকুৱা সময়তে অসমৰ গুৱাহাটীৰ এটা ঘটনা লৈ অসমত এক বিৰাট ছাত্ৰ আন্দোলনৰ অভ্যুত্থান হয়। ১৯৪১ চনৰ শেহ ভাগ

—ডিচেম্বৰ মাহ। নিখিল ভাৰত হিন্দু মহাসভাৰ সেই সময়ৰ সভাপতি বীৰ সাভাৰকাৰ অসম ভ্ৰমণ কৰাৰ উদ্দেশ্যেৰে, ডিচেম্বৰৰ দুই কি তিনি তাৰিখে গুৱাহাটীলৈ আহে। তেওঁক অভ্যৰ্থনা জনাবৰ উদ্দেশ্যেৰে "অসম প্ৰাদেশিক হিন্দু মহাসভা"ৰ পক্ষৰ পৰা স্থানীয় জৰ্জ্জ ফিল্ডত এখন ডাঙৰ সভামণ্ডপ সজা হয় আৰু তাতে তেওঁক অভ্যৰ্থনা জনোৱা হয়।

সেই সময় ছোৱাত যুদ্ধৰ দাবানল চৌদিশে জ্বলি উঠিছিল। বৃটিছ চৰকাৰে নানাৰকমৰ চল চাতুৰী কৰি, ভাৰতীয় ৰাইজৰ পৰা টকা পইছা আদি তুলি, যুদ্ধত খৰচ কৰিবলৈ পুঁজি সংগ্ৰহ কৰিছিল। অসমতো বিধান পৰিষদৰ মতামত নোলোৱাকৈয়ে সেইসময়ৰ অসমৰ প্ৰধানমন্ত্ৰী ছাদুল্লা চাহাবেও বৃটিছ গৱৰ্ণমেণ্টৰ যুদ্ধৰ ভৰালত, দুখীয়া অসমৰ ৰাজভৰালৰ পৰা একলাখ টকা দান দিলে।

বীৰ সাভাৰকাৰৰ অভ্যৰ্থনাৰ্থে সজা এই মণ্ডপৰ সুযোগ লৈ, সেই সময়ৰ কামৰূপ জিলাৰ ডেপুটী কমিশ্যনাৰ হামফ্ৰে চাহাবে এখন যুদ্ধ মেলাৰ আয়োজন কৰে। মণ্ডপৰ ভিতৰত এখন প্ৰদৰ্শনীও পতা হৈছিল আৰু লগতে কটন কলেজৰ বিজ্ঞান বিভাগৰ "লেবৰেটৰী"তো (পূৰ্বফালে থকা আই-এছ-চি, পদাৰ্থ বিজ্ঞানৰ লেবৰেটৰী) বিজ্ঞানৰ সা-সজুলীবোৰ লৈ, আন এখন প্ৰদশনী পতা হয়। পইচা লৈ এই প্ৰদৰ্শনী দেখুৱাৰ ব্যৱস্থা কৰা হৈছিল আৰু এইদৰে উঠা পইচাখিনি যুদ্ধ ভৰাললৈ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু এই প্ৰদৰ্শনী, —যুদ্ধৰ কাৰণে পইচা তোলাৰ অৰ্থে পতা বুলি প্ৰচাৰ কৰা হোৱা নাছিল। তথাপি ৰাইজে এই কথা জানিব পাৰি এই প্ৰদৰ্শনী চাবলৈ যোৱা নাছিল, যি দুই-চাৰিজন গৈছিল, তেওঁলোকেও কিবা নেদেখা বস্তু দেখাৰ আশাতহে গৈছিল; কিন্তু ৫ তাৰিখে আবেলি পানবজাৰ ছোৱালী হাইস্কুলৰ ছোৱালীবিলাকক এটা শোভাযাত্ৰা কৰি এই প্ৰদৰ্শনী দেখুৱাবলৈ লৈ যোৱা দেখি, প্ৰদৰ্শনীৰ সন্মুখত থকা সেই সময়ৰ ছাত্ৰ-ফেডাৰেশ্যনৰ কৰ্ম্মী শ্ৰীউত্তম তহবিলদাৰে কেইজনমান লৰাৰে সৈতে গৈ, ছোৱালীসকলক কিয় যুদ্ধ মেলাৰ কাৰণে পতা প্ৰদৰ্শনী চাবলৈ আহিছে বুলি সোধাত, তেওঁলোকে কলে যে—তেওঁলোকে এই বিষয়ে একো কব নোৱাৰে। কেৱল প্ৰধান শিক্ষয়িত্ৰীৰ আদেশমতেহে তেওঁলোক তালৈ আহিছে।

ছোৱালীসকলক এই দৰে প্ৰশ্ন কৰা দেখি স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীয়ে ছাত্ৰ ফেডাৰেশ্যনৰ কৰ্ম্মী কেইজনক টান কথাৰে তিৰস্কাৰ কৰে। ছাত্ৰ কৰ্ম্মীকেইজনে তেতিয়া একো নকৰি, তাৰ পৰা অলপ আতৰলৈ গল। ইতিমধ্যে সেই ঠাইৰ অলপ আঁতৰত বিখ্যাত কংগ্ৰেছ কৰ্ম্মী শ্ৰীহৰেশ্বৰ শৰ্ম্মাই সত্যাগ্ৰহ কৰি আছিল। ছাত্ৰ কৰ্ম্মী কেইজনে তেওঁলোকৰ মাজত আলচি ভাবিলে যে যেহেতু জনসাধাৰণে প্ৰদৰ্শনীত উঠা টকা-পইছা যুদ্ধলৈ যাব বুলি নজনাৰ কাৰণেহে দুই-চাৰিজন লোকে প্ৰদৰ্শনী চাবলৈ আহিছে, সেইকাৰণে জনসাধাৰণক এই কথাটো জনাই দিয়া দৰকাৰ। সেই উদ্দেশ্যেই তেওঁলোকে ওচৰতে থকা ছাত্ৰ-ফেডাৰেশ্যনৰ অফিচলৈ গৈ কিছুমান 'পোষ্টাৰ' লিখি প্ৰদৰ্শনী পতা ঠাইৰ চাৰিওফালে আৰি দিবলৈ আৰম্ভ কৰিলে আৰু লগে লগেই সকলে ভুল বুজি প্ৰদৰ্শনী চাবলৈ আহিছে, তেখেতসকলক বুজাই কলে যে এই প্ৰদৰ্শনীত উঠা টকা-পইছা—বৃটিছ গৱৰ্ণমেণ্টৰ যুদ্ধ ভৰাললৈ যাব আৰু সেই কাৰণে যুদ্ধ সমৰ্থন নকৰা কোনো লোকে এই প্ৰদৰ্শনী চাই বৃটিছ গৱৰ্ণমেণ্টক সহায় কৰা অনুচিত।

বৃটিছ গৱৰ্ণমেণ্টৰ অনুচৰ সকলে, ছাত্ৰ-কৰ্ম্মী কেইজনে জনসাধাৰণৰ ভুল ধাৰণা গুচাবলৈ কৰা এই প্ৰচাৰ, সহ্য কৰিব নোৱাৰিলে আৰু ছাত্ৰ-ফেডাৰেশ্যনৰ কৰ্ম্মীকেইজনৰ মাজৰ পৰা হঠাতে এজন কৰ্ম্মীক গ্ৰেপ্তাৰ কৰি হাজোতলৈ লৈ গল। কোনো অন্যায় নকৰাতো ছাত্ৰ-কৰ্ম্মীজনৰ ওপৰত কৰা এই অত্যাচাৰৰ কাৰণে ছাত্ৰ-সমাজৰ মাজত ভীষণ অসন্তোষৰ সৃষ্টি হল আৰু গ্ৰেপ্তাৰৰ এই বাতৰি বিজুলীবাতিৰ দৰে চহৰৰ চাৰিওফালে—বিশেষকৈ ছাত্ৰ-সমাজৰ মাজত বিয়পি পৰিল। দলে দলে ছাত্ৰসকল হাজোতলৈ গল আৰু গ্ৰেপ্তাৰ কৰা কৰ্ম্মীজনক দেখা কৰিলে। কটন কলেজৰ ছাত্ৰসকলে আহি দাবী কৰিলে যে কলেজৰ পঢ়াশুনাত ব্যাঘাত দি বিজ্ঞান লেবৰেটৰীত যি প্ৰদৰ্শনী পতা গৈছে, সেইটো বন্ধ কৰিব লাগে। বিজ্ঞান লেবৰেটৰীৰ ভিতৰত থকা সেই সময়ৰ কটন কলেজৰ অধ্যক্ষই প্ৰথমতে বিজ্ঞান লেবৰেটৰীত পতা প্ৰদৰ্শনী বন্ধ কৰিব নোৱাৰে বুলি কলে আৰু কলে যে তেওঁৰ নিৰ্দ্দেশ মতে উক্ত প্ৰদৰ্শনী পতা হোৱা নাই; পতা হৈছে ডেপুটি কমিছনাৰৰ নিৰ্দ্দেশত। ছাত্ৰসকলে তেতিয়া দাবী কৰিলে যে প্ৰিন্সিপেল মহোদয়ে ডেপুটি কমিছনাৰক জনাই দিব

লাগে যে বিজ্ঞান লেবৰেটৰীত প্ৰদৰ্শনী পতাৰ কাৰণে ছাত্ৰসকলৰ অশেষ ক্ষতি হৈছে আৰু সেই কাৰণে তেওঁ প্ৰদৰ্শনী বন্ধ কৰিবলৈ বিচাৰে। যদিও প্ৰথমে ডেপুটি কমিছনাৰক এই কথা জনাবলৈ তেওঁ অস্বীকাৰ কৰিছিল, পিচত শ শ কটন কলেজৰ ছাত্ৰৰ হেচা পাই, উপায়ান্তৰ নেদেখি ডেপুটি কমিছনাৰলৈ উক্ত মৰ্ম্মে এখন চিঠি লিখি দিলে আৰু পিচ দিনাখনৰ পৰা উক্ত প্ৰদৰ্শনী খোলা নহয় বুলি, ছাত্ৰ সকলক আশ্বাস দিলে—ফলত ছাত্ৰসকল তাৰ পৰা ঘৰাঘৰি গুচি গ'ল।

ছাত্ৰসকলে ভাবিছিল যে সচাকৈয়ে পিচদিনাৰ পৰা কলেজৰ বিজ্ঞান [লেব]ৰেটৰীত পতা প্ৰদৰ্শনী বন্ধ হব। কিন্তু পিচদিনা কলেজলৈ [গৈ] দেখিবলৈ পালে যে বিজ্ঞান লেবৰেটৰীত, কেইজনমান লোকক প্ৰদৰ্শনী উপলক্ষ্যে পতা Science experiment দেখুৱা হৈছে। ছাত্ৰসকলৰ মনত এই লৈয়েই অসন্তোষৰ সৃষ্টি হ'ল। কলেজৰ সন্মুখত তেতিয়া দলে দলে ছাত্ৰ গোট খাবলৈ ধৰিলে—আৰু যুদ্ধ বিৰোধী নানা ধ্বনি কৰিবলৈ ধৰে। সেই সময়ত কলেজত, কামৰূপ জিলাৰ ডেপুটী কমিছনাৰ মিঃ হামফ্ৰে চাহাব উপস্থিত আছিল। তেওঁ বাহিৰলৈ ওলাই আহিল। ছাত্ৰ সকলৰ লগত তেওঁৰ তৰ্ক বিতৰ্ক হয় আৰু শেষৰ মাজত উত্তেজিত হৈ তেওঁ, সেই সময়ৰ কটন কলেজৰে দুজন ছাত্ৰ শ্ৰীদিলীপ চক্ৰবৰ্ত্তী আৰু শ্ৰীউত্তম চন্দ্ৰ তহবিলদাৰক প্ৰহাৰ কৰে।

ডেপুটী কমিছনাৰৰ এই অশোভন ব্যৱহাৰৰ কাৰণে স্বাভাৱিক ভাবেই ছাত্ৰসকল উত্তেজিত হৈ উঠে। নিমিষৰ ভিতৰতে ছাত্ৰ সকলৰ মাজত কোচাল লাগি উঠিল। যিবিলাক শ্ৰেণীত পঢ়া চলি আছিল, সেই-বিলাকৰ পৰা ছাত্ৰ সকল ওলাই আহিল। ছাত্ৰ সকলে নানা-ৰকম ধ্বনি কৰিবলৈ ধৰিলে। তৎক্ষণাতে সেই সময়ত, ঠিক আজিৰ দৰে বিস্তৃত হৈ থকা কলেজৰ চাৰিও ফালে, এই খবৰ গল আৰু ছাত্ৰ সকলে দুজন ছাত্ৰক অপমান কৰাৰ প্ৰতিবাদ কৰে ধৰ্ম্মঘট কৰি শ্ৰেণীৰ পৰা ওলাই আহিল। তেতিয়া উপায় নেদেখি ডেপুটী কমিছনাৰ আৰু প্ৰিন্সিপেল মহোদয়ে পুনৰ বিজ্ঞান লেবৰেটৰীৰ ভিতৰ সোমাবলৈ চেষ্টা কৰিলে—বোধহয় ছাত্ৰ-সকলৰ ওপৰত কি ব্যৱস্থা লোৱা হয়, সেই কথা দুয়োজনে মিলি তাত আলোচনা কৰিবৰ মনেৰে। কিন্তু ছাত্ৰ সকলে ডেপুটি কমিছনাৰক লেবৰেটৰীৰ ভিতৰত সোমাবলৈ নিদিলে।

৬

ছাত্র সকলে ঠিক কৰিলে যে দুজন ছাত্ৰক যি অপমান কৰা হৈছে, সেই অপমান কেৱল দুজন ছাত্ৰকেই কৰা হোৱা নাই, কটন কলেজৰ সকলো ছাত্ৰকে এই অপমান কৰা হৈছে, সেই কাৰণে তেওঁলোকে তাৰ প্ৰতিবাদ কৰিব আৰু সেই উপলক্ষ্যে ধৰ্ম্মঘট কৰি শোভাযাত্ৰা কৰিব। অন্যান্য স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলক ধৰ্ম্মঘটত যোগ দিবলৈ আহ্বান জনোৱাটো ঠিক হল। কিন্তু কটন কলেজৰ এই ঘটনাৰ খবৰ পাই, ইতিমধ্যেই বিভিন্ন হাইস্কুলৰ ছাত্ৰসকলে ধৰ্ম্মঘট কৰাৰ সিদ্ধান্ত কৰিলে। কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলেৰে এটা ডাঙৰ শোভাযাত্ৰা আৰম্ভ হল আৰু এই শোভাযাত্ৰাত কলেজিয়েট হাইস্কুল, পানবজাৰ ছোৱালী হাইস্কুল আৰু বঙ্গালী হাইস্কুলে যোগ দিলে। শোভাযাত্ৰা অলপ আগ বাঢ়োতেই অলেখ বন্দুক আৰু বেয়নেটধাৰী পুলিচে শোভাযাত্ৰাটো বন্ধ কৰিবলৈ চেষ্টা কৰিলে, কিন্তু ছাত্ৰসকলে কোনো মতে শোভাযাত্ৰা ভঙ্গ কৰিবলৈ মান্তি নহল। তেওঁলোকে ডেপুটী কমিছনাৰক কলে যে, শান্তিপূৰ্ণ আৰু আইনসঙ্গত ভাবেই শোভাযাত্ৰা পৰিচালিত হব, যেনেস্থলত ইয়াক বাধা দিয়াটো অনুচিত। তেতিয়া ডেপুটি কমিছনাৰে—"বাৰু শান্তিপূৰ্ণ ভাবে গলে বাধা দিয়া নহয়" বুলি ছাত্ৰসকলক প্ৰতিশ্ৰুতি দি সিফালে আপোন ব্যৱস্থা কৰিবলৈ ধৰিলে। হামফ্ৰে চাহাবৰ বুকুত লুকাই থকা মাইকেল অ' ডায়াৰৰ প্ৰেতাত্মাই, অমৃতসৰত কেচাতেজৰ চেবুৰা বন্ধা আলিবাটৰ কল্পনাত কিৰিলি পাৰি উঠিল। বঙলাৰ পৰা থানালৈ গৈ, ৰিজাৰ্ভৰ পৰা শ শ বন্দুকধাৰী পুলিচ ঘটনাস্থলীলৈ পঠাই দিবলৈ কৈ, তেওঁ নিজেও গল আৰু ঠিক পল্টন বজাৰৰ ওচৰৰ 'কুলি ডিপো'ৰ সুৰ-সুৰিয়া বাটটোৰ, শিলং ৰাস্তাৰ পৰা অহা এটা আলিয়েদি আহি আগভেটা দি ধৰিলে আৰু শোভাযাত্ৰাকাৰী সকলক কোনো সতৰ্কবাণী নুশুনোৱাকৈয়ে পুলিচ বাহিনীক লাঠি চালনা কৰিবলৈ আদেশ দিয়া হল। অশিক্ষিত পুলিচ সকলে সেই সুযোগতে শোভাযাত্ৰাকাৰী সকলৰ ওপৰত অবিশ্ৰান্ত ভাবে লাঠি আৰু বেয়নেট চলাবলৈ ধৰিলে। শোভাযাত্ৰাকাৰী সকলৰ আগ ভাগত সৰু সৰু লৰা-ছোৱালী আৰু ছাত্ৰীসকলেই আছিল। তেওঁলোকক পিচলৈ অনাৰ চেষ্টা কৰা হৈছিল, কিন্তু সেইটো সমাধা নৌ হওতেই পুলিচৰ এই অন্যায় অত্যাচাৰ আৰম্ভ হল। ফলত শ শ ছাত্ৰ-ছাত্ৰীয়ে পুলিচৰ লাঠি আৰু বেয়নেটৰ আঘাতত আহত হল, কুলি ডিপোৰ ৰাজপথ, ছাত্ৰ-ছাত্ৰীসকলৰ তেজেৰে

ৰাঙলী হ'ল। ছাত্ৰ-ছাত্ৰীসকলে কাষতে থকা নৰ্দ্দমাত পৰিও পুলিচৰ হাতৰ পৰা ৰক্ষা নাপালে। এনেদৰে প্ৰায় আধাঘণ্টা কাল অবিৰাম ভাবে ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত লাঠি আৰু বেয়নেট চলোৱা হল। সেই সময়ত কেৱল শুনা গৈছিল লাঠিৰ ধুম ধাম শব্দ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কাতৰ বিননি। কিন্তু এই নৃশংস অত্যাচাৰেও শোভাযাত্ৰাকাৰীক বিচলিত কৰিব নোৱাৰিলে। হামক্ৰে চাহাবৰ নেতৃত্বতে এই নৃশংস অত্যাচাৰ চলিছিল—আৰু তেওঁ ছাত্ৰসকলৰ নামাকৰণ কৰি, পুলিচক তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰিবলৈ ইঙ্গিত দিয়া শুনা গৈছিল।

যদিও শোভাযাত্ৰাকাৰী সকলে তাৰ পৰা আগবাঢ়িব নোৱাৰিলে, তেওঁলোক তাৰ পৰা গৈ কটন কলেজৰ সন্মুখৰ চাৰ্চ্চ ফিল্ডত এখন সভা পাতিলে আৰু এই অত্যাচাৰৰ বিচাৰ কৰিবলৈ এখন নিৰপেক্ষ তদন্ত কমিটি নিয়োগ কৰিবলৈ দাবী কৰিলে। এই কমিটি নপতালৈকে ছাত্ৰসকলে ধৰ্ম্মঘট চলাই যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। ইতিমধ্যে শোভাযাত্ৰাত আহত হোৱা ছাত্ৰ ছাত্ৰীসকলেৰে কলেজৰ ডাক্তৰখানা ভৰি পৰিল। গোটেই চহৰতে এটা ভীষণ চাঞ্চল্যৰ সৃষ্টি হল—সকলোৱে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত কৰা এই অত্যাচাৰৰ কাৰণে গভীৰ দুখ প্ৰকাশ কৰিলে—বহুতৰে চকুলো ওলাল। যি সকল ছাত্ৰ-ছাত্ৰীয়ে বেছিকৈ আঘাত পাইছিল—তেখেতসকলৰ মাক-বাপেকৰ অৱস্থা অবৰ্ণনীয় হৈছিল। ত্ৰিশ জনমান ছাত্ৰ-ছাত্ৰীয়ে বেছি ৰকমে আঘাত পাইছিল আৰু প্ৰায় ডেৰশৰো ওপৰ ছাত্ৰ-ছাত্ৰী কম-বেচি পৰিমাণে ঘুণীয়া হল।

পিচদিনাখন এই অত্যাচাৰৰ প্ৰতিবাদকল্পে শ্ৰীনীলমণি ফুকনৰ সভাপতিত্বত এখন বিৰাট ৰাজহুৱা সভা হয়। সেই সভাতো, এই ঘটনাৰ বিচাৰ কৰিবলৈ এখন নিৰপেক্ষ তদন্ত কমিটি নিয়োগৰ দাবী কৰা হয়। ইতিপূৰ্ব্বে গুৱাহাটীত ইমান ডাঙৰ ৰাজহুৱা সভা আৰু শোভাযাত্ৰা হোৱা নাছিল বুলি জনা গৈছিল—তাৰোপৰি হিন্দু মুছলমান সকলোৱে মিলি ৭ ডিচেম্বৰ তাৰিখে গুৱাহাটীত ঘোৰাগাড়ী, মটৰগাড়ী, আদি নচলাই, দোকান বজাৰ আদি বন্ধ ৰাখি যি ধৰ্ম্মঘট পালন কৰিছিল, তেনে ধৰ্ম্মঘটো আগতে হোৱা নাছিল বুলি, বয়োবৃদ্ধ সকলে কৈছিল।

গুৱাহাটীৰ এই ঘটনাৰ বাতৰি যেতিয়া শিলং পাহাৰ পালে, তেতিয়াই (৬ ডিচেম্বৰ ৰাতি) লোকপ্ৰিয়, তেতিয়াৰ বিৰোধীদলৰ নেতা ৺গোপীনাথ

ৰবদলৈ প্ৰমুখ্যে কেবাজনো কংগ্ৰেছ নেতা গুৱাহাটীলৈ নামি আহিল আৰু ব্যক্তিগতভাৱে এই ঘটনাৰ অনুসন্ধান কৰিলে। 'কুলীডিপো'ৰ ঘটনাৰ তদন্ত সম্পৰ্কে তেখেতসকল যেতিয়া ৭ তাৰিখে ৰাতিপুৱা যায়, তেতিয়াও আগ-দিনাৰ তেজৰ চিন তাত পোৱা গৈছিল; যদিও ইতিমধ্যে ডেপুটী কমিছনাৰে সেই তেজৰ চিন ধুই নাইকিয়া কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল।

গুৱাহাটীৰ এই ঘটনাৰ বাতৰি তৎক্ষণাত অসমৰ চাৰিওফালে প্ৰচাৰিত হল। সকলো ঠাইৰে ছাত্ৰ-ছাত্ৰীসকলে তাৰ তীব্ৰ প্ৰতিবাদ জনাই ধৰ্ম্মঘট কৰি, সভা শোভাযাত্ৰা আদি কৰিলে আৰু নিৰপেক্ষ তদন্ত কমিটি গঠন নোহোৱালৈকে ধৰ্ম্মঘট চলাই থাকিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। কৰ্তৃপক্ষই ছাত্ৰ সকলৰ এই আন্দোলন ধ্বংস কৰিবলৈ সকলো উপায় অৱলম্বন কৰিলে। গুৱাহাটীৰ সকলো স্কুল কলেজ ২৩ ডিচেম্বৰলৈকে বন্ধ কৰি দিলে। আন্দোলনৰ নেতৃত্ব কৰা প্ৰায় ৩০ জন ছাত্ৰক গ্ৰেপ্তাৰ কৰিলে আৰু কটন কলেজৰ হোষ্টেলৰ ছাত্ৰসকলক, হোষ্টেল এৰি যাবলৈ নিৰ্দ্দেশ দিলে। কিন্তু ছাত্ৰসকলৰ আন্দোলন ধ্বংস নহল। কৰ্তৃপক্ষৰ এই বিলাক নিষ্পেষণৰ নীতিয়ে ছাত্ৰসকলৰ মাজত নতুন আন্দোলন চলাই যাবলৈ নতুন উৎসাহহে যোগান ধৰিলে। কটন কলেজৰ হোষ্টেলৰ ছাত্ৰ সকলে, হোষ্টেল এৰি যাবলৈ অস্বীকাৰ কৰিলে আৰু দিনে দিনে ৰাজহুৱা সভা পাতি তেওঁলোকৰ দাবী পূৰণ নোহোৱালৈকে ধৰ্ম্মঘট চলাই যাবলৈ সঙ্কল্প ঘোষণা কৰিলে। উপায় নেদেখি ডেপুটী কমিছনাৰে ১৩ ডিচেম্বৰ তাৰিখে ভাৰত ৰক্ষা আইনৰ ৫৬ (খ) ধাৰা জাৰী কৰি, গুৱাহাটীত কোনো সভা বা শোভাযাত্ৰা পাতিব নোৱাৰা কৰিলে। কিন্তু ছাত্ৰসকলেও, ক্ষান্ত নাথাকি, বুলেটিনৰ জৰিয়তে ছাত্ৰসকলৰ দৈনন্দিন ঘটনাৰ খবৰ দি, তেওঁলোকৰ সংগ্ৰাম চলাই যোৱাৰ কাৰণে দৃঢ় সঙ্কল্প ঘোষণা কৰিলে।

কলিকতাতো বঙ্গীয় প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যনৰ জৰীয়তে এই নিষ্পেষণৰ বিৰুদ্ধে দিন পালন কৰিলে আৰু সেই সময়ত কলিকতাত থকা কংগ্ৰেছ সভাপতি মৌলানা আজাদক ইয়াৰ প্ৰতিবাদ কৰিবলৈ দাবী জনালে। এই দৰেই আন্দোলন চলি থাকিল। ইতিমধ্যে ২৩ ডিচেম্বৰৰ পৰা বৰদিনৰ বন্ধ আৰম্ভ হল আৰু ২ জানুৱাৰী তাৰিখে পুনৰ স্কুল কলেজ বিলাক খুলিলে। সেইদিনাখনো ছাত্ৰ-ছাত্ৰীসকলে ধৰ্ম্মঘট চলাই থাকিল যদিও, কেইজনমান ছাত্ৰই সেইদিনাখন স্কুল কলেজত যোগ দিলে। এই

সময়তে অভিভাবক সকলৰ এখন সভা হয় আৰু তেওঁলোকৰ তৰফৰ পৰা ছাত্ৰসকলক আশ্বাস দিয়া হল যে ছাত্ৰসকলৰ দাবী বিলাক পূৰণ কৰিবলৈ তেওঁলোকে চেষ্টা কৰিব, সেই কাৰণে ছাত্ৰ-ছাত্ৰীসকল স্কুল কলেজলৈ যোৱা উচিত হব। কৰ্ত্তৃপক্ষৰ পৰা শিক্ষা বিভাগৰ ডাইৰেক্টৰে ছাত্ৰসকলক জনালে যে, ছাত্ৰসকলৰ ওপৰত ডেপুটী কমিছনাৰে যি মোকৰ্দ্দমা কৰিছে, সেইটো উঠাই লোৱা হব, গ্ৰেপ্তাৰ হোৱা ছাত্ৰবিলাকক মুক্তি দিয়া হব আৰু ছাত্ৰ-ছাত্ৰীবিলাকৰ ওপৰত কোনো শাস্তিমূলক ব্যৱস্থা অবলম্বন কৰা নহয়। অভিভাবক সকলৰ আৰু ডাইৰেক্টৰৰ এই আশ্বাস পাই, ছাত্ৰ-ছাত্ৰীসকলে ৫ জানুৱাৰী তাৰিখে, স্কুল-কলেজলৈ যাবলৈ সিদ্ধান্ত কৰে আৰু ইয়াৰ লগে লগে এই দীৰ্ঘকাল ব্যাপী হোৱা ছাত্ৰ-ধৰ্ম্মঘটৰ অবসান ঘটে।

গুৱাহাটীৰ এই ঘটনাৰ ইমান বিস্তৃত বিবৰণ কিয় দিয়া হল, তাৰ এটা কাৰণ আছে। ইয়াৰ আগতে অসমৰ ছাত্ৰ-আন্দোলন বুলিলে দুই এখন সভাত গ্ৰহণ কৰা প্ৰস্তাবকেই বুজোৱা হৈছিল। ছাত্ৰ ধৰ্ম্মঘটনো কি বস্তু, ইয়াৰ নো শক্তি কিমান, সেইকথা ছাত্ৰ-সকলে একেবাৰেই নাজানিছিল; ইয়াৰ কাৰণেই অসমত ছাত্ৰ-ধৰ্ম্মঘটৰ সংখ্যাও খুব কম আছিল। অবশ্যে এই ক্ষেত্ৰত ১৯৩০-৩২ চনৰ আন্দোলনৰ কথা বাদ দি ধৰা হৈছে। কিন্তু এই সংগ্ৰামৰ পিচত অসমৰ ছাত্ৰ-সমাজৰ মাজত এটা নতুন চেতনাৰ সৃষ্টি হল। তেওঁলোকে বুজিব পাৰিলে, তেওঁলোকৰ সমূহীয়া শক্তিৰ মূল্য কিমান— তেওঁলোকে বুজিলে ধৰ্ম্মঘট কি আৰু ইয়াৰ কিমান শক্তি। মুঠতে কবলৈ গলে বিয়াল্লিছৰ বিপ্লবত অসমৰ ছাত্ৰ-সকলৰ যি ৰূপ, সেই ৰূপ, ১৯৪১ চনৰ ৬ ডিচেম্বৰৰ এই ঘটনাই দিয়া ৰূপ। এই ঘটনাই অসমৰ ছাত্ৰ-আন্দোলনৰ মাজলৈ এটা ভীষণ পৰিবৰ্ত্তন আনি দিলে। কৰ্তৃপক্ষই আৰু গবৰ্ণমেণ্টে বুজিলে, ছাত্ৰ-সকলৰ আন্দোলনৰ ক্ষমতা কিমান—তেওঁলোকে বুজিলে অত্যাচাৰ উৎপীড়নে ছাত্ৰ-শক্তিৰ অপৰাজেয় ক্ষমতাক ধ্বংশ কৰিব নোৱাৰে, আনহাতে ই ছাত্ৰশক্তিৰ আন্দোলনক দৃঢ়তৰ কৰিহে তোলে।

পাটনা অধিবেশন

নাগপুৰ অধিবেশনৰ এবছৰৰ পাচত, সাত দিন অগা পিছাকৈ, পাটনাত দ্বিতীয় নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনৰ অধিবেশন বহে। শ্ৰী এম, এল,

শাহৰ জাতীয়তাবাদী ছাত্ৰ-ফেডাৰেশ্যনৰ—অধিবেশনৰ সভাপতিত্ব কৰিছিল স্বৰ্গীয় ইউছুফ মেহেৰালিয়ে আৰু কমিউনিষ্ট সকলৰ খনত স্লিওগ্ৰা ইফটি-কাৰ উদ্দিনে। কমিউনিষ্টপন্থী নিঃ ভাঃ ছাত্ৰ-ফেডাৰেশ্যনৰ এই অধিবেশনতে বিখ্যাত 'জনযুদ্ধ' প্ৰস্তাৱ গৃহীত হয়। এই প্ৰস্তাৱ গৃহীত হয় ১৯৪২ চনৰ ৫ জানুৱাৰী তাৰিখে। এই সম্পৰ্কে ১৯৪৫ চনৰ ১১ ছেপ্তেম্বৰ তাৰিখে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সদস্য শ্ৰীঅমৰকৃষ্ণ ঘোষে 'অমৃত বাজাৰ পত্ৰিকা'ত এটি প্ৰবন্ধত লিখিছিল:

"The 'Volte-face' however, came on 5th January, 1942; when by a resolution in Students Federation at Patna, the Communist party for the first time, declared this war as a peoples war."

বৃটিছ চৰকাৰে ভাল সুযোগকে পালে। তাৰ পিচদিনা অৰ্থাৎ ৬ জানুৱাৰী তাৰিখে All India Radio ৰ জৰিয়তে চৰকাৰে ঘোষণা কৰিলে—

"The Students of India declared this war as peoples war."

পাটনা অধিবেশনত অসমৰ প্ৰতিনিধিত্ব

৬ ডিচেম্বৰৰ পাচত অসম জুৰি হোৱা ছাত্ৰ আন্দোলনত সকলো কৰ্ম্মী ব্যস্ত থকাৰ সময়তে, পাটনাত নিঃ ভাঃ ছাত্ৰ ফেডাৰেশ্যনৰ অধিবেশন বহে। সেই সময়ত অসমৰ পৰা প্ৰতিনিধি নিৰ্ব্বাচন কৰাৰ কোনো ব্যৱস্থাই নহল। শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্য তেতিয়া কলিকতাত ছাত্ৰ। তেওঁ পাটনা অধিবেশনলৈ যাবৰ কাৰণে, অসমৰ পৰা দুই কি তিনিজন কমিউনিষ্ট মতাৱলম্বী ছাত্ৰক মাতি পঠালে। এই দৰেই কোনো নিৰ্ব্বাচন নোহোৱাকৈ অসমৰ পৰা কেইজনমান কমিউনিষ্ট স্বয়ংসম্ভু প্ৰতিনিধিয়ে পাটনাত বহা নিখিল ভাৰত ছাত্ৰ ফেডৰেশ্যনত (ফাৰুকীৰ দল) যোগ দিলে।

পাটনাত 'জনযুদ্ধ' প্ৰস্তাৱ গ্ৰহণ কৰাৰ পাচত, এই প্ৰতিনিধি সকলে আহি অসমত 'জনযুদ্ধৰ' সপক্ষে প্ৰচাৰ আৰম্ভ কৰিলে।

সদৌ অসম ছাত্ৰ-ফেডাৰেশ্যনত ভাঙনৰ সূত্ৰপাত

যি সাম্ৰাজ্যবাদী যুদ্ধৰ বিৰোধীতা কৰি অসমত ছাত্ৰ জাগৰণে দেখা দিলে, সেই যুদ্ধক একে নিশাই "জনযুদ্ধ" বুলি মানি লবলৈ অসমৰ ছাত্ৰ

সাধাৰণে ভাল নাপালে। অসমৰ পৰা যোৱা প্ৰতিনিধি বৃন্দই 'জনযুদ্ধৰ' প্ৰচাৰত উঠিপৰি লাগিল। অসমৰ ভিন ভিন চহৰত কমিউনিষ্ট পন্থী আৰু "জনযুদ্ধ বিৰোধী" ছাত্ৰৰ মাজত বাক বিতণ্ডা হবলৈ ধৰিলে। কমিউনিষ্ট ছাত্ৰসকলে ছাত্ৰ-ফেডাৰেশ্যনত যোগদান কৰাৰ উদ্দেশ্যই হৈছে—ইয়াক দখল কৰা। সেইকাৰণেই প্ৰায় সকলো ঠাইতে কাৰ্য্যনিৰ্ব্বাহক সমিতিত তেওঁ-লোকৰ সদস্য সংখ্যা বেচি আছিল। আনহাতে "জনযুদ্ধবিৰোধী তথা জাতীয়তাবাদী" ছাত্ৰসকলে বিশেষ ৰাজনৈতিক উদ্দেশ্য সাধনৰ উদ্দেশ্য আগত ৰাখি কাম কৰা নাছিল। গতিকেই তেওঁলোক আছিল অসংগঠিত শক্তি, অন্তৰত আছিল তেওঁলোকৰ এটা মিশ্যনেৰীৰ ভাব আৰু জাতীয়তাবাদৰ প্ৰেৰণা।

জনযুদ্ধ প্ৰস্তাৱ গ্ৰহণ হোৱাৰ পাচত—অসমৰ বিভিন্ন জিলাৰ ছাত্ৰ ফেডাৰেশ্যনৰ শাখা সমূহত ভাঙণে দেখা দিয়ে। বিভিন্ন জিলাত ইয়াৰ ভিন ভিন প্ৰতিক্ৰিয়া হবলৈ ধৰিলে।

গুৱাহাটীত : সাম্ৰাজ্যবাদী যুদ্ধৰ বিৰোধীতাৰ পুৰস্কাৰ স্বৰূপে পোৱা হামফ্ৰে চাহাবৰ লাঠীৰ কোব আৰু বেয়নেট চাৰ্জ্জৰ ঘা শুকাবলৈ নৌ পাওঁতেই গুৱাহাটীৰ ছাত্ৰ সাধাৰণে, সেইখন যুদ্ধকে কেনেকৈ "জনযুদ্ধ" বুলি আখ্যা দিব পাৰে? কমিউনিষ্ট মতাৱলম্বী ছাত্ৰ সকলে নানান প্ৰচাৰ কৰি যেতিয়া ছাত্ৰ সকলক নিজৰ ফলীয়া কৰিব নোৱাৰিলে, তেতিয়া কলে,—"এই নীতি প্ৰস্তাৱ আকাৰে লোৱা হোৱা নাই, বিবৃতি আকাৰেহে লোৱা হৈছে। যদি কোনো প্ৰাদেশিক ফেডাৰেশ্যনে ইয়াৰ বিৰোধীতা কৰিব খোজে তেনেহলে বিৰোধীতা কৰিব পাৰিব।" কিন্তু সেই সময়ৰ অঃ ছাঃ ফেডাৰেশ্যনৰ কাৰ্য্যনিৰ্ব্বাহক সভাৰ বেচি ভাগ সদস্যই "জনযুদ্ধ" নীতি সমৰ্থন কৰাৰ কাৰণে, এই নীতিৰ বিৰোধী ছাত্ৰ সকলে কাৰ্য্যনিৰ্ব্বাহকৰ পৰা ওলাই অহাৰ বাহিৰে আন একো গত্যন্তৰ নাথাকিল। শ্ৰীউত্তম চন্দ্ৰ তহবিলদাৰকে প্ৰমুখ্য কৰি কেইবাজনো ছাত্ৰ নেতা অঃ ছাঃ ফেডাৰেশ্যনৰ কাঃ নিঃ সমিতিৰ সদস্য পদ ত্যাগ কৰি ওলাই আহিল। তেওঁলোকে ছাত্ৰ ফেডা-ৰেশ্যনৰ বাৰ্ষিক অধিবেশন পাতি তাত এই প্ৰস্তাৱৰ বিৰোধীতা কৰিবলৈ মনস্থ কৰে।

ইতিমধ্যে তেওঁলোকে গুৱাহাটী জিলা ফেডাৰেশ্যনৰ অধিবেশন পাতিবলৈ মনস্থ কৰে। কিন্তু ১৯৪১ চনৰ ১৩ ডিচেম্বৰৰ পৰাই গুৱাহাটী

চহৰত ভাৰত ৰক্ষা আইনৰ ৫৬ (খ) ধাৰা জাৰি হোৱাত, সন্মিলন পতা সম্ভৱপৰ নহ'ল। কমিউনিষ্ট সকলেও চেষ্টা কৰিলে যাতে গুৱাহাটী জিলা ছাত্ৰ ফেডাৰেশ্যনৰ অধিবেশন, গুৱাহাটীত বা আন কোনো গাৱঁত পাতিব নোৱাৰে। গুৱাহাটী জিলা ছাঃ ফেডাৰেশ্যনৰ অধিবেশন পতাটো সম্ভৱপৰ হৈ নুঠিল। উপায়ান্তৰ হৈ "জনযুদ্ধ নীতি" বিৰোধী ছাত্ৰসকলৰ মুখপাত্ৰ হিচাবে শ্ৰীউত্তম চন্দ্ৰ তহবিলদাৰে "সাদিনীয়া অসমীয়াৰ" ১৯৪২ চনৰ ২১ ফেব্ৰুৱাৰী সংখ্যাত এটি বিবৃতি দিয়ে। এই বিবৃতিয়েই সেই সময়ৰ জাতীয়তাবাদী ছাত্ৰ সকলৰ চিন্তাধাৰাৰ অভিব্যক্তি বুলি বিবেচনা কৰি, তলত তাৰ কিছু অংশ তুলি দিয়া হ'ল।

"সাম্ৰাজ্যবাদ আৰু ফেছিবাদৰ মাজত আমাৰ কোনোটোৱেই বাছি লবলগীয়া নাই। ফেছিবাদে দেশৰ পাচত দেশ অধিকাৰ কৰি, অত্যাচাৰ চলাইছে আৰু সাম্ৰাজ্যবাদেও আজি দুশ বছৰে, আমাক কি কৰিলে তাক প্ৰত্যেক ভাৰতবাসীয়ে জানে। ফেছিবাদৰ বিভীষিকাৰ কথা আমি শুনিছো, সাম্ৰাজ্যবাদৰ অত্যাচাৰ আমি দিনে ৰাতিয়ে সহ্য কৰি আছো। এনে অৱস্থাত সাম্ৰাজ্যবাদ ফেছিবাদতকৈ ভাল নে ফেছিবাদ সাম্ৰাজ্যবাদতকৈ ভাল—এই প্ৰশ্ন নুঠে। জনসাধাৰণৰ যুদ্ধ বুলি ঘোষণা কৰিও, তাত আমি সহায় কৰিম বুলি কলে, আমাক সাম্ৰাজ্যবাদে বিশ্বাস নকৰে আৰু যুদ্ধ কৰিবলৈ আমাক সুবিধাও নিদিয়ে। * * *

ছাত্ৰ ফেডাৰেশ্যন ছাত্ৰ সকলৰ এখন উমৈহতীয়া অনুষ্ঠান। কোনো এটা ৰাজনৈতিক দলৰ মতবাদ পৰীক্ষা কৰা কাৰখানা নহয়। কোনোবাই কোনো দলগত ৰাজনৈতিক মতবাদ ছাত্ৰ ফেডাৰেশ্যনত প্ৰচাৰ কৰিব খুজিলেও তাক ছাত্ৰ সমাজে সহ্য নকৰে। * * *

মই আশাকৰো সকলো ছাত্ৰ-ছাত্ৰীয়ে প্যাটনাৰ বিবৃতিটো ভালদৰে পঢ়ি চাই, নিজৰ নিজৰ পথ বাচি লব, আনৰ ফুচুলনিত যেন কোনোৱে নিজৰ মত এৰি নিদিয়ে।" * * *

এই বিবৃতিতে অসমৰ ছাত্ৰসকলক অঃ ছাঃ ফেডাৰেশ্যনৰ বছেৰেকীয়া অধিবেশন পাতিবলৈ কাৰ্য্যকৰী ব্যৱস্থা হাতত লবৰ কাৰণেও আহ্বান জনোৱা হ'ল।

এই দৰেই গুৱাহাটী ছাত্ৰ ফেডাৰেশ্যনত ভাঙনে দেখা দিলে।

যোৰহাটত—যোৰহাট জিলা ছাত্ৰ সন্মিলন গঠিত হয় ১৯৩৪ চনত। তেতিয়াৰে পৰা স্বতন্ত্ৰ ভাবে থাকি ১৯৩৯ চনত, অসমৰ আনবিলাক ছাত্ৰ অনুষ্ঠানৰ আগতে, যোৰহাট, নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনৰ অন্তর্ভূক্ত হয় আৰু ১৯৩৯ চনত অসম ছাত্ৰ-সন্মিলনৰ ভিতৰুৱা হয়। কিন্তু ১৯৪১ চনত নিঃ ভাঃ ছাঃ ফেডাৰেশ্যনে জনযুদ্ধ প্ৰস্তাৱ লোৱাত যোৰহাট ছাত্ৰ-সন্মিলনে তাৰ বিৰোধীতা কৰি, ১৯৪১ চনত বহা শিৱসাগৰৰ জিলা অধিবেশনত, এই জনযুদ্ধ প্ৰস্তাৱ নাকচ কৰে আৰু ৪২ চনত যোৰহাটত বহা সদৌ অসম ছাত্ৰ-সন্মিলনৰ সভাত এই প্ৰস্তাৱৰ বিৰোধীতা কৰি সভাগৃহ ত্যাগ কৰে।

তেজপুৰত—পাটনালৈ যোৱা অসম ছাত্ৰ-ফেডাৰেশ্যনৰ প্ৰতিনিধিৰ ভিতৰত তেজপুৰৰ শ্ৰীৰমেশচন্দ্ৰ শৰ্ম্মাও এজন। তেওঁৰ দ্বাৰা লোন প্ৰথমতে প্ৰচাৰ কৰা হৈছিল যে পাটনাত এই জনযুদ্ধ প্ৰস্তাৱ, সপক্ষে ছশ আৰু বিপক্ষে খুব কম ভোটৰ দ্বাৰা গৃহীত হৈছিল। কিন্তু কিছুদিনৰ পাচত জনা গ'ল যে এই প্ৰস্তাৱ গ্ৰহণ কৰা হোৱা নাছিল—বিবৃতি আকাৰহে গ্ৰহণ [illegible]। পাটনাৰ পৰা আহিয়েই শ্ৰীশৰ্ম্মাই তেজপুৰৰ ছাত্ৰ সমাজত সেই প্ৰস্তাৱ বজাবলৈ [illegible] হ'ল। লাহে লাহে সেই প্ৰস্তাৱৰ বিৰুদ্ধে তেজপুৰৰ ছাত্ৰসকল জাগি উঠিল। কিছুদিনৰ পাচত তেজপুৰৰ টাউন হলত ছাত্ৰসকলৰ সভা বহে। এই সভাত প্ৰস্তাৱৰ সপক্ষে শ্ৰীৰমেশ চন্দ্ৰ শৰ্ম্মাই আৰু বিপক্ষে শ্ৰীপ্ৰভাত চন্দ্ৰ বৰুৱাই বক্তৃতা কৰিছিল। ছাত্ৰ সাধাৰণৰ মত শ্ৰীবৰুৱাৰ পক্ষে আছিল। আলোচনাৰ অন্তত শ্ৰীপ্ৰভাত চন্দ্ৰ বৰুৱাই প্ৰস্তাৱটো ভোটিং দিবলৈ আহ্বান কৰে। কিন্তু শ্ৰীশৰ্ম্মা তাত মান্তি নহৈ, সেই বিষয়ক সিদ্ধান্ত মূলতুবী ৰাখিবলৈ অনুৰোধ জনায়। সভা মূলতুবী ৰখা হয়। কিন্তু বহুত চেষ্টা কৰাৰ ফলতো, সেই মূলতুবী সভা আৰু পাতিব পৰা ন'গল। কমিউনিষ্ট সকলে সভা পাতি এনে সিদ্ধান্ত লোৱাৰ ঠাইত—ছাত্ৰ সকলক ব্যক্তিগত ভাবে নিজৰ মতলৈ আনাৰ ওপৰত জোৰ দিলে। ছাত্ৰ ফেডাৰেশ্যনৰ এনে কাৰ্য্যত ছাত্ৰ সাধাৰণ ক্ষুণ্ণ হ'ল।

ইয়াৰ বাহিৰেও বিভিন্ন জিলাত কমিউনিষ্ট সকলে নানান প্ৰচাৰ কাৰ্য্য চলাই জনযুদ্ধ প্ৰস্তাৱ ছাত্ৰ সকলৰ মূৰৰ ওপৰত জাপি দিবৰ প্ৰয়াস কৰে। প্ৰত্যেক ঠাইতে তেওঁলোকে ছাত্ৰ সকলৰ পৰা পূৰ্ণ সমৰ্থন লাভ কৰিবলৈ অক্ষম হৈছিল।

আগষ্ট আন্দোলন

১৯৪২ চনৰ ৯ আগষ্ট তাৰিখে নিশা ৮-৫৫ মিনিট যোৱাত মহাত্মা গান্ধীকে প্ৰমুখ্য কৰি, ভাৰতবৰ্ষৰ নেতাসকলক গ্ৰেপ্তাৰ কৰা হয়। এই গ্ৰেপ্তাৰৰ প্ৰতিবাদ কল্পে অসমৰ ছাত্ৰ সাধাৰণে ধৰ্ম্মঘট কৰিবলৈ সাজু হ'ল। অসমৰ প্ৰতি খন ঠাইৰ পৰা পোৱা সেই সময়ৰ বাতৰিৰ পৰা জনা যায় যে ফেডাৰেশ্যনৰ কমিউনিষ্ট পন্থী ছাত্ৰ সকলে সকলো ঠাইতে ধৰ্ম্মঘট ভাঙিবৰ কাৰণে অক্লান্ত প্ৰাণপণ চেষ্টা কৰিলে। কিন্তু অসমৰ যুবক সাধাৰণৰ বিপ্লবী চেতনাৰ জোৱাৰ ৰোধ কৰিব তেওঁলোকে নোৱাৰিলে। ছাত্ৰ সাধাৰণ আন্দোলনত জপিয়াই পৰিল ছাত্ৰ-দল চহৰ এৰি গাৱে-ভূঞে সোমাই গৈ শান্তি সেনা, মৃত্যু সেনা বাহিনীৰ সৈনিক হিচাবে ভৰ্ত্তি হ'লগৈ। কমিউনিষ্ট সকলে এই সুযোগ এৰি নিদিলে। ছাত্ৰ ফেডাৰেশ্যনত জাতীয়তাবাদী ছাত্ৰ* সকলৰ অনুপস্থিতিৰ সুযোগত তেওঁলোকে ছাত্ৰ ফেডাৰেশ্যন দখল কৰি ৰাখিলে জাতীয় আহ্বানত কংগ্ৰেছৰ নেতৃত্বত আন্দোলনত জপিয়াই পৰা ছাত্ৰ দলে—ছাত্ৰ-ফেডাৰেশ্যনকে লৈ ব্যস্ত হৈ থাকিব নোৱাৰা হ'ল

আগষ্ট আন্দোলনত কমিউনিষ্ট পাৰ্টিৰ ভূমিকা সুবিদিত। Armed insurrection ৰ ধ্বজাবাহী কমিউনিষ্ট পাৰ্টিয়ে ভাৰতীয় জনসাধাৰণলৈ আগবঢ়ালে হিন্দু মুছলিম ঐক্য আৰু নেতৃবৃন্দৰ মুক্তিৰ কাৰণে চহী সংগ্ৰহ আচনি। কমিউনিষ্ট সকলে তিনটা প্ৰধান ক্ষেত্ৰ বাচি ললে কাম কৰিবলৈ। এটা হ'ল—ছাত্ৰ সকল, আনটো হ'ল শ্ৰমিকসকল। কমিউ-নিষ্ট পাৰ্টিৰ বশৱৰ্ত্তী ছাত্ৰ ফেডাৰেশ্যনে ছাত্ৰ সাধাৰণৰ অন্তৰত জ্বলি উঠা বৈপ্লবীক চেতনাক নোহোৱা কৰিবলৈ চেষ্টা কৰিলে—"হিন্দু মুছলিম ঐক্য"ৰ কাৰণে চহী সংগ্ৰহৰ কাৰ্য্য হাতত লৈ দি।

ইতিমধ্যে অসমলৈ বঙ্গদেশৰ পৰা ছাত্ৰনেতা আমদানি হল। তেনে এজন 'নেতা' আছিল শ্ৰীনিতাই গাঙ্গুলী। তেওঁ কমিউনিষ্ট পাৰ্টিৰ, ছাত্ৰ সংগঠন বিভাগৰ পূৰ্ব্বাঞ্চলৰ সংগঠক আছিল। অসমৰ

---

* "জনযুদ্ধ" প্ৰস্তাৱৰ বিৰোধী আৰু আন্দোলনৰ সময়ত কংগ্ৰেছৰ নেতৃত্বৰ প্ৰতি আনুগত্য স্বীকাৰ কৰা ছাত্ৰসকলক "জাতীয়তাবাদী ছাত্ৰ" আখ্যা দিয়া হৈছে।

প্ৰায় প্ৰতি চহৰতে তেওঁৰ পদাৰ্পন হৈছিল। ছাত্ৰ ফেডাৰেশ্যনক হাত কৰিবৰ কাৰণে আৰু জাতীয় আন্দোলনৰ পথা ছাত্ৰ সকলক আঁতৰাই ৰাখিবৰ কাৰণে সকলো প্ৰচেষ্টাই তেওঁ কৰিছিল।

নৱীয়া পাটীৰ পৰা ত্যাগবীৰৰ নেতৃত্ব

১৯৪২ চনৰ আন্দোলন কেনেভাবে পৰিচালিত হৈছিল—সেই কথা আজি যুৱক সাধাৰণে হয়তোবা নাজানে। সেই সময়ত আন্দোলনৰ সকলো বন্ধোৱাৰ গুৰি আছিল ত্যাগবীৰ হেমবৰুৱা। নৱীয়া পাটীৰ পৰাই তেখেতে অসমৰ আন্দোলনক [illegible] পৰিছিল। অনিশ্চয়তাৰ আন্ধাৰৰ বুকত বিভিন্ন [illegible] পৰিছিল, তেতিয়া সেই [illegible] পৰামৰ্শ দিছিল ত্যাগবীৰে। ত্যাগবীৰৰ উদ্দীপনা [illegible] প্ৰেৰণা যোগাইছিল।

[illegible] গুৱাহাটীৰ [illegible] নৱীয়া পাটিত এজন বেমাৰী [illegible] পালন কৰিব লাগিল।” ৰাতি-টোৰ [illegible] গ্ৰহ্ছ কমিটিৰ নামত “স্বাধীনতাৰ সঙ্কল্প” [illegible] চোৰাচোৰাৰ চকুত ধূলি দি—অসমৰ গাৱে ভুঁয়ে [illegible] হ’ল। ১৯৪৩ চনৰ ২৬ জানুৱাৰী পালনৰ কাৰণে অসমৰ [illegible] ভাৱে যুৱকবৃন্দ, তৎপৰ হ’ল।

কিন্তু [illegible] চৰকাৰৰ [illegible] সভা-সমিতি পতা সম্ভৱ পৰ নহয় [illegible] নাছিল [illegible] চাৰি পাচজন লগ হৈ—স্বাধীনতাৰ সঙ্কল্প লোৱা হ’ল। ১৯৩০ চনৰে পৰা গ্ৰহণ কৰা স্বাধীনতাৰ সঙ্কল্প ১৯৪৩ চনতো লোৱা হল। ১৯৪৩ চনত গুৱাহাটীৰ পৰা ত্যাগবীৰে অসমৰ গাৱে ভুঁয়ে পঠোৱা স্বাধীনতা সঙ্কল্পৰ পূৰ্ণ পাঠ তলত দিয়া হ’ল।

“আমি বিশ্বাস কৰো যে আন আন দেশৰ অধিবাসী বিলাকৰ দৰে ভাৰতবাসীৰো আত্মবিকাশৰ পূৰ্ণ সুযোগ লাভ কৰিবলৈ, স্বাধীনতা লাভ কৰিবৰ, নিজ পৰিশ্ৰমৰ দ্বাৰা অৰ্জ্জিত সম্পত্তি ভোগ কৰিবৰ আৰু জীৱন ধাৰণৰ উপযোগী উপকৰণ পাবৰ অধিকাৰ আছে। আমি আৰু বিশ্বাস কৰো যে যদি কোনো গবৰ্ণমেণ্টে, কোনো জাতিক এইবোৰ অধিকাৰৰ পৰা বঞ্চিত কৰে আৰু নিৰ্য্যাতন কৰে, তেন্তে সেই জাতিৰ সেই গবৰ্ণমেণ্ট সলনি বা ধ্বংস কৰিবৰ অধিকাৰ আছে। বৃটিছ গবৰ্ণ-

মেণ্টে ভাৰতবাসীক কেৱল স্বাধীনতাৰ পৰা বঞ্চিত কৰিয়েই এৰা নাই। জনসাধাৰণৰ শোষণৰ ওপৰত নিজক প্ৰতিষ্ঠা কৰি, ভাৰতবৰ্ষৰ সভ্যতা আৰু অৰ্থনৈতিক, ৰাজনৈতিক আৰু আধ্যাত্মিক উন্নতিৰ সৰ্ব্বনাশ কৰিছে। গতিকে ভাৰতৰ পক্ষে বৃটিছৰ লগত সম্পৰ্ক ছিঙি পূৰ্ণ স্বাধীনতা লাভ কৰাৰ বাহিৰে আন উপায় নাই—এয়ে আমাৰ বিশ্বাস।

ভাৰতৰ অৰ্থনৈতিক সৰ্ব্বনাশ হৈছে। আয়ৰ তুলনাত বহুতো বেচি কৰ আমাৰ মানুহৰ পৰা আদায় কৰা হয়। এই কৰৰ হেচাত ভাৰতৰ দুখীয়া জনসাধাৰণৰ ককাল ভাঙি গৈছে। বাণিজ্য আৰু অৰ্থনীতি এনে [illegible] পৰিচালনা কৰা হৈছে যে তাৰ ফলত খেতিয়কসকলৰ বোজা আৰু বাঢ়িছে। আমাৰ দেশলৈ আমদানী হোৱা সৰহখিনি বস্তুৱেই ইংলণ্ডত তৈয়াৰী। বাণিজ্য কৰ ধাৰ্য্য কৰাৰ পদ্ধতি যে বৃটিছ শিল্পৰ প্ৰতি পক্ষপাতি, সেইটো দেখিলেই বুজিব পাৰি। সেই কৰ দুখীয়া ৰাইজৰ উপকাৰৰ কাৰণে খৰচ নকৰি, ব্যয়বহুল শাসনতন্ত্ৰ আৰু সাম্ৰাজ্যবাদী যুদ্ধ পৰিচালনাৰ বাবে খৰচ কৰা হয়। ভাৰতৰ মুদ্ৰানীতি, সাম্ৰাজ্যবাদী স্বেচ্ছাচাৰিতা আৰু স্বাৰ্থপৰতাৰ [illegible] পৰিচায়ক। তাৰ ফলত ভাৰতৰ [illegible] নৱজাগৰণৰ আন্দোলনৰ [illegible] প্ৰাণ হেৰুৱাইছে।

বৃটিছ শাসনৰ তলত ভাৰতৰ ৰাজনৈতিক অৱস্থা যিমান হীন হৈছে, তেনে হীনৱস্থা আৰু কেতিয়াও হোৱা নাই। কোনো শাসন সংস্কাৰেই ভাৰতবৰ্ষক প্ৰকৃত ৰাজনৈতিক অধিকাৰ দিয়া নাই। আমাৰ মাজৰ শ্ৰেষ্ঠতম পুৰুষ পৰ্য্যন্ত বিদেশী শাসকৰ ওচৰত অৱনত হব লাগে। আমি স্বাধীন মত প্ৰকাশ আৰু স্বাধীন ভাৱে সভা সমিতি পতাৰ অধিকাৰৰ পৰা বঞ্চিত। সভ্যতা আৰু সংস্কৃতিৰ ফালৰ পৰা চাবৰ হলে, বিদেশী শিক্ষা প্ৰণালীয়ে আমাক নিজস্ব ভাৱধাৰাৰ পৰা আঁতৰ কৰিছে। তাৰ ফলত বিডাল শিকলিয়ে আমাক দাসত্ব বান্ধোনেৰে হাতে ভৰিয়ে বান্ধি থৈছে, সেই শিকলিকেই আমি আদৰ কৰিবলৈ শিকিছোঁ।

বাধ্যতামূলক নিৰস্ত্ৰীকৰণে আমাৰ সৰ্ব্বনাশ কৰি, আমাক কাপুৰুষ কৰিছে। আমাৰ প্ৰতিৰোধ কৰিবৰ ক্ষমতা ধ্বংস কৰিবৰ উদ্দেশ্যে নিযুক্ত কৰা বিদেশী সৈন্যৰ উপস্থিতিৰ ফলত, আমি নিজক বিদেশী আক্ৰমণৰ পৰা ৰক্ষা কৰিবৰ, আনকি চোৰ ডকাইতৰ হাতৰ পৰা আমাৰ ঘৰ-দুৱাৰ আৰু বাই ভনীসকলৰ সন্মান ৰক্ষা কৰিবলৈকে অসমৰ্থ বুলি ভাবিবলৈ ধৰিছোঁ।

যি শাসন পদ্ধতিয়ে আমাৰ দেশৰ সৰ্ব্বতোপ্ৰকাৰ সৰ্ব্বনাশ কৰিছে, সেই বিদেশী শাসনৰ তলত এক মূহুৰ্ত্ত বাস কৰাও, আমি আমাৰ মনুষ্য আৰু ঈশ্বৰৰ ওচৰত অপৰাধ বুলি ভাবো। আমি ইয়াকো বিশ্বাস কৰো যে স্বাধীনতা অৰ্জ্জনৰ বাবে হিংসাই প্ৰকৃত পন্থা নহয়। গতিকে আমি দৃঢ়তাৰে সৈতে প্ৰতিজ্ঞা কৰিছো যে আমি বিদেশী শাসকৰ সৈতে সকলো প্ৰকাৰ স্বেচ্ছামূলক সহযোগিতা পৰিত্যাগ কৰিবলৈ সাজু আৰু পূৰ্ণ স্বাধীনতা প্ৰতিষ্ঠাৰ কাৰণে কংগ্ৰেছ মহাসভাই যেতিয়াই যি নিৰ্দ্দেশ দিয়ে, তাক প্ৰাণপনে পালন কৰিবলৈ প্ৰস্তুত।"

অসম ছাত্ৰ ফেডাৰেশ্যনৰ 'জনযুদ্ধ পন্থী' সকলে এই সঙ্কল্পত কিবা আসোঁৱাহ পালে। তেওঁলোকে নিবিচাৰিছিল যে অসমৰ যুবক সাধাৰণ এই সঙ্কল্পৰ ভাবৰ দ্বাৰা উদ্বুদ্ধ হওক। সেইকাৰণে অসম ছাত্ৰ ফেডাৰেশ্যনৰ সেই কালৰ সম্পাদক বুলি বৰ্ণিত শ্ৰীচিদা শইকীয়াৰ (তেওঁ কেতিয়া কোন সভাত সম্পাদক হ'ল জনা নাযায়, কিয়নো জনযুদ্ধ প্ৰস্তাৱ গ্ৰহণ হোৱাৰ পাচত ১৯৪৫ চনৰ ২১, ২২ আৰু ২৩ জুন তাৰিখেহে নগাৱঁত ছাত্ৰ সন্মিলনৰ ২৪শ বাৰ্ষিক বুলি কথিত বছেৰেকীয়া অধিবেশন হৈছিল) দ্বাৰা প্ৰচাৰিত এখন ইস্তাহাৰত দেশপ্ৰেমিক ছাত্ৰলৈ স্বাধীনতা দিবসৰ প্ৰতিজ্ঞা পঠোৱা হ'ল। সেই প্ৰতিজ্ঞা পত্ৰখন পঢ়িলেই সেই সময়ত ছাত্ৰ ফেডাৰেশ্যনে কেনে বিধৰ বিপথে কৰিছিল বুজিব পাৰি।

ইস্তাহাৰখনত আছিল:—

* * * —"তেন্তে আহক আজি সকলো দেশপ্ৰেমিক ছাত্ৰই "স্বাধীনতা দিবসত" প্ৰতিজ্ঞা কৰো—

—আমাৰ শিক্ষা আমি ধ্বংস হবলৈ নিদিওঁ। আমি আমাৰ শিক্ষা ৰক্ষা কৰিমেই। অসমৰ খাদ্যচোৰ বিলাকৰ বিৰুদ্ধে থিয় দি জনগণৰ খাদ্য ৰক্ষাৰ কাৰণে সকলো দেশ প্ৰেমিক দলৰ ঐক্য গঢ়ি তুলিম।

—বঙ্গদেশৰ দুৰ্ভিক্ষ সোনকালেই অৱসান কৰিবৰ কাৰণে ৰিলিফ কমিটি গঠন কৰি বঙ্গদেশত গঢ়ি উঠা ঐক্যক সবল কৰিম।

—কংগ্ৰেছ লীগক ঐক্যবদ্ধ কৰি অচল অৱস্থা দূৰীকৰণাৰ্থে আৰু জাপ প্ৰতিৰোধ কৰিবলৈ, জাতীয় গৱৰ্ণমেণ্ট আদায়ৰ কাৰণে জাতীয় নেতাক মুক্ত কৰিম।

অসম আজি আসন্ন জাপ আক্ৰমণৰ সন্মুখত। গতিকে আমাৰ সময় কম, কৰ্ত্তব্য মহান। এই সকলোবোৰ সমাধা কৰি দেশক প্ৰকৃত পথত পৰিচালনা কৰি ৰক্ষা কৰিবলৈ হলে সকলো দেশপ্ৰেমিক ছাত্ৰকেই **"নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনৰ"** তলত সমবেত কৰিব লাগিব। * * *

পঞ্চম বাহিনীৰ চক্ৰান্ত ব্যৰ্থ কৰক :

যদি কোনোৱে সত্যাগ্ৰহৰ কথা কয়, তেতিয়া চাব লাগিব আজি এই সত্যাগ্ৰহৰ অৰ্থ কি? এই সত্যাগ্ৰহে আমাক দেশ ৰক্ষাত বা জনগণক ৰক্ষাত সহায় নকৰে। বৰ্ত্তমান খাদ্য সঙ্কট বা জাতীয় সঙ্কটত পৰি আমাৰ শিক্ষা বিপন্ন। সেই শিক্ষা ৰক্ষাৰ কাৰণে আমি যুঁজিব লগা হৈছে। তেনেস্থলত সত্যাগ্ৰহৰ পথ লৈ সেই শিক্ষা ধ্বংস হবলৈ দি আমোলাতন্ত্ৰক কিয় সুযোগ দিম? কাৰণ আমোলাতন্ত্ৰই আজি আমাৰ শিক্ষানুষ্ঠান বন্ধ কৰিবলৈহে বিচাৰে। কংগ্ৰেছে আমাক শিকাইছে—জনগণৰ সমস্যা লৈ যুঁজ কৰিবলৈ আৰু জনগণক শক্তিশালী কৰিবলৈ। তেন্তে আমি কিয় সত্যাগ্ৰহৰ পথ লৈ, জনগনৰ এই মহা বিপদৰ সময়ত, শিক্ষাৰ এই বিপন্ন অৱস্থাত দায়িত্ব এৰা দিম।

আজি এই সময়ত দমন নীতিক প্ৰশ্ৰয় দিয়া আমাৰ লক্ষ্য নহয়। ......পুলিচৰ লগত সংঘৰ্ষ কৰোৱা আজি দেশ প্ৰেমিকৰ কাম নহয—পঞ্চম বাহিনীৰ দলেইহে দমন নীতিৰ মুখত পেলাই দেশত অৰাজকতা সৃষ্টি কৰি বিদেশী শত্ৰুক বাট দিয়ে। * * *

দেশপ্ৰেমিক ছাত্ৰ সকল :

আজি স্বাধীনতা দিবসত আপোনাৰ কৰ্ত্তব্য সুস্পষ্ট। আপুনি দেশপ্ৰেমিক। আপোনাৰ দেশপ্ৰেমে আজি দেশক কেতিয়াও ধ্বংশৰ মুখত পৰিবলৈ নিদিয়ে। সেই দেখি আজি আপুনি "স্বাধীনতা দিবস"ত ৰণধ্বনি কৰক—"অসম ছাত্ৰ-ফেডাৰেশ্যনক সকলো দেশপ্ৰেমিক ছাত্ৰৰ সম্মিলিত শক্তিৰে গণ প্ৰতিষ্ঠানত পৰিণত কৰিম।" * * *

এই ইস্তাহাৰেই ফটফটীয়াকৈ দেখুৱাইছে—কমিউনিষ্ট মতাবলম্বী ছাত্ৰ ফেডাৰেশ্যনৰ কৰ্ম্মীবৃন্দৰ সেইকালৰ মনোভাব। ....বৃটিছ চৰকাৰৰ বিৰুদ্ধে এষাৰী মাত নামাতি, সকলো দোষ "পঞ্চম বাহিনী"ৰ (অৰ্থাৎ

বিপ্লৱত অংশ গ্ৰহণকাৰী সকল) গাতেই পেলোৱাৰ ভাব অসমৰ ছাত্ৰ-আন্দোলনৰ নামত ডেই পুৰি যোৱা ছেকা বুলি ভাবিবৰ যথেষ্ট যুক্তি আছে।

আগষ্ট বিপ্লৱৰ পৰবৰ্ত্তী কালত ভাৰতৰ ছাত্ৰ আন্দোলনৰ ধাৰা

ভাৰত ত্যাগ প্ৰস্তাৱৰ ফল স্বৰূপে গোটেই ভাৰতবৰ্ষতে যি গণ আন্দোলন হয়, তাত নিঃ ভাঃ ছাঃ ফেডাৰেশ্যনে (এম,এল শ্বাহৰ জাতীয়তাবাদী দল) যোগদান কৰে। কৰ্ম্মীবৃন্দ গাৰে ভূক্তে সোমাই পৰে। ছাত্ৰসকলে নিজকে কংগ্ৰেছ কৰ্ম্মী তথা 'আগষ্টাচ' হিচাবে গঢ়ি তোলে। প্ৰতিক্ৰিয়াশীল কমিউনিষ্ট মতাৱলম্বী এম, এন, ফাৰুকীৰ দলৰ নিঃ ভাঃ ছাঃ ফেডাৰেশ্যনে বৈধ ছাত্ৰ প্ৰতিষ্ঠান হিচাবে কাম কৰিবলৈ লয়। কিন্তু এওঁলোকৰ বিপ্লৱবিৰোধী কাৰ্য্যাৱলীৰ কাৰণে, সকলো ঠাইতে জনপ্ৰিয়তা হেৰুৱাই প্ৰচাৰবাদী আন্দোলন কাৰী ৰূপে স্থিতি লয়গৈ।

আগষ্ট আন্দোলনে ভাৰতৰ ছাত্ৰ সমাজ আলোড়িত কৰি তোলে। জাতীয়তাবাদী নিঃ ভাঃ ছাঃ ফেডাৰেশ্যনৰ কৰ্ম্মীবৃন্দ, আন্দোলনৰ প্ৰাৰম্ভতে কাৰাৰুদ্ধ হয়। কোনো কোনো কৰ্ম্মী পলাতক অৱস্থাত থাকিব লগীয়া হয়। বাহিৰত যি সকল ছাত্ৰ আছিল, তেওঁলোকে কমিউনিষ্টৰ প্ৰতিক্ৰিয়াশীল নীতিৰ বিৰুদ্ধে যি আন্দোলন চলায়। কিন্তু হলে কি হব। নতুন লৰা সেই সকল। সংগঠনৰ মাজত তেওঁলোক নাই। তেওঁলোকে সংগঠন গঢ়ি তুলিবলৈ মনস্থ কৰিলে। আৰু বিভিন্ন প্ৰদেশত স্থানীয় সা-সুবিধা বুজি জাতীয়তাবাদী ছাত্ৰসকলে নিজ অনুষ্ঠান গঢ়ি তুলিলে। এই দৰেই মাদ্ৰাজত **"নেশ্যনেলিষ্ট ষ্টুডেণ্টছ অৰ্গেনিজেশ্যন"** (এই অনুষ্ঠানক পিচত চৰকাৰে অবৈধ বুলি ঘোষণা কৰে) বোম্বাইত **"বম্বে ষ্টুডেণ্টছ ইউনিয়ন"** নামে অনুষ্ঠান গঢ়ি উঠে। এই অনুষ্ঠান বিলাকৰ উদ্দেশ্য আছিল—জাতীয় আন্দোলনক সাফল্যমণ্ডিত কৰি তোলা আৰু প্ৰতিক্ৰিয়াশীল তথাকথিত কমিউনিষ্ট সকলক ছাত্ৰ সমাজৰ পৰা আঁতৰোৱা। ঠিক সেইদৰে একে উদ্দেশ্যকে লৈ ১৯৪৩ চনৰ জুন মাহত বঙ্গদেশত, আন্দোলন সমৰ্থনকাৰী সকলো ছাত্ৰক লৈ **"ইউনাইটেড ষ্টুডেণ্টছ এছোচিয়েছন"** গঠিত হয়। বঙ্গদেশৰ এই অনুষ্ঠানত বিভিন্ন মতাৱলম্বী ছাত্ৰ থাকিলেও

তেওঁলোকৰ দুটা কথাত মিল আছিল । সি হৈছে—আন্দোলনৰ প্ৰতি আস্থা—আৰু তথাকথিত কমিউনিষ্ট সকলৰ প্ৰতিক্ৰিয়াশীল কৰ্ম্মপদ্ধতিৰ প্ৰতি অশ্ৰদ্ধা ।

ইয়াৰ পাচত বিভিন্ন প্ৰদেশৰ জাতীয়তাবাদী ছাত্ৰ অনুষ্ঠান বিলাকৰ মাজত যোগাযোগ স্থাপন কৰিবৰ প্ৰয়োজন অনুভূত হয় । প্ৰাদেশিক ভেটিত যদিও বিভিন্ন প্ৰদেশত ছাত্ৰ অনুষ্ঠান সংগঠিত হৈছিল তথাপি সৰ্ব্বভাৰতীয় ছাত্ৰ সংগঠন এটা নোহোৱা হ'ল । জাতীয়তাবাদী নিঃ ভাঃ ছাঃ ফেডাৰেশ্যনেও, আন্দোলনৰ কালছোৱাৰ ভিতৰত যোগাযোগ স্থাপন কৰিবলৈ সমৰ্থ হোৱা নাছিল । সেই কাৰণে ১৯৪৪ চনৰ এপ্ৰিল মাহত নাগপুৰত জাতীয়তাবাদীছাত্ৰ অনুষ্ঠান সমূহৰ প্ৰতিনিধি সকল লগ হৈ আগৰ ছাঃ ফেডাৰেশ্যনক নকৈ সংগঠিত নকৰি, সৰ্ব্বভাৰতীয় ভেটিত এটা নতুন ছাত্ৰ অনুষ্ঠান গঢ়িবলৈ সিদ্ধান্ত কৰে । এই সভাতে সৰ্ব্বসন্মতিক্ৰমে সিদ্ধান্ত হয় যে এই ছাত্ৰ অনুষ্ঠানৰ নাম **"নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছ"** হব । এই নাগপুৰ সন্মিলনত এই কথা খোলোছা ভাবে জনাই দিয়া হ'ল যে যি সৰ্ব্বভাৰতীয় অনুষ্ঠান সংগঠিত হবলৈ গৈছে—সেই অনুষ্ঠানত কোনো দলকেই দলগত মনোভাব লৈ সোমাবলৈ দিয়া নহয় । কোনো ৰাজনৈতিক দলৰ মুখপাত্ৰ হিচাবে নিঃ ভাঃ ছাঃ কংগ্ৰেছে কাম নকৰে—একমাত্ৰ জাতীয় কংগ্ৰেছৰ নেতৃত্বত বিশ্বাসী ছাত্ৰসকলক লৈহে ছাত্ৰ কংগ্ৰেছ গঠিত হব ।

বঙ্গদেশৰ বাহিৰে আন প্ৰদেশত ছাত্ৰ সকলৰ মাজত ৰাজনৈতিক দলাদলি কম । প্ৰতি প্ৰদেশতে দুটা দলৰ ছাত্ৰ মাথোন দেখা যায় । এটা হ'ল কমিউনিষ্ট পন্থী আৰু আনটো কংগ্ৰেছৰ নেতৃত্বত বিশ্বাসী দল । ইয়াৰ বাহিৰে কোনো কোনো প্ৰদেশত আন দুই এটা দল থাকিলেও সিহঁতৰ সংখ্যা বৰ কম । জাতীয়তাবাদী নিঃ ভাঃ ছাঃ ফেডাৰেশ্যন সম্পূৰ্ণৰূপে আছিল—কংগ্ৰেছ সমৰ্থক ছাত্ৰ সকলৰ হাতত । সেই কাৰণে আন্দোলনৰ পাচত জাতীয়তাবাদী ফেডাৰেশ্যনৰ কাৰাৰুদ্ধ কৰ্ম্মীবৃন্দ যেতিয়া জেলৰ পৰা ওলাই আহিল, তেতিয়া যিবিলাক কংগ্ৰেছত বিশ্বাসী ছাত্ৰই, ছাত্ৰ কংগ্ৰেছ গঠন কৰিছিল, তেওঁলোকৰ লগত কাম কৰিবলৈ অকনো ইতস্ততঃ নকৰিলে । গতিকে আগৰ জাতীয়তাবাদী নিঃ ভাঃ ছাঃ ফেডাৰেশ্যন আৰু নব প্ৰতিষ্ঠিত ছাত্ৰ কংগ্ৰেছৰ মাজত মকামিলা হ'ল যে যিবিলাক ঠাইত

জাতীয়তাবাদী ছাত্র ফেডাৰেশ্যন আছে—তাত নতুনকৈ ছাত্ৰ কংগ্ৰেছ গঠন নকৰি ছাত্ৰ কংগ্ৰেছৰ সমৰ্থক ছাত্র সকলে সেই ছাত্র ফেডাৰেশ্যনত যোগ দিব আৰু ছাত্র ফেডাৰেশ্যনেও তাৰ পিচৰ অধিবেশনত "ফেডা-ৰেশ্যন" নাম গুচাই "ছাত্র কংগ্ৰেছ" কৰিব।

ইয়াৰ পিচতেই ১৯৪৪ চনৰ ডিচেম্বৰৰ শেষত আৰু ১৯৪৫ চনৰ জানুৱাৰীৰ প্ৰথম ভাগত বোম্বাইত নিখিল ভাৰত জাতীয়তাবাদী ছাত্র ফেডাৰেশ্যনৰ অধিবেশন আহ্বান কৰা হয়—আৰু তাতেই নিখিল ভাৰত ছাত্র কংগ্ৰেছ আনুষ্ঠানিক ভাবে গঠিত হয়।

সদৌ অসম ছাত্র ইউনিয়ন

আগষ্ট আন্দোলন নাম কটাৰ পাছত এই আন্দোলনত অংশ গ্ৰহণকাৰী অসমৰ ছাত্র সকল আকৌ ছাত্র সমাজৰ মাজত সোমাই পৰিলহি। তেওঁলোকে সাধাৰণ ছাত্রৰ লগত আলাপ আলোচনা চলাই গম পালে যে সৰ্ব্বসাধাৰণ ছাত্র—কমিউনিষ্ট ছাত্র ফেডাৰেশ্যনে আগষ্ট আন্দোলনত যি ভূমিকাৰ অভিনয় কৰিলে, তাৰ কাৰণে বিতুষ্ট হৈ আছে। নতুন উৎসাহ উদ্দীপনাৰ মাজেৰে ছাত্রসকলৰ সকলো দাবী দাৱাৰ আগত জাতীয়তাবাদী ছাত্রসকলে ক্ৰমাৎ অগ্ৰসৰ হ'ল। ইয়াৰ পৰিণতি স্বৰূপে কটন কলেজৰ নিৰ্ব্বাচনত জাতীয়তাবাদী ছাত্র সকলে বিপুলভাবে—সৰ্ব্বসাধাৰণ ছাত্ৰৰ সহযোগ পালে। জাতীয়তাবাদী ছাত্র সকলৰ মনত আকৌ ভৰষা উদং দি আহিল।

অসম ছাত্র ফেডাৰেশ্যনৰ ৰূপ, জাতীয়তাবাদী ছাত্র সকলে ভালকৈ চিনিব পাৰিছিল। কমিউনিষ্টৰ কথা মতে দহ বুলিলে দহ, পছি বুলিলে পছিয়েই আছিল তেওঁলোকৰ নীতি। কিন্তু জাতীয়তাবাদী ছাত্র সকলে বুজিছিল যে ছাত্র সকলৰ ঐক্যবদ্ধ শক্তিহে—চৰকাৰৰ বিৰুদ্ধে থিয় দিবলৈ সক্ষম হব। অসমৰ ছাত্র আন্দোলনৰ পৰা কমিউনিষ্ট কৰ্ত্তৃত্ব নোহোৱা কৰিবৰ মানসেৰে ১৯৪৫ চনৰ অক্টোবৰ মাহত জাতীয়তাবাদী ছাত্র সকলৰ তৰফৰ পৰা অসম ছাত্র ফেডাৰেশ্যনৰ কৰ্ম্মকৰ্ত্তাসকলক জনোৱা হ'ল যে, তেওঁলোকে যদি নিখিল ভাৰত ছাত্র ফেডাৰেশ্যনৰ পৰা সকলো সম্পৰ্ক ছেদ কৰে তেনেহলে—জাতীয়তাবাদী ছাত্র সকলে ছাত্র ফেডাৰেশ্যনত যোগদান দিব। কিন্তু কমিউনিষ্ট ছাত্র সকল তাত মান্তি নহল।

সেই কাৰণেই ১৯৪৪ চনৰ ২৭ নবেম্বৰ তাৰিখে গুৱাহাটীত জাতীয়তাবাদী ছাত্ৰ সকলৰ এখন সভা হয়। এই সভাত ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ পৰামৰ্শ আৰু আশীৰ্ব্বাদ শিৰত লৈ সদৌ অসম ছাত্ৰ ইউনিয়ন গঠন কৰা হয়।

জাতীয়তাবাদী ছাত্ৰসকলৰ দ্বাৰা সদৌ অসম ছাত্ৰ ইউনিয়ন গঠন হৈছে বুলি বাতৰি কাকতত খবৰ প্ৰকাশ হোৱাৰ লগে লগে, অসমৰ নগৰে চহৰে, গাৱেঁ ভূঞেঁ, স্কুলে স্কুলে—ছাত্ৰ ইউনিয়নৰ শাখা স্থাপন হোৱাৰ খবৰ আহিবলৈ ধৰিলে। অসমৰ ছাত্ৰ আন্দোলনৰ ক্ষেত্ৰত, ই এটা অতি ৰোমাঞ্চকৰ অভিজ্ঞতা। দুই এঠাইৰ বাহিৰে সংগঠন কৰিবৰ কাৰণে পোনতে কলৈকো যাব লগা হোৱা নাছিল। অসমৰ ছাত্ৰ সকল যেন বাট চাই আছিল এই নেতৃত্বৰ কাৰণে। মঙ্গলদৈকে আদি কৰি বহুতো ঠাইৰ ছাত্ৰসকলে ছাত্ৰফেডাৰেশ্যন ভাঙি দি ছাত্ৰ ফেডাৰেশ্যনৰ গোটেই শাখায়েই ছাত্ৰ ইউনিয়নত যোগদান কৰিলে। ঠিক এনেদৰেই প্ৰবল বানপানীৰ দৰে সদৌ অসম ছাত্ৰ ইউনিয়নে গোটেই অসম শিপাই পেলালে।

সদৌ অসম ছাত্ৰ ইউনিয়নৰ প্ৰথম বাৰ্ষিক অধিবেশনৰ গুৱাহাটী চহৰত ১৯৪৫ চনৰ গৰমৰ বন্ধত বহে। এই অধিবেশনলৈ অসমৰ প্ৰায় সকলো চহৰৰে পৰা প্ৰতিনিধি আহিছিল। অধিবেশনৰ বিষয় বাছনি সভাত ছাত্ৰ ইউনিয়নৰ উদ্দেশ্য ঠিক কৰা হয়। ইয়াত ঘোষণা কৰা হয় "জাতীয় আন্দোলনৰ সময়ত, ছাত্ৰ ইউনিয়নে কংগ্ৰেছৰ নেতৃত্ব দ্বিধাহীন চিত্তেৰে মানি লব।"

অধিবেশনৰ সভাপতিত্ব কৰে, জেলৰ পৰা সদ্যমুক্ত কংগ্ৰেছ নেতা শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীয়ে। শ্ৰীভাগৱতীৰ উদ্দীপনাময়ী ভাষণে, অসমৰ ছাত্ৰ সকলৰ প্ৰাণত, স্তিমিত হৈ পৰা প্ৰেৰণা, দুগুণে জ্বলাই তুলিলে। সভাপতিয়ে অসমৰ ছাত্ৰ সমাজলৈ আহ্বান জনাই কলে—"পৰাধীন দেশৰ কাৰণে, ৰাজনীতি, সমাজ নীতি, কেৱল এটাহে হব পাৰে। সিয়েই হৈছে দেশৰ মুক্তিৰ নীতি। আচনিও পৰাধীন দেশৰ কাৰণে এখনহে হব পাৰে—সি হৈছে দেশৰ মুক্তিৰ কাৰণে প্ৰাণ আহুতিৰ আচনি। পৰাধীন দেশৰ ডেকা দলৰ কাৰণে, আন সকলো বিষয়ৰ চিন্তা, দ্বিতীয় বিচাৰ্য্য বিষয়হে।" সৰ্ব্বশেষত তেওঁ অসমৰ ছাত্ৰ সমাজক সদৌ অসম

ছাত্র ইউনিয়নৰ অন্তর্ভুক্ত হৈ দেশৰ ক্রমবর্দ্ধমান জাতীয় চেতনা জীপ দি, কৰ্ম্মসাগৰত জঁপিয়াই পৰিবলৈ আহ্বান জনায়।

ছাত্র ইউনিয়নে অভূতপূর্ব্ব ভাৱে প্রসাৰ লাভ কৰি আহিছিল যদিও, পোন প্রথমতে কংগ্রেছৰ নেতাসকলে ইউনিয়নক ভাল চকুৰে চোৱা নাছিল। কিন্তু তেতিয়াৰ অসম কংগ্রেছৰ সভাপতি মৌলানা মহম্মদ তৈয়বুল্লা ৩২ মাহ কাৰাভোগৰ পাচত ওলাই আহি, বাজহুৱা ভাৱে ছাত্র ইউনিয়নক সমর্থন কৰি বিভিন্ন পা-পৰামর্শ আগ বঢ়ালে।

গান্ধীজীৰ অসম আগমন

১৯৪৫ চনৰ জানুৱাৰী মাহত গান্ধীজী গুৱাহাটীলৈ আহোঁতে ছাত্র-ইউনিয়নৰ স্বেচ্ছাসেৱক আৰু সেৱিকা সকলে যি কৰ্ম্ম কুশলতাৰ পৰিচয় দিয়ে, তাৰ কাৰণে ছাত্র-ইউনিয়নক গুৱাহাটীবাসী ৰাইজে ভূয়সী প্রশংসা কৰে। গান্ধীজীৰ আশ্রমৰ শৃঙ্খলা ৰক্ষা, প্রার্থনাত সমবেত হোৱা হাজাৰ হাজাৰ লোকৰ সমাগম শৃঙ্খলাবদ্ধভাৱে ৰখা আদি যাৱতীয় কামত ছাত্র-ইউনিয়নৰ কৰ্মীসকলে বিশেষ যোগ্যতাৰ পৰিচয় দিছিল। কেউদিন ধৰি দিনে নিশাই ছাত্র ইউনিয়নৰ সেৱক সকলে আশ্রমত পহৰা দিয়ে। মহিলা সকলৰ সভাত স্বেচ্ছাসেৱিকা সকলে বিশেষ ভাৱে কাম কৰে। তেখেত সকলে প্রার্থনাৰ সময়ত মহিলা সকলৰ শৃঙ্খলা ৰক্ষাত অপৰিসীম কার্য্যক্ষমতাৰ পৰিচয় দিয়ে। গান্ধীজীয়ে ছাত্র-ইউনিয়নৰ কার্য্যদক্ষতাৰ পৰিচয় পাই তলত লিখা বাণীটি দিয়ে। "ছাত্র ইউনিয়নৰ স্বেচ্ছাসেৱক সকলৰ কাম দেখি মই সন্তোষ পাইছোঁ। মই তেওঁলোকক মোৰ আশীর্বাদ জনাইছো।"

কংগ্রেছ আৰু অন্যান্য ৰাজনৈতিক দলৰ লগত সম্বন্ধ

ৰাজনৈতিক দল সম্পর্কে ছাত্র ইউনিয়নৰ মতামত কি আছিল, সেই সম্পর্কে ইউনিয়নৰ ১ নং প্রচাৰ পত্রিকাৰ পৰা তলৰ কথাখিনি হুবহু তুলি দিয়া হ'ল।

"ভাৰতীয় জাতীয় কংগ্রেছেই ভাৰতৰ পদদলিত চল্লিশ কোটি মানুহৰ একমাত্র ভৱিষ্যৎ আশা আৰু আন্তৰিক মুক্তি আকাঙ্খাৰ জীৱন্ত প্রতিক। কংগ্রেছ মহাসভাৰ জাতীয় নেতৃত্বত ছাত্র-ইউনিয়নৰ সম্পূর্ণ আস্থা আছে। এই আস্থাই কেৱল কংগ্রেছৰ ১৯৪২ চনৰ ৮ আগষ্টৰ ভাৰত ত্যাগ প্রস্তাৱৰ ওপৰতে আস্থা নুবুজায়—স্বৰূপতে ই ছাত্রইউনিয়নৰ গঠন আৰু চৰিত্রকো নির্দ্দেশ কৰে। কিন্তু এইটো কথাও জনোৱা উচিত যে ছাত্র-ইউনিয়ন

কংগ্ৰেছৰ দৰে এটা বেলেগ সমকক্ষ (parallel) অনুষ্ঠান নহয়। ইয়াৰ কাৰ্য্যকলাপ বেলেগ আৰু সীমাবদ্ধ। সেই কাৰণে কংগ্ৰেছৰ কামত ই বেলেগ আচনি দিব নোৱাৰে। কংগ্ৰেছে কৰিব খোজা কোনো কামৰ সপক্ষে বা বিপক্ষে তাৰ কোনো সংশোধনী মত দাঙি ধৰিবৰ অধিকাৰ ছাত্ৰ-ইউনিয়নৰ আছে, কিন্তু কংগ্ৰেছৰ ঘোষিত সিদ্ধান্তৰ (declared decision) বিৰুদ্ধে ছাত্ৰ-ইউনিয়ন নাযায়। সেই কাৰণে তেনেকুৱা ঘোষিত নীতিৰ বিৰুদ্ধে ছাত্ৰ ইউনিয়নৰ কোনো সভ্যই কাম কৰিব নোৱাৰিব। আৰু যদি কোনো সভ্যই তেনেকুৱা কোনো কাম কৰে, তেনেহলে নিয়ম অনুসাৰে সেই সভ্যৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লব পাৰিব।

হয়তো কোনো ঠাইত স্থানীয় জিলা কংগ্ৰেছ নাইবা প্ৰাথমিক কংগ্ৰেছে সেই ঠাইত ছাত্ৰ-ইউনিয়ন থকাতো আন ছাত্ৰ অনুষ্ঠান গঢ়িবলৈ চেষ্টা কৰিব পাৰে। কিন্তু তেনে কৰিলে ছাত্ৰ সমাজৰ উমৈহতীয়া স্বাৰ্থৰ ক্ষতি কৰা হব। তাৰ ফল হব দলাদলিৰ সৃষ্টি। অঃ প্ৰাঃ কংগ্ৰেছৰ কাৰ্য্যনিৰ্বাহক সমিতিয়ে ছাত্ৰ-ইউনিয়নৰ গঠনক সদৰি (welcome) কৰিছে আৰু আশা কৰিছে যাতে অসমৰ ছাত্ৰ সমাজে কংগ্ৰেছৰ পতাকাৰ তলত একগোট হৈ জাতীয় স্বাধীনতাৰ যুদ্ধত কংগ্ৰেছক সহায় কৰে। ছাত্ৰ ইউনিয়নে জাতীয় স্বাধীনতাৰ সংগ্ৰামৰ সময়ত কংগ্ৰেছৰ নেতৃত্বকেই মানি চলিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে। সেইকাৰণে ছাত্ৰ-ইউনিয়নেও আশা কৰে যাতে, জিলা আৰু প্ৰাথমিক কংগ্ৰেছ অনুষ্ঠানবিলাকে ছাত্ৰ-ইউনিয়নৰ বিৰোধী কোনো দলক সহায় নকৰি ছাত্ৰ-ইউনিয়নকেই অধিকতৰ শক্তিশালী কৰাৰ চেষ্টা কৰে। কাৰণ জাতীয় স্বাধীনতাৰ সংগ্ৰাম শক্তিশালী কৰি তোলাৰ পথ হৈছে ছাত্ৰ-সমাজৰ ভিতৰত দলাদলিৰ সৃষ্টি নকৰি একেখন পতাকাৰ তলত সমবেত কৰি ছাত্ৰ সমাজক স্বাধীনতাৰ সংগ্ৰামত আগভাগ লবলৈ প্ৰস্তুত কৰা। আমি আশা কৰো ছাত্ৰ-ইউনিয়নেই যে অসমৰ ছাত্ৰসকলৰ একমাত্ৰ অনুষ্ঠান তাক স্বীকাৰ কৰি লব। তাৰ পৰিবৰ্ত্তে আমি দিম স্বাধীনতা সংগ্ৰামত কংগ্ৰেছক সকলো প্ৰকাৰৰ সহায়। এইকাৰণেই আমি আশা কৰো জাতিৰ স্বাৰ্থ নিহিত কোনো বিশেষ কামৰ কাৰণে কংগ্ৰেছে যিবোৰ ছাব কমিটি আদি পাতে সেইবোৰত যেন ছাত্ৰ ইউনিয়নৰো একোজন প্ৰতিনিধি লয়। সেই প্ৰতিনিধিবিলাকে সদৌ অসম ছাত্ৰ ইউনিয়নৰ নিয়ম আৰু শৃঙ্খলা মানি চলিব।

ছাত্র ইউনিয়নে বিশ্বাস কৰে ভাৰতৰ স্বাধীনতাৰ সংগ্ৰামৰ নেতৃত্ব অকল ভাৰতীয় জাতীয় কংগ্ৰেছেহে দিব পাৰে, কাৰণ এই জাতীয় কংগ্ৰেছেই জাতি-ধৰ্ম্ম নিৰ্ব্বিশেষে ৪০ কোটি ভাৰতবাসীৰ একমাত্ৰ অনুষ্ঠান। ছাত্ৰ ইউনিয়নে ইয়াকো বিশ্বাস কৰে যে ছাত্ৰ সমাজৰ নিজস্ব চিন্তাধাৰাৰ পূৰ্ণবিকাশ হব লাগিলে কোনো ৰাজনৈতিক দলৰ প্ৰভাব নথকা ছাত্ৰ-সকলৰ এটা স্বকীয়া অনুষ্ঠানৰ দৰকাৰ আৰু সেইকাৰণেই ছাত্ৰ ইউনিয়নৰ জন্ম। ছাত্ৰ অনুষ্ঠান কোনো ৰাজনৈতিক দলৰ নেজ হোৱা ছাত্ৰ ইউনিয়নে বাঞ্ছা নকৰে। কোনো কোনোৱে কয় ছাত্ৰ ইউনিয়ন ৰাজনৈতি দলৰ নেজ। কিন্তু ইয়াৰ পিছত থকা অসমৰ বিৰাট ছাত্ৰ সমাজৰ সমৰ্থন আৰু দিনে দিনে বাঢ়ি অহা ইযাৰ শক্তিৰ পৰাই বুজিব পাৰি সি সম্পূৰ্ণ ভুল। ছাত্ৰ ইউনিয়ন কোনো ৰাজনৈতিক দলৰ নেজ নহয়, ই এটা সম্পূৰ্ণ স্বাধীন অনুষ্ঠান। কোনো ব্যক্তি বিশেষ বা কোনো দল-বিশেষৰ কোনো প্ৰভাৱ ছাত্ৰ ইউনিয়নে সহ্য নকৰে। তেনে কোনো চেষ্টা চলিলে তাত বাধা দিব।

ছাত্ৰৰ সমস্যা:

(ক) দেশৰ স্বাধীনতাৰ সংগ্ৰামত যাতে ছাত্ৰ সমাজে যথোচিত অংশ গ্ৰহণ কৰিব পাৰে তাৰ বাবে তেওঁলোকক প্ৰস্তুত কৰা।

(খ) ছাত্ৰ সমাজৰ অধিকাৰ ৰক্ষাৰ বাবে চেষ্টা কৰা।

(গ) স্বাধীনতা যুদ্ধৰ পথত বিবিলাক সমস্যা আছে, তাৰ বিষয়ে আৰু দেশৰ অন্যান্য সাময়িক সমস্যাৰ কাৰণে কাম কৰা।

(ঘ) বৰ্ত্তমান শিক্ষাপদ্ধতিৰ দোষাদোষ সম্বন্ধে সচেতন হৈ ছাত্ৰ সমাজে যাতে প্ৰকৃত শিক্ষা লাভ কৰিব পাৰে তাৰৈ চকু ৰখা।

(ঙ) ছাত্ৰ সমাজৰ নৈতিক, শাৰীৰিক আৰু মানসিক উৎকৰ্ষতা সাধনৰ কাৰণে চেষ্টা কৰা।

আমি আশা কৰো যিসকল ছাত্ৰই ছাত্ৰ ইউনিয়নৰ ওপৰত ভুল বুজি এতিয়াও ইয়াৰ বাহিৰত আছে, তেওঁলোকে এই ঘোষণাৰপৰা ছাত্ৰ ইউ-নিয়নৰ প্ৰকৃত তথ্য বুজি পাব আৰু ইউনিয়নত যোগ দি বিৰাট ছাত্ৰ আন্দোলন গঢ়ি তোলাত সহায় কৰিব।"

নেহৰুৰ অসম ভ্ৰমণ

১৯৪৫ চনৰ ডিছেম্বৰ মাহৰ প্ৰথম সপ্তাহত শ্ৰীজৱাহৰলাল নেহেৰুৱে অসম পৰিভ্ৰমণ কৰে। তেখেতক ছাত্ৰ ইউনিয়নৰ তৰফৰ পৰা গুৱাহাটীৰ স্কুল-কলেজৰ ছোৱালীসকলে সন্মান প্ৰদৰ্শন (Guard of Honour) কৰে। ছাত্ৰসকলে কেইবাটাও ফৌজ গঠন কৰে। সভাস্থলত হাজাৰ হাজাৰ মানুহৰ শৃঙ্খলাৰক্ষা কৰাত তেওঁলোকৰ কাম শলাগিব লগীয়া। মানুহক সেৱা-শুশ্ৰূষা আৰু পানী-চুনিৰ যোগান ধৰাত ছাত্ৰসকলৰে গঠিত "ৰেডক্ৰছ বাহিনী" বিশেষ তৎপৰ আছিল। সেৱিকা বাহিনীৰ কাম দেখি সকলোৱে প্ৰশংসা কৰিছিল। অসমৰ প্ৰত্যেক ঠাইতে এনেদৰে ছাত্ৰ ইউনিয়নৰ কৰ্ম্মীসকলৰ দ্বাৰা গঠিত সেৱক আৰু সেৱিকা বাহিনীবিলাকে সকলো সভাতে শৃঙ্খলা ৰক্ষা কৰাত বিশেষ সহায় কৰিছিল। ডিব্ৰুগড় ছাত্ৰ ইউনিয়নৰ কামত মুগ্ধ হৈ নেহেৰুজীয়ে ডিব্ৰুগড় ইউনিয়নক এই বুলি আশীৰ্ব্বাদ দিয়ে—"My best wishes are with Dibrugarh Students' Union."

অসমৰ ছাত্ৰ আন্দোলনৰ বিষয়ে নেহেৰুৱে প্ৰায় কুৰি মিনিট কাল ছাত্ৰ ইউনিয়নৰ কৰ্ম্মীসকলৰ লগত খিলঙত আলোচনা কৰে। সেই সময়ত ছাত্ৰসকলৰ কৰ্ত্তব্য কি এই বিষয়েও নেহেৰুজীয়ে ছাত্ৰ ইউনিয়নৰ কৰ্ম্মী-সকলক বহুমূলীয়া উপদেশ দিয়ে।

কৰ্ম্মীসকলে তেখেতৰ এটি বাণী বিচৰাত তেখেতে কয় যে তেখেতৰ জীৱনটো কেৱল বাণী আৰু চহী দিয়াৰ বাবেই নহয়। লোকৰ বাণী লোৱাতকৈ নিজৰ কাৰ্য্যৰ দ্বাৰাই নিজক উৎসাহিত কৰিব লাগে।

তাৰ পিছত তেখেতে অসমৰ ছাত্ৰ-আন্দোলনৰ বিষয়ে জানিব খোজে। R. C. P. I. দল সম্বন্ধে (অসম প্ৰাদেশিক ছাত্ৰ-ফেডাৰেশ্যন এই R. C. P. I. দলৰ দ্বাৰা পৰিচালিত) তেখেতৰ দৃষ্টি আকৰ্ষণ কৰাত তেখেতে কয় যে অসমতহে তেখেতে এই দলৰ নাম শুনিছে। আন ঠাইত এই দলৰ কোনো প্ৰভাৱ নাই। আনকি এই দলৰ নামকে আন প্ৰদেশত শুনিবলৈ পোৱা নাযায়। এই দলৰ লগত কোনো সংশ্ৰৱ নাৰাখিবলৈ ইউনিয়নৰ কৰ্ম্মীসকলক তেওঁ উপদেশ দিয়ে। দিনে দিনে কংগ্ৰেছ বিৰোধী দলবিলাকৰ প্ৰভাৱ কমি আহিছে। ভাৰতত জাতীয়তাবিৰোধী কোনো দলৰ অস্তিত্ব থাকিব নোৱাৰে। ছাত্ৰ-ইউনিয়নৰ জনপ্ৰিয়তাৰ

কথা তেখেতে শুনা বুলি কয় আৰু কয় যে R. C. P. I. নাইবা C. P. I. কোনো দলৰ লগতে কোনো সংশ্ৰৱ ৰাখিব নালাগে। এইবিলাক দল আপোনা আপুনি লোপ পাই যাব।

তাৰ পিছত তেখেতে কয় যে Slogan ৰ পৰিবৰ্ত্তে প্ৰকৃত কাম কৰিব লাগে। "When Slogans take the place of work, it is a dangerous thing." কোনো কোনো ক্ষেত্ৰত Slogan ৰ প্ৰয়োজন আছে। ছাত্ৰ সকলে শোভাযাত্ৰা আৰু সভাসমিতিত যোগ দিয়া উচিত। কিন্তু সেই বুলি তাতে আবদ্ধ থাকিলে প্ৰকৃত কাম কৰা নহব। ছাত্ৰসকলে ৰাজনীতিত যোগ দিয়া উচিত নে অনুচিত এই প্ৰশ্নৰ তেখেতে উত্তৰত কয় যে সেইটো অবান্তৰ প্ৰশ্ন। ভাৰতত প্ৰায় সকলো সময়তে গৱৰ্ণমেণ্টৰ লগত আমাৰ সংঘৰ্ষ হৈ থাকে। এনে অৱস্থাত ছাত্ৰসকলে কেনেকৈ ৰাজনীতিৰ পৰা আঁতৰি থাকিব? কিন্তু ছাত্ৰসকলে এটি কথা মনত ৰখা উচিত, ৰাজনীতিক্ষেত্ৰত তেওঁলোকে নেতৃত্ব কৰিবলৈ যোৱাটো অনুচিত। ছাত্ৰ অৱস্থা ৰাজনীতি শিকিবৰ ভাল সময়। কিন্তু কেৱল ৰাজনীতিৰ কিতাপ পঢ়িলেই নহব। গাৱঁলৈ গৈ গাৱঁলীয়া অৰ্থনৈতিক সমস্যাবোৰ প্ৰত্যক্ষভাৱে চাব লাগে। এনে শিক্ষা ভাল কিতাপতকৈও মূল্যবান। ভাৰতৰ ছাত্ৰসকলে বিশেষকৈ অৰ্থনীতি জানিব লাগে। আমাক সকলো প্ৰকাৰৰ মানুহ লাগে। দেশ স্বাধীন হলে আমাৰ নানা বিষয়ত পাৰ্গত মানুহৰ প্ৰয়োজন হব। এতিয়াৰ পৰা আমি তাৰ বাবে প্ৰস্তুত হব লাগে।

তাৰ পিছত পণ্ডিতজীয়ে ছাত্ৰ-অনুষ্ঠানৰ কৰ্ত্তব্য সম্বন্ধে কয়—ছাত্ৰসকলে পৰ্ব্বত-পাহাৰত বগাবলৈ শিকিব লাগে আৰু গাৱঁলৈ গৈ আমাৰ দেশৰ প্ৰকৃত অৱস্থা জানিব লাগে। ছাত্ৰসকলে সকলো প্ৰকাৰ অৱস্থাৰ বাবে প্ৰস্তুত থাকিব লাগে। অসমত ছাত্ৰসকলে পৰ্ব্বতীয়া ভাইসকলৰ মাজলৈ যাব লাগে। তেওঁলোকৰ বিষয়ে সকলো ৰকমৰ তথ্য আমি গোটাব লাগে। এইবোৰ মানুহৰ ওচৰলৈ যাওঁতে আমি তেওঁলোকতকৈ ওখ থাপৰ বা সভ্য, এই ভাব লৈ যাব নালাগে। তেওঁলোকক আমি ভাইৰ দৰে ব্যৱহাৰ কৰি লাগে। "Don't go as superiors because you will irritate them, go as equals." তেওঁলোকক সেৱা কৰি, 'আমি সেৱা কৰিছো' এই ভাব পোষণ কৰিব নালাগে। আমি দেশৰ উপকাৰ কৰিছো বুলি ভাবিব লাগে।"

ঐক্য প্ৰচেষ্টা

ছাত্ৰ ইউনিয়নে, সাধাৰণ ছাত্ৰৰ অভূতপূৰ্ব্ব সমৰ্থন লাভ কৰা দেখি, অসম ছাত্ৰ ফেডাৰেশ্যন আৰু অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যনে প্ৰমাদ গণিলে। দুয়োটা অনুষ্ঠানেই ছাত্ৰ ইউনিয়নৰ লগত সহযোগ কৰিবলৈ পৃথক পৃথক 'মেমোৰেণ্ডাম' দাখিল কৰিলে।

তেতিয়া সদৌ অসম ছাত্ৰ ইউনিয়ন, অসম ছাত্ৰ ফেডাৰেশ্যন আৰু অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যন এই তিনিওটা অনুষ্ঠান লগ লগাই দিবৰ কাৰণে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্য্যনিৰ্ব্বাহক সভাক অনুৰোধ জনোৱা হ'ল। ১৯৪৫ চনৰ ছেপ্তেম্বৰ মাহত প্ৰদেশ কংগ্ৰেছ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে সদৌ অসম ছাত্ৰ ইউনিয়ন, অসম ছাত্ৰ ফেডাৰেশ্যন আৰু অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যনৰ অনুৰোধ মতে তিনিওটা অনুষ্ঠানক লগ লগাই দিয়াৰ ভাৰ লয়। কিন্তু অসম ছাত্ৰ ফেডাৰেশ্যন আৰু অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যনে শেষ মুহূৰ্ত্তত কংগ্ৰেছ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ নিৰপেক্ষ সিদ্ধান্ত মানি লবলৈ অস্বীকাৰ কৰাত, ১৯৪৫ চনৰ অক্টোবৰ মাহৰ ৯ তাৰিখে গুৱাহাটীত বহা কংগ্ৰেছ কাৰ্য্যনিৰ্ব্বাহক সভাত তলত দিয়া প্ৰস্তাৱটো সৰ্ব্বসন্মতিক্ৰমে গৃহীত হয়।

"অসমৰ ছাত্ৰসকলৰ মাজত থকা তীব্ৰ মতভেদ আৰু দলাদলিয়ে এই সমিতিৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। ছাত্ৰসকলৰ বিভিন্ন অনুষ্ঠানবিলাকক একতাবদ্ধ কৰিবৰ মনেৰে সদৌ অসম ছাত্ৰ ইউনিয়ন, অসম ছাত্ৰ ফেডাৰেশ্যন আৰু অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যনৰ অনুৰোধ মতে, এই সমিতিয়ে, তেওঁলোকৰ প্ৰতিনিধিসকলৰ মতামত মনোযোগেৰে শুনে আৰু তেওঁলোকে দাখিল কৰা লিখিত বিবৃতি আদি ভালদৰে বিবেচনা কৰি চায়। সমিতিয়ে এই অনুষ্ঠান কেইটাক, এটা আপোচ সিদ্ধান্তলৈ আনিবলৈ যত্ন কৰা স্বত্ত্বেও, সমিতিৰ নিৰ্দ্দেশ মতে হোৱা সভাত বিভিন্ন দলে কোনো আপোচ সিদ্ধান্ত কৰিব নোৱাৰিলে। উক্ত অনুষ্ঠানবিলাকে, তেওঁলোকৰ মতবাদৰ অলপো সাল-সলনি কৰিব নোখোজে। এই সমিতিৰ নিৰপেক্ষ সিদ্ধান্তও মানি লবলৈ অস্বীকাৰ কৰাত আৰু মতবাদৰ বিভিন্নতা থকা বাবে, তেওঁলোকে দাখিল কৰা বিবৃতি সম্বন্ধে সমিতিৰ কৰিবলগীয়া একো নাই। কিন্তু কংগ্ৰেছে যিহেতু উচিত পথত ছাত্ৰসকলক সংগঠন কৰাৰ ভাৰ লৈছে, সমিতিয়ে এই সমস্যা সম্বন্ধে নিমাত থাকিব নোৱাৰে। সমিতিয়ে

অসমৰ ছাত্ৰ সমাজক জাতীয় পতাকাৰ তলত সমবেত হবলৈ আহ্বান কৰে। সদৌ অসম ছাত্ৰ ইউনিয়নে কংগ্ৰেছৰ নেতৃত্ব আৰু কৰ্ম্মপন্থা মানি লোৱাত আনন্দ প্ৰকাশ কৰে আৰু বিশ্বাস কৰে যে কংগ্ৰেছৰ নেতৃত্বত অসমৰ ছাত্ৰসকলে দেশৰ স্বাধীনতাৰ কাৰণে অফুৰন্ত ভাবে কাম কৰিব।”

ইয়াৰ আগতেও কংগ্ৰেছ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে আটাই কেইটা অনুষ্ঠানৰ প্ৰতিনিধিসকলৰ লগত আলোচনা কৰিছিল। অসম ছাত্ৰ ফেডাৰেশ্যন আৰু অঃ প্ৰাঃ ছাঃ ফেডাৰেশ্যনে কংগ্ৰেছৰ নিৰপেক্ষ সিদ্ধান্ত মানি লবলৈ অস্বীকাৰ কৰা কথাৰ উল্লেখ কৰি কংগ্ৰেছৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ নগাওঁত হোৱা সভাৰ কাৰ্য্য বিৱৰণীত এনেদৰে লিখা হৈছিল:—“অসম ছাত্ৰ ফেডাৰেশ্যন আৰু অঃ প্ৰাঃ ছাত্ৰ ফেডাৰেশ্যনৰ প্ৰতিনিধিসকলে এতিয়া একো ঠিকঠাক কৰ নোৱাৰো বুলি কয়; কিন্তু সদৌ অসম ছাত্ৰ ইউনিয়নৰ প্ৰতিনিধিসকলে অসম প্ৰাদেশিক কংগ্ৰেছ সমিতিৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে ঠিক কৰি দিয়া যি কোনো সিদ্ধান্ত মানি লবলৈ স্বীকাৰ কৰিছিল।”

ইয়াৰ পৰাই অসমত শক্তিশালী ছাত্ৰ আন্দোলন গঢ় লৈ উঠাৰ পথত যে এই ৩টা অনুষ্ঠানে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছিল—সি প্ৰতীয়মান হয়।

নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ পৰা অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যন বহিষ্কাৰ

১৯৪০ চনত নাগপুৰত নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনৰ মাজত দেখা দিয়া বিভেদৰ সুযোগত কেনেভাবে অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যনে অন্তৰ্ভুক্তি লৈছিল, সেই কথা আগতে উল্লেখ কৰা হৈছে। নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনে ১৯৪৪ চনৰ ডিচেম্বৰ জানুৱাৰী মাহত কেনেদৰে নিঃ ভাঃ ছাত্ৰ কংগ্ৰেছ নাম গ্ৰহণ কৰে সেই কথাও উল্লেখ কৰা হৈছে। ঠিক তাৰ এমাহৰ আগতেহে সঃ অঃ ছাঃ ইউনিয়ন গঠিত হয়। গতিকে সৰ্ব্ব-ভাৰতীয় স্বীকৃতি এমাহৰ ভিতৰত লব পৰাটো সম্ভৱপৰ কথা নহয়। নিঃ ভাঃ ছাঃ ফেডাৰেশ্যনৰ লগত অন্তৰ্ভুক্তি থকাৰ কাৰণে, অঃ প্ৰাঃ ছাঃ ফেডাৰেশ্যনৰ অন্তৰ্ভুক্তি নিঃ ভাঃ ছাত্ৰ কংগ্ৰেছতো বৰ্ত্তি থাকিল। কিন্তু

আচলতে নিঃ ভাঃ ছাত্ৰ কংগ্ৰেছৰ আদৰ্শৰ লগত তেওঁলোকৰ মিল আছিলেই, বৰঞ্চ বিৰোধহে আছিল।

অসম প্ৰাঃ ছাত্ৰ ফেডাৰেশ্যনে নানান ঠাইত নিঃ ভাৰত ছাত্ৰ কংগ্ৰেছৰ আদৰ্শ খৰ্ব্ব কৰিবলৈ ধৰিলে। সেই আপাহতে সঃ অঃ ছাঃ ইউনিয়নে নিঃ ভাঃ ছাত্ৰ কংগ্ৰেছৰ দৃষ্টি, এই দিশে আকৰ্ষণ কৰে। নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছেও, অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যনে যে নীতি বিৰুদ্ধ কাম কৰিছে, তাৰ প্ৰমাণ পালে আৰু লগে লগে তেওঁলোকে বুজিলে যে এই অনুষ্ঠান দৰাচলতে নিঃ ভাঃ ছাঃ কংগ্ৰেছৰ লেখীয়া জাতীয়তাবাদী ছাত্ৰ সকলৰ অনুষ্ঠান নহয়।

সেই কাৰণে নিঃ ভাৰত ছাত্ৰ কংগ্ৰেছৰ, ১৯৪৫ চনৰ ছেপ্টেম্বৰ মাহত বহা কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে ঠিক কৰিলে যে অঃ প্ৰঃ কংগ্ৰেছ কমিটিয়ে যিখন অনুষ্ঠানকে জাতীয়তাবাদী ছাত্ৰ অনুষ্ঠান বুলি স্বীকাৰ কৰিব, সেই খনকে নিঃ ভাঃ ছাত্ৰ কংগ্ৰেছৰ অন্তৰ্ভুক্ত কৰি লোৱা হব। তাৰোপৰি অসমত যাতে এখন জাতীয়তাবাদী ছাত্ৰ অনুষ্ঠান গঢ়ি উঠে তাৰ কাৰণে অঃ প্ৰঃ কংগ্ৰেছৰ কাৰ্য্যনিৰ্ব্বাহকৰ ওচৰত নিজৰ বক্তব্য দাখিল কৰিবলৈ নিৰ্দ্দেশ দিয়ে।

নিৰ্দ্দেশটো আছিল :—

"The Assam provincial Students' Federation has been instructed to submit their case to the Arbitration Tribunal, set up by the Assam Provincial Congress Committee" (vide-Sathi sept-oct-1945)

অঃ প্ৰাঃ ছাঃ ফেডাৰেশ্যনৰ শ্ৰীউপেন দাসো, সেই সময়ত নিঃ ভাঃ ছাঃ কংগ্ৰেছৰ কাৰ্য্য নিৰ্ব্বাহক সভাত উপস্থিত আছিল। তেৰো এই প্ৰস্তাৱটোৰ পক্ষে হয়ভৰ দিয়ে।

অসম ছাত্ৰ ফেডাৰেশ্যন, অঃ প্ৰাঃ ছাঃ ফেডাৰেশ্যন আৰু সঃ অঃ ছাঃ ইউনিয়নে কংগ্ৰেছ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আগত দাখিল কৰা মেমোৰেণ্ডাম সম্পৰ্কে আমি আগতে আলোচনা কৰিছোঁ। বিভিন্ন প্ৰতিনিধিৰ লগত হোৱা আলোচনাৰ অন্তত, সদৌ অসম ছাঃ ইউনিয়নকে অঃ প্ৰঃ কংগ্ৰেছ কমিটিয়ে জাতীয়তাবাদী ছাত্ৰ অনুষ্ঠান বুলি স্বীকাৰ কৰি প্ৰস্তাৱ

গ্রহণ কৰে। সেই প্রস্তাব নিঃ ভাঃ ছাত্র কংগ্রেছলৈ পঠাই দিয়ে। (প্রস্তাৱৰ পূর্ণপাঠ আগতে দিয়া হৈছে)

অসম প্রদেশ কংগ্রেছৰ এই প্রস্তাৱ অনুসৰিয়েই, নিঃ ভাৰত ছাত্র কংগ্রেছৰ ১৯৪৫ চনৰ ২৩ মার্চ্চ তাৰিখে বেনাৰচত বহা কার্য্যনির্ব্বাহক সমিতিয়ে, অঃ প্রাঃ ছাঃ ফেডাৰেশ্যনৰ অন্তর্ভূক্তি বাতিল কৰি, সঃ অঃ ছাঃ ইউনিয়নক অন্তর্ভুক্ত কৰি লবলৈ সিদ্ধান্ত কৰে।

সিদ্ধান্তটোৰ পূর্ণপাঠ হৈছে :—

"The Working Committee has accepted the recommendations of the Assam Provincial Congress Committee regarding the dispute between Assam Provincial Students' Federation and All Assam Students Union and has granted affiliation to the latter (All Assam Students' Union) The A. P. S. F has been disaffitiated" (vide-Sathi Feb March 1945)

ছাত্র ইউনিয়নৰ নাম পৰিবৰ্ত্তন

সদৌ অসম ছাত্র ইউনিয়নৰ দ্বিতীয় বার্ষিক অধিবেশন ১৯৪৬ চনৰ ১ আৰু ২ জুন তাৰিখে ডিব্রুগড়ত বহে। সভাৰ সভাপতিত্ব কৰে অধ্যক্ষ হেম কান্ত বৰুৱা দেৱে। সভাপতিৰ আসনৰ পৰা দিয়া বক্তৃতাত তেওঁ মন্ত্রী মিশ্যনে আগবঢ়োৱা সমষ্টি গঠনৰ আচনিৰ বিৰুদ্ধে থিয় দিবলৈ অসমৰ ছাত্র সমাজলৈ আহ্বান জনায় কয়; "ছাত্র সকলেই সমষ্টি গঠনৰ বিৰুদ্ধে আন্দোলন কৰাত আগ-ভাগ লব লাগিব; কাৰণ তেওঁলোক এই সমস্যা সম্বন্ধে যথেষ্ট সচেতন। ছাত্র সকল স্বভাৱতে বিপ্লৱী, সেই কাৰণে তেওঁলোকে সদায় দেশৰ কাৰণে সকলো অৱস্থাতে যি কোনো ত্যাগৰ কাৰণে সাজু থাকিব লাগিব; বিশেষকৈ অসমৰ এই দুৰ্দ্দিনত তেওঁলোকে প্রকৃত বিপ্লৱী মনোবৃত্তিৰ পৰিচয় দিব লাগিব"।

এই অধিবেশনত নিখিল ভাৰত ছাত্র কংগ্রেছৰ প্রচাৰ বিভাগৰ সম্পাদক শ্রী পি, এম, যোশীয়ে যোগদান দিয়ে। তেওঁ বক্তৃতা প্রসঙ্গত

সমষ্টি গঠনৰ বিৰুদ্ধে অসমত যি আন্দোলনৰ সূচনা হৈছে—তাৰ পিছত সমগ্র ভাৰতৰে ছাত্র সকল আছে বুলি ঘোষণা কৰে।

অধিবেশনত নির্দ্দিষ্ট বক্তা ৰূপে তেতিয়াৰ ডিব্রুগড় কলেজৰ অধ্যক্ষ্য শ্রীযোগীৰাজ বসুয়ে কয়, "সদৌ অসম ছাত্র ইউনিয়নে জাতীয় আন্দোলনৰ সময়ত কংগ্রেছক মানিবলৈ কৰা সিদ্ধান্তৰ কাৰণে মই সুখী হৈছো। মই বিশ্বাস কৰোঁ, সদৌ অসম ছাত্র ইউনিয়নে অসমৰ ছাত্র সকলক প্রকৃত পথত পৰিচালিত কৰিব পাৰিব"।

অধিবেশনৰ লগতে হোৱা কৃষ্টি সভাত ৰূপকোৱঁৰ জ্যোতিপ্রসাদ আগৰৱালাই সভাপতিত্ব কৰে। এই অধিবেশনত গৃহীত প্রস্তাৱ সমূহৰ ভিতৰত সমষ্টি গঠনৰ বিৰোধিতা কৰা, সদৌ অসম ছাত্র ইউনিয়নে, ১৯৪৬ চনৰ ২৪ মার্চ্চত নিখিল ভাৰত ছাত্র কংগ্রেছৰ অন্তর্ভুক্তি পোৱাৰ কাৰণে ইউনিয়নৰ নাম সলাই "অসম প্রাদেশিক ছাত্র কংগ্রেচ" কৰা, অসমৰ পৰা শ্রীহট্ট জিলা বিচ্ছেদ কৰা আদিয়েই প্রধান।

সেই বছৰতে ১৯ ছেপ্টেম্বৰ তাৰিখে ডিব্রুগড় টাউন হলত ছাত্র কংগ্রেছৰ বিভিন্ন জিলাৰ সভাপতি আৰু সম্পাদক সকলৰ এখন সভা বহে। সেই সভাত ছাত্র ইউনিয়নৰ দ্বাৰা গঠিত "আজাদ হিন্দ স্বেচ্ছাসেৱক বাহিনীক" পুনৰ সুসংগঠিত কৰি, নিখিল ভাৰত ছাত্র কংগ্রেছে দিয়া নির্দ্দেশানুযায়ী "ছাত্র কংগ্রেছ সেৱাদল" গঠন কৰাৰ সিদ্ধান্ত হয়। সেই সভাতে "ছাত্র কংগ্রেছ সেৱাদল"ৰ নিয়মাৱলী এখনো গৃহীত হয়।

ছাত্র ইউনিয়নে ইমান দিনে ধাৰাবাহিক ভাবে প্রচাৰ পত্রিকা উলিয়াই আনুষ্ঠানিক প্রচাৰ চলাই আছিল। ১৯৪৭ চনৰ জানুৱাৰীৰ পৰা অসম প্রাদেশিক ছাত্র কংগ্রেছৰ মুখপত্র "জাগৰণ" প্রকাশিত হয়।

সমষ্টি গঠন আৰু ছাত্র কংগ্রেছ

১৯৪৬ চনৰ ১৬ মেইত বৃটিছ মন্ত্রী মিশ্যনে সমষ্টি গঠন সম্বলিত যি আচনি ডাঙি ধৰিছিল, সেই সম্পর্কে বৃটিছ গৱর্ণমেণ্টে ১৯৪৬ চনৰ ৬ ডিচেম্বৰ তাৰিখে যি ঘোষণা কৰিলে, সেই সম্পর্কে আলোচনা কৰিবলৈ ১৯৪৭ চনৰ ২০ আৰু ২১ জানুৱাৰী তাৰিখে গুৱাহাটীত অসম প্রাদেশিক ছাত্র কংগ্রেছৰ কাউন্সিল সভা বহে।

'জাগৰণ' কাকতৰ পৰা গুৱাহাটীত বহা প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ কাউন্সিল সভাৰ সমষ্টি গঠন সম্পৰ্কীয় গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আৰু সেই সম্পৰ্কে লোৱা কাৰ্য্যসূচী আদি তলত হুবহুৰূপে তুলি দিয়া হ'ল।

"অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ কাউন্সিল সভাৰ এই অধিবেশনে বৃটিছ গৱৰ্ণমেণ্টৰ আচনিৰ ১৯ (৫) আৰু ১৯ (৮) দফাৰ ব্যাখ্যা মানি লোৱা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ও কেন্দ্ৰবাদীয় প্ৰস্তাৱ আৰু গণ পৰিষদৰ বৈঠকৰ পাচৰ ক্ৰম পৰিবৰ্ত্তন বাৰ আলোচনা কৰি মন্ত্ৰী মিছনৰ ১৬ মেইৰ আচনিৰ প্ৰতি পুনৰ স্বচিন্তিত আৰু গভীৰ মতামত দাঙি ধৰে।

এই মতামত দাঙি ধৰোতে কাউন্সিলে বৃটিছ গৱৰ্ণমেণ্ট, কংগ্ৰেছ, লীগ আৰু ভাৰতীয় ৰাইজৰ দ্বাৰা গৃহীত নীতিৰ পৰা উদ্ভৱ হোৱা অসম তথা ভাৰতৰ ভবিষ্যতৰ প্ৰতি মনোযোগ দিছে।

কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ ২৪ মেইৰ প্ৰস্তাৱত কোৱা হৈছে যে "শাসন পৰিষদ—ভাৰতৰ শাসনতন্ত্ৰ ৰচনা কৰিবলৈ আৰু এই শাসনতন্ত্ৰ বলবৎ কৰিবলৈ সম্পূৰ্ণ অধিকাৰ সম্পন্ন এটা সাৰ্ব্বভৌম অনুষ্ঠান।" তেওঁলোকৰ মতে "প্ৰধান সাম্প্ৰদায়িক সমস্যা দুটা সম্প্ৰদায়ৰ প্ৰত্যেক সম্প্ৰদায়ৰ অধিকাংশৰ দ্বাৰা পৰিবৰ্ত্তন বা সংশোধন কৰিবলৈ শাসন পৰিষদৰ ক্ষমতা থাকিব।" কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে আকৌ ঘোষণা কৰিছিল যে "প্ৰাদেশিক স্বায়ত্ত শাসনৰ পৰিপন্থী সমষ্টি গঠন সম্পৰ্কে বাধ্যবাধকতাৰ সৃষ্টি কৰা হৈছে।" সভাই ১৫ দফা পঢি অৰ্থ কৰিছিল যে "প্ৰদেশ সমূহে সমষ্টি লৈ যাবনে নেযায় নিজে ঠিক কৰিব।"

১৫ জুনৰ প্ৰস্তাৱত এই কমিটীয়ে আকৌ কৈছিল যে "সমষ্টি গঠন প্ৰথাই গোটেই আঁচনিখন নিশকতীয়া কৰিছে আৰু অসম, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ আদি কিছুমান প্ৰদেশৰ প্ৰতি বিশেষ অনিষ্টকৰ হৈছে।" কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে বিবেচনা কৰিছিল যে "গোটেই আচনিখনৰ মতে কেন্দ্ৰীয় কৰ্তৃপক্ষৰ ক্ষমতা বহল আৰু শক্তিশালী কৰিবলৈ আৰু সমষ্টি গঠন সম্পৰ্কে প্ৰদেশ সমূহক নিজ নিজ সিদ্ধান্ত মতে কাম কৰিবলৈ ক্ষমতা প্ৰদান কৰিবলৈ ভালেমান ঠাই আছে।"

গণপৰিষদ যেতিয়ালৈকে শাসন ৰচনা আৰু শাখাত গ্ৰহণ কৰিবলগীয়া নীতি সম্পৰ্কে সাৰ্ব্বভৌম নহয় আৰু যেতিয়ালৈকে প্ৰদেশ সমূহ সমষ্টি গঠন আৰু নিজ নিজ শাসনতন্ত্ৰ ৰচনা কৰিবলৈ মুক্ত নহয়, তেতিয়ালৈকে

গণপৰিষদে স্বাধীন আৰু প্ৰকৃত শাসনতন্ত্ৰ ৰচনা কৰিব নোৱাৰে। বাধ্যতা মূলক সমষ্টি গঠনে প্ৰাদেশিক স্বতন্ত্ৰতা আৰু গণতন্ত্ৰৰ মূলনীতি অস্বীকাৰ কৰিছে। বাধ্যতামূলক সমষ্টি গঠনক ভেটি কৰি ৰচিত শাসনতন্ত্ৰ স্বাধীন ভাৰতৰ শাসনতন্ত্ৰ হব নোৱাৰে। নিঃ ভাঃ কংগ্ৰেছ কমিটীৰ সিদ্ধান্তমতে "কংগ্ৰেছ ব্যাখ্যা সম্বন্ধীয় কথা—ফেডাৰেল কোৰ্টলৈ দিয়াৰ সপক্ষে আছে" কিন্তু বৃটিছ গৱৰ্ণমেণ্টৰ অলপতে কৰা ঘোষণাৰ দ্বাৰা এই কথা অৰ্থহীন হৈ পৰিল। সংশ্লিষ্ট দলবোৰে সিদ্ধান্ত মানিবলৈ সন্মত হোৱাৰ পাচতহে এনে আৱশ্যকতা আহি পৰে কিন্তু; ১৯ (১৫) আৰু ১৯ (৮) দফাৰ বিশেষ অৰ্থ কৰা বৃটিছ গৱৰ্ণমেণ্টৰ ৬ ডিচেম্বৰৰ ঘোষণা কৰাটোৱে, গণ-পৰিষদ সাৰ্ব্বভৌম হোৱাৰ প্ৰয়োজনীয়তা অত্যাৱশ্যকীয় কৰি তুলিছে। বৃটিছ গৱৰ্ণমেণ্টে প্ৰদেশ সমূহৰ সমষ্টিকৰণৰ দ্বাৰা মুছলিম লীগক "পাকি-স্থান"ৰ ভিত্তিত সন্তুষ্ট কৰিবলৈকে নহয়, নিজৰ স্বাৰ্থ বজাই ৰাখি-বলৈও চেষ্টা কৰিছে। দৰাচলতে মন্ত্ৰীমিছনৰ সমষ্টি গঠন দফাটো আৰু কিছুমান বছৰলৈ বৃটিছ সাম্ৰাজ্যবাদ বজাই ৰখাৰ আহিলা মথোন। এতেকে যদি সমষ্টি গঠন কৰাটো বলৎৱ হয়, তেতিয়া হলে অকল প্ৰাদেশিক স্বতন্ত্ৰতাই কেৱল ধ্বংস নহয়, ভাৰতৰ জাতীয় ঐক্যও বিপদাপন্ন হব।

সেই কাৰণে অসম প্ৰাদেশিক ছাত্ৰ-কংগ্ৰেছৰ এই কাউন্সিল সভাই অসমৰ শাসন পৰিষদৰ সদস্য সকলক শাখাত নবহিবলৈ আৰু অসম পৰিষদৰ নিৰ্দ্দেশ মানি চলিবলৈ দাবী কৰে আৰু বাহিৰা কৰ্তৃপক্ষৰ বাধা নামানি অসমৰ সকলো দল-উপদলৰ স্বাৰ্থৰ অনুকূলে যোৱা শাসনতন্ত্ৰ এখন ৰচনা কৰিবলৈ দাবী জনায়।

আৰু যদি কোনো কৰ্তৃপক্ষ নাইবা নিয়ম-বিধায়ক সমিতিৰ দ্বাৰা তেওঁলোক এই কাৰ্য্যৰ পৰা বিৰত হবলৈ বাধ্য হয়, তেন্তে তেওঁলোকে কেন্দ্ৰীয় শাসন পৰিষদকে ত্যাগ কৰি ওলাই আহিব লাগিব আৰু শেষ সংগ্ৰামৰ কাৰণে ৰাইজৰ নেতৃত্ব গ্ৰহণ কৰি দেশক সংগঠিত কৰিব লাগিব।"

ছাত্ৰ-কংগ্ৰেছৰ কাউন্সিল সভাত গৃহীত উপৰোক্ত প্ৰস্তাব কাৰ্য্যকৰী কৰি তুলিবলৈ আৰু যি কোনো অৱস্থাৰ বাবে জনসাধাৰণক প্ৰস্তুত কৰি ৰখিবলৈ প্ৰত্যেক জিলা আৰু শাখা বিলাকে তলৰ আঁচনি মতে কাম কৰি যাব লাগিব।

(১) স্বেচ্ছাসেৱক বাহিনী পুনৰ গঠন কৰিব লাগিব। তেওঁলোকৰ মাজত নিয়মিত ভাবে কুচকাৱাজ আৰু আলোচনা হব লাগিব। গুৰুতৰ পৰিস্থিতিত সেই ঠাইৰ লগত খাপ খোৱাকৈ কাৰ্য্যপন্থা উদ্ভাৱন কৰিব লাগিব

(২) (ক) পাঠচক্ৰৰ জৰিয়তে ছাত্ৰ আৰু স্বেচ্ছাসেৱক (ছাত্ৰ) সকলৰ সমূহীয়াভাবে আলোচনা হব লাগিব। ভাৰতৰ শেহতীয়া ৰাজনৈতিক পৰিস্থিতি, ৪২ৰ গণআন্দোলনৰ স্বৰূপ আৰু আসন্ন স্বাধীনতাৰ শেষ সংগ্ৰামত ছাত্ৰ আৰু জনতাৰ কৰ্ত্তব্য আৰু কৰ্ম্মপন্থা সম্বন্ধে বিশদ আলোচনা হব লাগিব!

(খ) ছাত্ৰ-সমাজক কাৰ্যাক্ষম আৰু অধ্যয়ন চক্ৰৰ আচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে প্ৰত্যেক শাখাতে সম্ভৱপৰ হলে নিতৌ অধ্যয়নচক্ৰ বহুৱাব লাগিব।

(৩) সপ্তাহত অন্ততঃ বিভিন্ন অঞ্চলত এদিনকৈ ৰাজহুৱা সভা বহুৱাব লাগিব। ... স্থানীয় মুখীয়াল লোক সমূহক বিশেষভাবে অংশ গ্ৰহণ কৰাব লাগিব। এনে সভা... স্থানীয় সমস্যা সমূহক আগত ৰাখি, তাৰ লগত ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰাধীনতাৰ সম্বন্ধ বুজাব লাগিব।

(৪) কোনো এখন ঠাইৰ ওচৰত থকা পৰ্ব্বতীয়া, বনুৱা বা অন্যান্য পিচপৰা লোক সমূহৰ মাজত প্ৰচাৰ কাৰ্য্য চলাব লাগিব।

(৫) **গাৱঁলীয়া পঞ্চায়তঃ**— (ক) প্ৰত্যেক গাৱঁতে একোখন পঞ্চায়ত স্থাপন কৰিব লাগিব (খ) এখন মৌজাত সেই মৌজাৰ গাৱঁলীয়া পঞ্চায়ত সমূহৰ প্ৰতিনিধিৰে একোখন মৌজা পঞ্চায়ত থাকিব। (গ) একোটা চাৰ্কোলত সেই চাৰ্কোলৰ মৌজা পঞ্চায়ত বোৰৰ প্ৰতি-নিধিৰে একোখন চাৰ্কোল পঞ্চায়ত গঠিত হব। পঞ্চায়তৰ কাৰ্য্য হব—(ক) গাৱঁৰ মেল-মোকৰ্দ্দমা বিচাৰ কৰা (খ) স্থানীয় অভাৱ অভিযোগৰ আলোচনা আৰু তাৰ প্ৰতিকাৰৰ উপায় উদ্ভাৱন কৰা (গ) গুৰুতৰ পৰিস্থিতি আৰু বিপদত নপৰিবলৈ বস্তুৰ সালসলনি প্ৰবৰ্ত্তন কৰা (ঘ) গাৱঁলীয়া ৰাইজক সঙ্ঘবদ্ধভাৱে প্ৰতিৰোধ কৰিবলৈ সাজু ৰখা।

(৬) **শান্তি সেনা**ঃ— গাৱঁলীয়া পঞ্চায়ত সমূহৰ তদাৰকত শান্তিসেনা দল গঠন কৰিব লাগিব। তেওঁলোকৰ মাজত নিপুণ চোৰাংচোৱা দল

এটা থাকিব লাগে। এইদলে সম্ভহতে চোৰাং বজাৰ আদিৰ প্ৰতি কড়া নজৰ ৰাখিব।

(৭) **সংস্কৃতি আলয়ঃ**— সৰু সৰু লৰা-ছোৱালী বিলাকক সংগঠিত কৰিবলৈ প্ৰতি গাৱেঁ গাৱেঁ একোখন "সংস্কৃতি আলয়" পতা হব লাগে। এই "সংস্কৃতি আলয়" বা ক্লাববোৰে গাওঁৰ সৰু সৰু লৰা-ছোৱালী বিলাকক সংগঠন কৰিব। খেলা-ধূলা, শৰীৰ চৰ্চ্চা আদিৰ মাজেৰে গাওঁৰ লৰা-ছোৱালী বিলাকক সংগঠন, নিয়মানুবৰ্ত্তিতা আৰু শৃঙ্খলা আদি শিকাব। এই "সংস্কৃতি আলয়"বোৰ গাওঁলীয়া পঞ্চায়তৰ পূৰ্ণ সহযোগত চলিব।

(৮) কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভ্যসকল, কাউন্সিলৰ ইচ্ছুক সভ্যসকল আৰু অন্যান্য ইচ্ছুক সভ্যসকলেৰে এটি "কৰ্ম্মীদল" গঠন কৰা হওক। এই দলে দিনে গড়ে ৪ ঘণ্টাকৈ অনুষ্ঠানৰ কাম কৰিব লাগিব। এই দলৰ কাম প্ৰাদেশিক কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে ঠিক কৰি দিব।

(৯) **কেন্দ্ৰীয় প্ৰচাৰ দল**ঃ—কেন্দ্ৰীয় কাৰ্য্যালয়ৰ তলত ছাত্ৰৰে গঠিত এটি কেন্দ্ৰীয় প্ৰচাৰ দল থাকিব। এইদলে উপজাতীয়, পৰ্ব্বতীয়া আৰু বনুৱা সকলৰ মাজত প্ৰচাৰ কাৰ্য্য চলাব।

(১০) যিহেতু এইবোৰ কামৰ কাৰণে এটি শকত পুঁজিৰ প্ৰয়োজন, জিলা আৰু শাখা ছাত্ৰ কংগ্ৰেছ সমূহক তলত দিয়া উপায়েৰে ধন সংগ্ৰহ কৰিবলৈ নিৰ্দ্দেশ দিয়া হ'ল।

(ক) ছাত্ৰসকলৰ পৰা নিয়মীয়া বৰঙণি।

(খ) বাইজৰ, বিশেষকৈ ব্যৱসায়ী লোকসকলৰ পৰা দান সংগ্ৰহ।

(গ) বায়স্কোপ, থিয়েটাৰ আদিৰ সাহায্য প্ৰদৰ্শনিৰ যোগেদি ধন সংগ্ৰহ।

(ঘ) মুষ্টি ভিক্ষা আৰু আন সজ উপায়।

এইদৰে সংগ্ৰহ কৰা ধনৰ এটি অংশ স্থানীয় খৰচৰ কাৰণে জিলাই ৰাখিব আৰু বাকী অংশ কেন্দ্ৰীয় কাৰ্য্যালয়লৈ পঠাব। টকা পইচাৰ হিচাব বিশদভাৱে জিলা সম্পাদকৰ ওচৰত আৰু জিলা সমূহে কেন্দ্ৰীয় কাৰ্য্যালয়ত, তেওঁলোকৰ হিচাব দাখিল কৰিব লাগিব।"

সদৌ অসম ছাত্ৰ ইউনিয়নক ধ্বংস কৰিবলৈ হীন প্ৰচেষ্টা

১৯৪৪ চনৰ নবেম্বৰ মাহত অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ জন্ম হোৱাৰ কিছুদিনৰ পাচতে, অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্বনে, ছাত্ৰ কংগ্ৰেছৰ লগত সংযোগ বিচাৰি এখন আবেদন দাখিল কৰে। সেই আবেদন খনত আছিল যে জনযুদ্ধৱালা কমিউনিষ্ট ছাত্ৰ সকলক ধ্বংস কৰিব লাগিলে, 'জনযুদ্ধ' বিৰোধী ছাত্ৰ সকল লগ লগা উচিত আৰু সেই হেতুকেই প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছ আৰু প্ৰাঃ ছাঃ ফেডাৰেশ্বন লগলাগি অসম ছাত্ৰ ফেডাৰেশ্বনক নিৰ্ম্মূল কৰিবলৈ চেষ্টা কৰিব লাগে।

ঠিক সেইদৰে অসম ছাত্ৰ ফেডাৰেশ্বনেও এখন আবেদন ছাত্ৰ কংগ্ৰেছলৈ পঠাই দিছিল—[illegible] নিৰ্ম্মূল কৰাৰ উদ্দেশ্যে [illegible]।

সেই সময়ত অঃ ছাঃ ফেডাৰেশ্বন আৰু প্ৰাঃ ছাঃ ফেডাৰেশ্বনৰ মাজত ইমান বৈৰী ভাব আছিল যে এটাই আনটোক ধ্বংস কৰাৰ কাৰণে, প্ৰত্যেকে ছাত্ৰ কংগ্ৰেছৰ লগত মিলন বিচাৰি আবেদন দাখিল কৰিছিল। ছাত্ৰ সকলৰ মাজত ইমান বৈৰী ভাব সৃষ্টি কৰিব পাৰিছিল—কমিউনিষ্ট পাৰ্টি আৰু বিৰোধী কমিউনিষ্ট দুটাৰ মাজত বৈৰীভাব।

যি সময়ত কমিউনিষ্ট পাৰ্টিয়ে মুছলিম লীগক প্ৰতিক্ৰিয়াশীল সাম্প্ৰদায়িক অনুষ্ঠান বুলি তাৰ বিৰুদ্ধে প্ৰচাৰ চলাইছিল, সেই সময়ত অসম ছাত্ৰ ফেডাৰেশ্বনেও মুছলিম ছাত্ৰ ফেডাৰেশ্বনক সাম্প্ৰদায়িক ছাত্ৰ প্ৰতিষ্ঠান বুলিছিল, আনকি কোনো সাম্প্ৰদায়িক অনুষ্ঠানৰ সভ্যই সেই সময়ত অসম ছাত্ৰ ফেডাৰেশ্বনৰ সভ্য হব নোৱাৰে, বুলি, নিয়মাৱলীতো লিখা আছিল। কিন্তু মুছলীম লীগৰ প্ৰতি কমিউনিষ্ট পাৰ্টিৰ নীতিৰ যেতিয়া সলনি হ'ল—তেতিয়া অঃ ছাঃ ফেডাৰেশ্বনেও "সাম্প্ৰদায়িক অনুষ্ঠানৰ সভ্য ছাত্ৰ ফেডাৰেশ্বনৰ সভ্য হব নোৱাৰে" বুলি লিখা দফাটো নিয়মাৱলীৰ পৰা তুলি দিয়ে। আনকি তাৰ পাচত কমিউনিষ্ট ছাত্ৰসকলে নিজেই মুছলিম ছাত্ৰ ফেডাৰেশ্বন বিলাক পুনৰ গঠন কৰি দিবলৈ আৰম্ভ কৰে।

কিন্তু এই প্ৰত্যেকটো অনুষ্ঠানৰ কোনোৱে গাইগুটীয়া ভাবে প্ৰাঃ ছাঃ কংগ্ৰেছৰ বিৰুদ্ধে থিয় হব নোৱাৰে। নামাজ দিশৰ পৰা ছাত্ৰ কংগ্ৰেছক

শলঠেকত পেলাবৰ বাবে চেষ্টা কৰিও বিফল মনোৰথ হৈ তেওঁলোকে একগোট হৈ কংগ্ৰেছৰ বিৰুদ্ধে খিয় দিলে। শিক্ষা দিৱস পতাৰ নামত অং ছাঃ ফেডাৰেশ্যন, অং প্ৰাঃ ছাঃ ফেডাৰেশ্যন আৰু মুছলীম ছাত্ৰ ফেডাৰেশ্যন একগোট হৈ ছাত্ৰ কংগ্ৰেছৰ বিৰুদ্ধে বিষোদ্গাৰ কৰিলে। ছাত্ৰ কংগ্ৰেছক বিভেদকাৰী বুলি গালি গালাজ কৰিলে।

অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছক দুৰ্ব্বল কৰিবৰ কাৰণে তেওঁলোকে আন এটি ভেদ নীতি ললে। এতি গৌৰৱৰ কথা যে অসমৰ ছাত্ৰী সমাজ সৰ্ব্বতোভাবে ছাত্ৰ কংগ্ৰেছৰ পতাকাৰ তলত সমবেত হৈছিল। বাকী কেইটা ছাত্ৰ অনুষ্ঠানত ছাত্ৰীৰ সংখ্যা নাই বুলিলেই হয়। ছাত্ৰী সকলৰ কাম কৰাৰ কিছুমান স্বকীয় ক্ষমতা আছে। ছাত্ৰীসকলে তৎক্ষণাত এটা মত গ্ৰহণ কৰি কামত লাগি নপৰে, নিজ বুদ্ধি খাটি কামত লাগিলে, বিৰুদ্ধবাদীৰ প্ৰৰোচনাই তেওঁলোকৰ [illegible] সলনি কৰিব নোৱাৰে। ছাত্ৰ কংগ্ৰেছ গঢ়ি উঠাত অসমৰ ছাত্ৰী সমাজৰ অৱদান [illegible] সেইকাৰণেই ছাত্ৰ কংগ্ৰেছৰ প্ৰতি আন ছাত্ৰ অনুষ্ঠানৰ [illegible] স্বাভাৱিক কথা। তেওঁলোকে ছাত্ৰীসকলক [illegible] কৌশল কৰি নিজৰ সপক্ষে [illegible] নোৱাৰিলেও, অন্ততঃ নিৰপেক্ষ কৰিবৰ বাবে [illegible] কৰিলে। ছোৱালীসকলৰ স্বকীয়া দাবীৰ ভিত্তিত [illegible] কৰাৰ নাম লৈ, তেওঁলোকে ছাত্ৰীসকলক [illegible] চেষ্টা কৰিলে। কিন্তু ছাত্ৰী সকলে এই [illegible] অভিসন্ধি [illegible] আৰু ছাত্ৰ কংগ্ৰেছৰ মাজত বিভেদ সৃষ্টি কৰিবৰ কাৰণে [illegible] এই চক্ৰান্ত ব্যৰ্থ কৰিলে।

ছাত্ৰ কংগ্ৰেছ [illegible] ক্ৰমে অসমৰ [illegible] প্ৰতিনিধিমূলক ছাত্ৰ অনুষ্ঠান হৈ পৰিল—সেই কাৰণে সকলো ক্ষেত্ৰতে [illegible] অৱলম্বন কৰিব লগীয়া হ'ল। সেই সময়ত মুছলীম লীগে উচ্ছেদ নীতিৰ বিৰুদ্ধে সত্যাগ্ৰহ কৰাৰ [illegible] লৈ, অসমত অৰাজকতাৰ আৰু সাম্প্ৰদায়িক মনোমালিন্যৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। গতিকে ছাত্ৰ কংগ্ৰেছৰো দায়িত্ব গধুৰ হৈ পৰিল। ছাত্ৰ-কংগ্ৰেছে চৰকাৰক অহেতুক ব্যতিব্যস্ত কৰাৰ পৰা ক্ষান্ত থাকিবলৈ মনস্থ কৰিলে। কিন্তু কমিউনিষ্ট পাৰ্টি আৰু ফেডাৰেশ্যনে চৰকাৰক যেনে তেনে শ'লঠেকত পেলাবৰ কাৰণে, চেষ্টাৰ ত্ৰুটি কৰা নাছিল। এনে এটা অৱস্থাত ছাঃ ফেডাৰেশ্যনে "শিক্ষা দিৱসৰ"

ধ্বনি তুলিলে। স্কুল কলেজ ধর্ম্মঘটৰ আহ্বান দিলে। তাৰিখ আছিল সেইটো ১৯৫৬ চনৰ ১ মে’।

[illegible] এই বছৰৰে মাৰ্চ মাহত ছাত্ৰ কংগ্ৰেছে “ছাত্ৰ-চনদ” প্ৰস্তুত কৰি—চৰকাৰৰ ওচৰত পেশ কৰিছিল। গতিকে নতুনকৈ আকৌ ধৰ্ম্মঘট কৰিবৰ কিবা প্ৰয়োজন আছে বুলি ছাত্ৰ-কংগ্ৰেছে বিবেচনা নকৰিলে—আৰু সেই [illegible] ছাত্ৰ কংগ্ৰেছে [illegible] ঘোষণা কৰিলে।

[illegible] ছাত্ৰ [illegible] ধৰ্ম্ম[illegible] বৰ্জ্জনৰ সিদ্ধান্ত কৰাৰ ফলত [illegible] ফেডাৰেশ্যন; অঃ প্ৰাঃ ছাত্ৰ [illegible] আহ্বান কৰা ধৰ্ম্মঘট—[illegible] অসমৰ বিভিন্ন [illegible] চেষ্টা কৰা হল।

[illegible] ছাত্ৰৰ শতকৰা দহ জন [illegible] নিদিলে [illegible] কোনো কোনো স্কুলত [illegible] কৰিছিল। সোণাৰাম স্কুলৰ [illegible] কটনকলেজিয়েট স্কুলৰ পৰা [illegible] মাত্ৰ এইজনমানেহে ইয়াত যোগ দিলে। [illegible] পৰা [illegible] মান সৰু ছোৱালীয়ে [illegible] ছাত্ৰসকলে নতিয়া ধৰ্ম্মঘটত যোগ দিলে [illegible]—[illegible] সকলৰ মাজৰ পৰা কেইজনমানে [illegible] ছাত্ৰ [illegible] আৰু স্কুলৰ শিক্ষক সকলৰ প্ৰতি [illegible] দেখা হয়। [illegible] নহয়, ছাত্ৰসকল ওলাই নহাত, [illegible] সকলে “কামৰূপ একাডেমী ধ্বংস হওক” বুলি স্কুলৰ কম্পাউণ্ডৰ ভিতৰত উৰি পৰা জাতীয় পতাকাখন নমাই লৈ যায়। সেইদৰে প্ৰত্যেকখন স্কুলৰ সন্মুখতে “কলেজিয়েট স্কুল ধ্বংস হওক”; “ছোৱালী হাইস্কুল ধ্বংস হওক”; “ছাত্ৰ কংগ্ৰেছ ধ্বংস হওক” আদি ধ্বনিৰেহে শিক্ষা দিবস পালন কৰে।”

এনেকুৱা ঘটনা অকল গুৱাহাটীতে নহয় অসমৰ কেইবাখনো চহৰত ঘটিছিল।

গাৱঁৰ স্কুল বিলাকত এই অনুষ্ঠান বিলাকৰ নাম গোন্ধেই নাছিল, গতিকে সেইবোৰ ঠাইত তেওঁলোকে একো গোলমাল কৰিব পৰা নাছিল। নগাৰত

প্ৰাঃ ছাঃ কংগ্ৰেছৰ জিলা শাখাই এক মেই তাৰিখে স্কুল ছুটীৰ পাচত শোভাযাত্ৰা, সভা আদি কৰি শিক্ষা দিবস পালন কৰাৰ সিদ্ধান্ত লয়। দুই মে' তাৰিখে প্ৰঃ ছাঃ ফেডাৰেশ্বন আৰু মুঃ ছাঃ ফেডাৰেশ্বনে ধৰ্ম্মঘটৰ আহ্বান জনায়। তেতিয়াও ছাত্ৰ-ছাত্ৰীসকল স্কুলৰ পৰা ওলাই নহাত তেওঁলোকে বাহিৰৰ পৰা নানান অসৎ আৰু অকথ্য কথা চিঞৰিবলৈ লয়, আৰু স্কুলৰ পৰা লৰা উলিয়াই আনিবলৈ বলপ্ৰয়োগ কৰে।

নগাৱঁতো "কংগ্ৰেছ গৱৰ্ণমেণ্ট ধ্বংস হওক"—"ছাত্ৰ কংগ্ৰেছ ধ্বংস হওক" আদি ধ্বনিৰে শিক্ষা দিবস পালন কৰা হয়।

পুৰণি গুদাম হাইস্কুলৰ ছাত্ৰ সকলেও ধৰ্ম্মঘট কৰিবলৈ অস্বীকাৰ কৰাত এজন কমিউনিষ্ট ছাত্ৰই ধৰ্ম্মঘট নকৰা ছাত্ৰ এজনক মাৰ পিট কৰে, তথাপিও স্কুলৰ শতকৰা ১২ জন মান ছাত্ৰইহে ধৰ্ম্মঘটত যোগ দিয়ে।

এই দৰেই কমিউনিষ্ট, বিপ্লৱী কমিউনিষ্ট আৰু লীগৰ ছাত্ৰ সকলে "শিক্ষা দিবস"ৰ নামত গোটেই অসমতে কংগ্ৰেছ চৰকাৰ আৰু ছাত্ৰ কংগ্ৰেছৰ বিৰুদ্ধে এক তোলপাৰ কৰা দেখা গ'ল। "শিক্ষা দিবস"ৰ নামত হোৱা বাৰেৰে সভাতো ছাত্ৰ কংগ্ৰেছৰ বিৰুদ্ধে অকথ্য ভাষাৰে গালি গালাজ কৰি বক্তৃতাৰ ফুলজাৰি মেলিলে।

ইমান কৰা সত্ত্বেও, অসমৰ ছাত্ৰ সকলে ছাত্ৰ কংগ্ৰেছক নিজৰ ডোকাৰ ভাৰৰ দৰেই ৰাখি—নিজ আদৰ্শৰ ওপৰত অবিচলিত থাকিল। ছাত্ৰ কংগ্ৰেছ দুগুণে শক্তিশালী হৈ উঠিল।

নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ দশম বাৰ্ষিক অধিবেশন

নতুনকৈ সংগঠিত হোৱাৰ পাচত, নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ প্ৰথম তথা নবম অধিবেশন ১৯৪৪ চনৰ ডিচেম্বৰ মাহত বোম্বাইত বহে। ইয়াৰ ঠিক দুবছৰৰ পাচত দিল্লীত ইয়াৰ দশম অধিবেশন বহে। ১৯৪৪ চনৰ পৰা ১৯৪৬ চনলৈকে এই দুবছৰ কালৰ ভিতৰত ভাৰতৰ ৰাজনৈতিক অৱস্থা আৰু আন্তৰ্জ্জাতিক পৰিস্থিতিৰ যথেষ্ট পৰিবৰ্ত্তন হৈছিল। সেই দেখিয়েই দিল্লীত বহা এই অধিবেশনৰ গুৰুত্ব আছিল যথেষ্ট বেচি।

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ পৰা অহা প্ৰায় ডেৰ হাজাৰ প্ৰতিনিধিয়ে এই অধিবেশনত যোগ দিছিল। ছাত্ৰী প্ৰতিনিধিৰ সংখ্যাও এই অধিবেশনত আগতকৈ বেচি আছিল। অসমৰ পৰা ৩৫ জন প্ৰতিনিধি এই অধিবেশনলৈ গৈছিল, তাৰ ভিতৰৰে ৫ জন আছিল মণিপুৰ ছাত্ৰ কংগ্ৰেছৰ প্ৰতিনিধি। উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ পৰা যি সকল প্ৰতিনিধি আহিছিল, তেওঁলোকে এই অধিবেশনত আগভাগ লৈছিল। ১৪ জন "লালকুৰ্ত্তা" স্বেচ্ছাসেৱকে অধিবেশনৰ শৃঙ্খলা ৰক্ষা কৰাত যথেষ্ট ভাগ লৈছিল।

প্ৰথম দিনাৰ অধিবেশন উদ্বোধন কৰাৰ কথা আছিল সমাজতন্ত্ৰী নেতা শ্ৰীজয়প্ৰকাশ নাৰায়ণে। সেই অনুসৰি তেওঁ সভালৈ অহাত, বঙ্গদেশৰ ফৰৱাৰ্ড ব্লক আৰু বিপ্লৱী কমিউনিষ্ট পন্থী কেইজনমানে, তেওঁক অপমান কৰিবলৈ চেষ্টা কৰে। তেওঁ কয় যে যদি এজন ছাত্ৰয়ো তেওঁ সভাত বক্তৃতা দিয়া বা উদ্বোধন কৰাটো নিবিচাৰে তেনেহ'লে তেওঁ সভা উদ্বোধন নকৰে। কিন্তু প্ৰতিনিধিসকলে জোৰকৈ ধৰাত তেওঁ বক্তৃতা দিবলৈ মান্তি হ'ল।

দ্বিতীয় আৰু তৃতীয় দিনাৰ অধিবেশনত গণপৰিষদৰ সভাপতি ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ, আমেৰিকাৰ ইণ্ডিয়া লীগৰ—ছদাৰ জে, জে, সিং আৰু জাতীয়তাবাদী মুছলমান নেতা ছৈয়দ হুছেনে বক্তৃতা দিয়ে।

চতুৰ্থ দিনাৰ সভাত পণ্ডিত নেহৰু, আচাৰ্য্য কৃপালনি আৰু শ্ৰীশঙ্কৰ ৰাও দেৱে বক্তৃতা দিয়ে। পণ্ডিত নেহৰুক সেইদিনাখন এছিয়াৰ সকলো দেশৰ পতাকাৰে অভিবাদন জনোৱা হয়।

প্ৰথমদিনাৰ অধিবেশনত কি হৈছিল, সেই সম্পৰ্কে অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ মুখপত্ৰ "জাগৰণ"ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাত প্ৰচাৰ কৰা খবৰৰ পৰা তলৰ কথাখিনি হুবহু তুলি দিয়া হ'ল।

"শ্ৰীযুত অৰবিন্দ বসু বঙ্গদেশৰ শ্ৰীযুত শৰৎচন্দ্ৰ বসুৰ পৰিয়ালৰ এজন। তেওঁৰ হেপাহ আছিল, নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ সভাপতি হোৱা। যদিও তেওঁৰ ছাত্ৰ জীৱন ১৯৩৯ চনতে শেষ হৈছিল, তথাপি এই উদ্দেশ্যেই তেওঁ বৰিশালৰ কোনো কলেজত হেনো আকৌ নাম লিখিছে। এইবাৰ দিল্লী অধিবেশনৰ সময়ত তেওঁ নিজে সভাপতি হোৱাৰ কাৰণে অশেষ চেষ্টা কৰে আৰু ছাত্ৰ কংগ্ৰেছৰ নেতাসকলৰ পৰা

তেওঁক সভাপতি পতাৰ আশ্বাস বিচাৰে, কিন্তু কোনোৱে তেওঁক আশ্বাস নিদিয়াত, অধিবেশনৰ সময়ত, তেওঁৰ মতাবলম্বী অৰ্থাৎ বঙ্গদেশৰ পৰা যোৱা কেইজনমান ফৰৱাড ব্লক আৰু ঠাকুৰপন্থী ছাত্ৰৰ লগলাগি অভি-যোগ কৰে যে নিয়মমতে নিৰ্ব্বাচিত হোৱা প্ৰতিনিধি কিছুমানক কাৰ্ড দিয়া হোৱা নাই। আৰু অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেশ্যনক এই অধিবেশনলৈ নিমন্ত্ৰণ কৰিও, প্ৰতিনিধি সকলৰ কাৰণে কোনো কাৰ্ড আদি দিয়া নাই। এই দুয়োটা অভিযোগেই সম্পূৰ্ণ মিছা। কিন্তু তাৰে অজুহাত লৈ তেওঁলোকে বেলেগে কোনো সভাশালাত যেনো এখন সভাপাতি নিজৰ সভাপতি আৰু সম্পাদক বাছি লয়। সভাপতি হ'ল শ্ৰীঅৰবিন্দ বসু। তেওঁলোকে বঙ্গদেশৰ বাহিৰে আন প্ৰদেশৰ সমৰ্থন নাপাই সমাজতান্ত্ৰিক নেতা শ্ৰীজয়প্ৰকাশৰ বিৰুদ্ধে বিক্ষোভ প্ৰকাশ কৰি, তেওঁলোকৰ দাবীৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে—কিন্তু সিও বিফল হ'ল।"

সেই অধিবেশনৰ লগতে ছাত্ৰী সকলৰ এখন অধিবেশন, দেশীয় ৰাজ্যৰ ছাত্ৰ সকলৰ এখন সভা আৰু গোটেই এছিয়াৰ বিভিন্ন দেশৰ ছাত্ৰ সকলৰ এখন অনুষ্ঠান প্ৰতিষ্ঠাৰ কাৰণে আলোচনা কৰিবলৈ, এছিয়াৰ বিভিন্ন দেশৰ ছাত্ৰ প্ৰতিনিধি সকলে মিঃ ভাং চুং [illegible]চৰ নিমন্ত্ৰণ অনুসৰি ভাৰতলৈ আহি সকলোৱে মিলি এখন প্ৰস্তুতি কমিটি (Preparatory Committee) পাতে।

ছাত্ৰ আন্দোলনত ছাত্ৰ কংগ্ৰেছৰ নেতৃত্ব

কহিমাৰ ছাত্ৰ ধৰ্ম্মঘট :

—'আমি বাধ্যতামূলক কামজাৰি নকৰো। যি বিলাক কাম সৰ্ব্ব সাধাৰণে ঘিণ কৰে, সেই বিলাক কাম কৰিবলৈ আমাৰ অভিভাবক সকলে আমাক পঠাব নে?' —এই বুলি কহিমা হাইস্কুলৰ নগা ছাত্ৰ ছাত্ৰী সকলে, কৰ্ত্তৃপক্ষৰ অন্যায় আচৰণৰ বিৰুদ্ধে থিয় দি এমাহ জুৰি কৃতকাৰ্য্যতাৰে ধৰ্ম্মঘট চলাইছিল।

ছাত্ৰ ছাত্ৰী সকলে বাধ্যতামূলক কামজাৰি উঠাই দিয়াৰ কাৰণে কৰা আবেদন হেডমাষ্টৰেও নুশুনিলে, মেনেজিং কমিটিয়েও নুশুনিলে আৰু আনকি ট্ৰাইবেল কাউন্সিলেও নুশুনিলে। এই ন্যায্য দাবী জনাবলৈ গৈ

গৈ দুজন ছাত্ৰই শাস্তিহে মূৰপাতি লব লগীয়াত পৰিছিল। স্কুলৰ ছাত্ৰ সকলে, উক্ত প্ৰতিনিধি দুজনৰ শাস্তি আৰু বাধ্যতামূলক কামজাৰি উঠাই লবলৈ মেনেজিং কমিটিৰ ওচৰত আবেদন কৰে। কিন্তু তাৰো একো ফল নধৰিলে। জিলাৰ বৰচাহাবৰ অত্যাচাৰ জাউৰীয়ে জাউৰীয়ে ছাত্ৰ সকলৰ ওপৰত চলিল। কহিমাৰ বাহিৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত বহিষ্কাৰৰ আদেশ জাৰী হ'ল। পুলিচৰ চোকা নজৰত ছাত্ৰ-ছাত্ৰীসকলক এনেদৰে ৰখা হ'ল, যাতে তেওঁলোক পাঁচজনো একেলগে গোটখাই ধৰ্ম্মঘটৰ বিষয়ে আলোচনা কৰিব নোৱাৰে। এনে বাধা বিঘিনিৰ মাজতো ছাত্ৰ-ছাত্ৰীসকলে ১৯৪৬ চনৰ ১৭ অক্টোবৰৰ পৰা এমাহৰ ওপৰ ধৰ্ম্মঘট চলাই থাকিল। এই ন্যায্য-দাবীৰ আহ্বান কৈয়ামতো নাহি পৰিলহি। অসম প্ৰদেশ ছাত্ৰ কংগ্ৰেছৰ নেতৃত্বত গোটেই অসম জুৰি প্ৰতিবাদ দিন পালন কৰা হ'ল। ধৰ্ম্মঘটৰ সুমীমাংসাৰ কাৰণে শ্ৰীবীৰেন বৰকটকী আৰু শ্ৰীবিজয় দাসক ছাত্ৰ কংগ্ৰেছৰ প্ৰতিনিধি স্বৰূপে কহিমালৈ পঠোৱা হ'ল।

ছাত্ৰ কংগ্ৰেছৰ প্ৰতিনিধি দুজনে প্ৰধানমন্ত্ৰী বৰদলৈ ডাঙৰীয়াৰ লগত কহিমালৈ গৈ ধৰ্ম্মঘটৰ বিষয়ে তদন্ত কৰে, ছাত্ৰসকলৰ দাবীৰ কথা বৰদলৈ ডাঙৰীয়াক জনায়। বৰদলৈ ডাঙৰীয়া আৰু উক্ত প্ৰতিনিধি দুজনৰ আগ্ৰহত ছাত্ৰ-ধৰ্ম্মঘটৰ এটা সু-মীমাংসা হয়।

ধুবুৰী কলেজৰ ছাত্ৰ ধৰ্ম্মঘট—

ধুবুৰী ভোলানাথ কলেজৰ ছাত্ৰ আৰু ধুবুৰী জিলা ছাত্ৰ কংগ্ৰেছৰ সম্পাদক শ্ৰীসৰ্ব্বানন্দ ৰায়ক, মিছা অজুহাত দেখুৱাই ৭ দিনৰ ভিতৰত টেন্সফাৰ লবলৈ, অন্যথাই কলেজৰ পৰা বহিষ্কাৰ কৰিব বুলি মেনেজিং কমিটিয়ে আদেশ জাৰী কৰে।

এই বিষয়ে তদন্ত কৰিবৰ কাৰণে প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ তৰফৰ পৰা সংগঠন সম্পাদক শ্ৰী[illegible] শৰ্ম্মাক পঠোৱা হয়। তদন্তৰ পাছত প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ সন্মুখত দাখিল কৰা প্ৰতিবেদনত সংগঠন সম্পাদকে কয় যে "মেনেজিং কমিটিৰ সিদ্ধান্ত পক্ষপাতিত্বমূলক হৈছে।" সেই মৰ্ম্মে প্ৰাঃ ছাঃ কংগ্ৰেছৰ তৰফৰ পৰা শ্ৰীৰায়ৰ ওপৰৰ পৰা বহিষ্কাৰৰ আদেশ প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাই এখন 'মেমৰেণ্ডাম' দাখিল কৰা হয়। কিন্তু মেনেজিং কমিটি ৰহিল যদিও তেওঁলোকৰ আগত আদেশকে বাহাল ৰাখে।

তাৰ পাচত তেজপুৰত বহা অঃ প্ৰাঃ ছাঃ কংগ্ৰেছৰ কাৰ্য্যনিৰ্ব্বাহক কমিটিয়ে আকৌ শ্ৰীবিজয় শৰ্ম্মাক মেনেজিং কমিটিৰ লগত আলোচনা কৰিবলৈ পঠায়। কাৰ্য্যনিৰ্ব্বাহক কমিটিয়ে এই মৰ্ম্মে নিজ নীতি ঘোষণা কৰি কয়, "কলেজ কতৃপক্ষৰ লগত সংঘৰ্ষ কৰা আমাৰ নীতি নহয়। এনে অৱস্থাৰ সৃষ্টি হলে নতুনকৈ স্থাপিত হোৱা ভোলানাথ কলেজৰ যথেষ্ট ক্ষতি হোৱাৰ সম্ভাৱনা আছে।" কাৰ্য্যনিৰ্ব্বাহক সভাই ছাত্ৰ কংগ্ৰেছৰ সংগঠন সম্পাদকক নিজ দায়িত্বত ছাত্ৰ কংগ্ৰেছৰ নীতি অনুসৰি কাম কৰিবলৈ দিয়ে।

তেওঁ গৈ কলেজ মেনেজিং কমিটিৰ লগত আলোচনা কৰি, ছাত্ৰ কংগ্ৰেছৰ তৰফৰ পৰা বহিস্কাৰৰ আদেশ তুলি লবলৈ অনুৰোধ কৰে। কিন্তু মেনেজিং কমিটিয়ে আপোনমত সলাবলৈ চাবি, ডাঙ্কোপমৰা কথাকে কলে। তেতিয়া ছাত্ৰ কংগ্ৰেছৰ প্ৰতিনিধিয়ে ছাত্ৰ সকলক লগ ধৰি, ছাত্ৰ কংগ্ৰেছৰ শেষ সিদ্ধান্ত জনায়। সেই সিদ্ধান্ত হৈছে "মেনেজিং কমিটিয়ে বহিস্কাৰৰ আদেশ প্ৰত্যাহাৰ নকৰালৈকে কলেজ ধৰ্ম্মঘট।" কলেজৰ ছাত্ৰ সকলে ধুবুৰীবাসী বাইজৰ দ্বাৰা গঢ়ি উঠা একমাত্ৰ কলেজৰ ভবিষ্যত ভাবি শঙ্কিত হৈ পৰে আৰু ছাত্ৰ কংগ্ৰেছক তেওঁলোকৰ সিদ্ধান্ত সাতদিনলৈ কাৰ্য্যকৰী নকৰিবলৈ অনুৰোধ কৰে। ইয়াৰ ভিতৰতে তেওঁলোকে "ভোলানাথ কলেজৰ হিতকাংক্ষী ছাত্ৰ হিচাবে" আলোচনা চলালে। কলেজ মেনেজিং কমিটিয়ে ছাত্ৰ সকলে দিয়া অনুৰোধ পত্ৰৰ উত্তৰ ৭ দিনৰ মূৰতো নিদিলে। ছাত্ৰ কংগ্ৰেছে তেতিয়া ধৰ্ম্মঘট ঘোষণা কৰে। ছাত্ৰী সমন্বিতে কলেজৰ শতকৰা ৯৮ জন ছাত্ৰয়েই এই ধৰ্ম্মঘটত যোগদান কৰে।

ইয়াৰ পাচত অঃ প্ৰাঃ ছাঃ কংগ্ৰেছৰ সাধাৰণ সম্পাদক শ্ৰীবিশ্ব-গোস্বামী ধুবুৰীলৈ যায় আৰু সকলো ছাত্ৰক লগ ধৰি ধৰ্ম্মঘট চলাই যাবলৈ উপদেশ দি ছাত্ৰ সকলক কয়, "গোটেই অসমৰ ছাত্ৰ সমাজ আজি ধুবুৰীৰ ভোলানাথ কলেজৰ ছাত্ৰ সমূহৰ পাচত আছে। অন্যায়ৰ বিৰুদ্ধে থিয় দিয়ক। সংঘৰ্ষ আমি নিবিচাৰো কিন্তু সংঘৰ্ষৰ প্ৰয়োজন হলে, তাৰ কাৰণেও আমি পাচ নোহোঁকো।"

ছাত্ৰ সকলৰ দাবীৰ সমৰ্থনত ধুবুৰীত ৰাজহুৱা সভা হ'ল। অসমৰ আন আন শিক্ষানুষ্ঠানতো প্ৰতিবাদ সভা পতা হ'ল আৰু কলেজৰ মেনেজিং কমিটিক, ভোলানাথ কলেজৰ তথা অসমৰ মঙ্গলৰ কাৰণে, তেওঁলোকৰ অন্যায় জিদ উঠাই লবলৈ দাবী জনোৱা হ'ল।

মেনেজিং কমিটিৰ ত্ৰাসৰ সঞ্চাৰ হ'ল। ছাত্ৰ সমাজৰ শক্তিৰ কি আভাষ, তেওঁলোকৰ গোচৰিভূত হ'ল—আৰু সৰশেষত কলেজ মেনজিং কমিটিৰ সভাপতি জাৰ্ম্মান চাহাব, ভোলানাথ কলেজলৈ গৈ ছাত্ৰ সকলক সকলো কথা পাহৰি যাবলৈ অনুৰোধ কৰি বহিষ্কাৰৰ আদেশ উঠাই ললে।

বিশ্ব যুবক প্ৰতিনিধি দলৰ গুৱাহাটীলৈ আগমন

১৯৪৭ চনৰ ৬ মাৰ্চ্চত গুৱাহাটীৰ অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছ কাৰ্য্যালয়ত, বিশ্ব যুবক প্ৰতিনিধি দলৰ লগত ছাত্ৰ কংগ্ৰেছৰ কৰ্ম্মীসকলে সন্ধ্যা ৭ বজাৰ পৰা ৮-৩০ বজালৈ, পৃথিবীৰ যুবক আন্দোলন সম্পৰ্কে আলোচনা কৰে। আলোচনাৰ প্ৰাৰম্ভণি প্ৰতিনিধি দলটোক অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয় আৰু ভাৰতৰ ছাত্ৰ আন্দোলনৰ এটি আভাষ দিয়া হয়। ১৯৪২ চনত ভাৰতবৰ্ষত হোৱা আন্দোলনৰ, সময়ত কেনেকৈ নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনে স্বাধীনতা সংগ্ৰামৰ বিৰুদ্ধাচৰণ কৰিছিল, তাৰ বিষয়ে প্ৰতিনিধি দলটোৰ দৃষ্টি আকৰ্ষণ কৰা হয়। ভাৰতবৰ্ষৰ ছাত্ৰ আন্দোলনৰ একমাত্ৰ প্ৰতিনিধিমূলক অনুষ্ঠান যে নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছ: তাৰ বিষয়েও আলোচনা কৰা হয়।

'জনযুদ্ধ' সম্পৰ্কে কৰা প্ৰশ্নৰ উত্তৰত প্ৰতিনিধি দলটোৱে কয়, "কিছুমান দেশৰ কাৰণে, গোটেই যুদ্ধখনক 'জনযুদ্ধ' বুলি আখ্যা দিয়া ভুল হব, বিশেষকৈ পৰাধীন দেশৰ কাৰণে এইখন 'জনযুদ্ধ' নাছিল।" ১৯৪২ চনৰ আন্দোলনত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ ভূমিকা সম্পৰ্কে কৰা প্ৰশ্নৰ উত্তৰত তেওঁলোকে কয়—"১৯৪২ চনত হোৱা ভাৰতীয় আন্দোলন আৰু সেই আন্দোলনৰ সময়ত কমিউনিষ্ট পাৰ্টিয়ে কি কৰিছিল, সেই বিষয়ে ভাৰতৰ যলৈকে গৈছো তাতেই শুনিবলৈ পাইছো। গতিকে এই বিষয়ত ভাৰতবৰ্ষৰ জনমত সম্পৰ্কে আমি সজাগ। কিন্তু তেওঁলোকৰ কাৰ্য্যকলাপৰ ওপৰত আমি মতামত দিব নোখোজো।"

ইয়াৰ পাচত বিশ্ব যুবক কংগ্ৰেছৰ প্ৰতিনিধিসকলৰ তৰফৰ পৰা তলৰ প্ৰশ্ন কেইটা কৰা হয়। ছাত্ৰ কংগ্ৰেছৰ উত্তৰো লগতে উল্লেখ কৰা হ'ল।

প্ৰশ্নঃ— ছাত্ৰ কংগ্ৰেছে বিশ্ব যুবক সংঘৰ নিচিনা, বিভিন্ন দেশখিনিৰ যুবকসকলৰ এটা উমৈহতীয়া অনুষ্ঠানৰ ওপৰত আস্থা ৰাখে নে?

উত্তৰ ঃ—যদিওবা পৰাধীন দেশৰ যুবক আৰু স্বাধীন দেশৰ যুবক সকলৰ মাজত যথেষ্ট পাৰ্থক্য আছে, তথাপি পৃথিবীৰ বিভিন্ন দেশ বিলাকৰ, গণতন্ত্ৰত বিশ্বাস ৰখা 'প্ৰকৃত প্ৰগতিশীল যুবক অনুষ্ঠান বিলাকৰ প্ৰতিনিধি সকলৰ দ্বাৰা গঠিত'—বিশ্ব যুবক সঙ্ঘৰ ওপৰত, ছাত্ৰ কংগ্ৰেছে সম্পূৰ্ণ আস্থা ৰাখে।

প্ৰশ্ন ঃ—তেনেহলে ছাত্ৰ কংগ্ৰেছে, বিশ্ব যুবক সঙ্ঘৰ লগত কি সৰ্ত্তত সহযোগ কৰিব খোজে।

উত্তৰ ঃ-বিশ্ব যুবক সঙ্ঘত ভাৰতবৰ্ষৰ তৰফৰ পৰা এটা প্ৰতিক্ৰিয়াশীল যুবক অনুষ্ঠানে (কম্যুনিষ্ট কবলিত, নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যন) প্ৰতিনিধিত্ব কৰি আছে। ছাত্ৰ কংগ্ৰেছে পুনৰ ঘোষণা কৰিব খোজে যে ভাৰতবৰ্ষৰ ছাত্ৰ সমাজক প্ৰতিনিধিত্ব কৰিব পাৰে, কেৱল নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছেহে; নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনে নহয়। বিশ্ব যুবক সঙ্ঘই এই কথা স্বীকাৰ কৰি লব লাগিব। কিন্তু দুখৰ বিষয় যে যোৱা বিশ্ব যুবক কংগ্ৰেছৰ প্ৰেগ অধিবেশনৰ সময়ত, নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ তৰফৰ পৰা এই বিলাক কথা স্পষ্টকৈ জনোৱা স্বত্বেও আৰু নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছ আৰু নিখিল ভাৰত মুছলীম ছাত্ৰ ফেডৰেশ্যনে, নতুনকৈ গঠিত হোৱা আন্তৰ্জাতিক ছাত্ৰ ইউনিয়নত যোগ দান নিদিয়া স্বত্বেও; নিখিল ভাৰত ছাত্ৰ ফেডাৰেশ্যনৰ প্ৰতিনিধিক কাউন্সিল আৰু কাৰ্য্য নিৰ্ব্বাহক সমিতিত স্থান দিয়া হৈছে। এতিয়াও বিশ্ব যুবক সঙ্ঘই, নিঃ ভাঃ ছাত্ৰ ফেডাৰেশ্যনৰ ঠাইত, নিঃ ভাঃ ছাত্ৰ কংগ্ৰেছক, প্ৰতিনিধিমূলক অনুষ্ঠান বুলি স্বীকাৰ কৰি ললে, ছাত্ৰ কংগ্ৰেছে বিশ্ব যুবক সঙ্ঘত যোগ দিব পাৰে।

এই সম্পৰ্কে প্ৰতিনিধি দলটোৱে কয় যে এই কথা তেওঁলোকে কাৰ্য্য নিৰ্ব্বাহক কমিটিক জনাব আৰু সেই বিষয়ক সিদ্ধান্ত কাৰ্য্য নিৰ্ব্বাহক কমিটিয়েহে লব।

ছাত্ৰ আৰু দলগত ৰাজনীতি

অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ তৃতীয় বাৰ্ষিক অধিবেশন ১৯৪৭ চনৰ অক্টোবৰ মাহৰ ২৭,২৮ আৰু ২৯ তাৰিখে গোলাঘাটত বহে। মূল অধিবেশনৰ সভাপতিত্ব কৰে প্ৰাঃ ছাঃ কংগ্ৰেছৰ সভাপতি শ্ৰীবিশ্বদেৱ

শৰ্মাই। সভা উদ্বোধন কৰে, বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ ৰাজনীতিৰ মুল অধ্যাপক শ্ৰীযুকুট বিহাৰী লালে। অধিবেশনৰ লগতে তৃখন তৰ্কসভা, এখন কৃষ্টি সভা আৰু এখন ছাত্ৰী অভিবৰ্ত্তনো হয়। সম্পাদকীয় প্ৰতিবেদন মতে, সেই বছৰত ছাত্ৰ কংগ্ৰেছৰ সভ্য সংখ্যা চৈধ্য হাজাৰ আছিল। এই অধিবেশনত অসমৰ ১২ খন জিলাৰ পৰা ৫৬০ জন প্ৰতিনিধিয়ে যোগদান কৰে। মণিপুৰ ছাত্ৰ কংগ্ৰেছৰ পৰা কেইবাজনো সহযোগী প্ৰতিনিধিয়ে সভাত যোগদান কৰে। অধিবেশনৰ প্ৰথম দিনাৰ মুকলি সভাত, নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ সাধাৰণ সম্পাদক শ্ৰীৰামকৃষ্ণ সিংহই বক্তৃতা দিয়ে।

অধিবেশনত গ্ৰহণ কৰা প্ৰস্তাৱ সমূহৰ ভিতৰত "ছাত্ৰ আৰু দলগত ৰাজনীতি" সম্পৰ্কীয় প্ৰস্তাৱটোৱেই গুৰুত্বপূৰ্ণ আৰু বিতৰ্কমূলক হৈ পৰিছিল। প্ৰস্তাৱটোৰ পূৰ্ণপাঠ তলত দিয়া হ'ল:

"অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ আজিৰ এই অধিবেশনৰ এইটো সুচিন্তিত অভিমত যে ছাত্ৰ অনুষ্ঠানৰ ওপৰত কোনো ৰাজনৈতিক দলৰ প্ৰভাৱ থকা উচিত নহয়। ছাত্ৰ অনুষ্ঠানৰ ওপৰত দলগত ৰাজনীতিৰ প্ৰভাৱ থাকিলে, প্ৰকৃত ঐক্যবদ্ধ, গণতান্ত্ৰিক, স্বাধীন ছাত্ৰ অনুষ্ঠান গঢ়ি উঠাত বাধা জন্মে। আজিৰ সভাই বিশ্বাস কৰে যে ছাত্ৰ-সমাজৰ মাজত হোৱা বিভেদো দলগত ৰাজনীতিৰ প্ৰভাৱৰেই ফল। ছাত্ৰ সমাজৰ মাজত হোৱা বিভেদ দূৰ কৰি ঐক্যবদ্ধ ছাত্ৰ অনুষ্ঠান গঢ়ি তুলিবলৈ হলে, ছাত্ৰ অনুষ্ঠানত সঙ্কীৰ্ণ দলগত ৰাজনীতি সোমাবলৈ দিয়া অবিলম্বে বন্ধ কৰিব লাগিব।

গতিকে আজিৰ সভাই প্ৰস্তাৱ কৰে যে অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ কোনো সভ্যই কোনো ৰাজনৈতিক দল বা অনুষ্ঠানৰ সভ্য হব নোৱাৰিব।"

এই সময়ত বিভিন্ন ৰাজনৈতিক দলে ছাত্ৰ সকলৰ মাজত সোমাবৰ চেষ্টা কৰিছিল। ছাত্ৰ কংগ্ৰেছৰ মাজতো বিভিন্ন ৰাজনৈতিক দলে বিভেদ সৃষ্টি কৰিবলৈ চেষ্টা নকৰাকৈ থকা নাছিল। সেই দেখিয়েই দলীয় ৰাজনীতি সম্পৰ্কে ছাত্ৰ কংগ্ৰেছে নিজ মত দাঙি ধৰিলে। সুখৰ কথা এই প্ৰস্তাৱৰ প্ৰতি অকুণ্ঠ সমৰ্থন থকা বাবেই, ছাত্ৰ কংগ্ৰেছৰ মাজত বিভেদ সৃষ্টি নোহোৱাকৈ থাকিল।

প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ চতুৰ্থ অধিবেশন হহে গুৱাহাটীত ১৯৪৮ চনত। সভাত সভাপতিত্ব কৰে প্ৰাঃ ছাঃ কংগ্ৰেছৰ সভাপতি শ্ৰীউত্তম চন্দ্ৰ তহ-

বিলদাৰে। এই সভাৰৈ নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ সভাপতি শ্ৰীৰবীন্দ্ৰ বৰ্ম্মা আহিছিল। তেওঁ ভাৰতত "জাতীয় ছাত্ৰ ইউনিয়ন" এখন গঠন কৰাৰ বিষয়ে বিবৰি কয়।

পঞ্চম অধিবেশন বহে ১৯৪৯ চনত যোৰহাটত। প্ৰাঃ ছাত্ৰ কংগ্ৰেছৰ সভাপতি শ্ৰীকিৰণ বৰুৱাই এই সভাৰ সভাপতিত্ব কৰে। সভা উদ্বোধন কৰে আচাৰ্য্য জে. বি. কৃপালনীয়ে।

জাতীয় ছাত্ৰ ইউনয়ন গঠন

দেশ স্বাধীন হোৱাৰ পাচত ভাৰতবৰ্ষৰ আন্দোলনে এটা নতুন ৰূপ পৰিগ্ৰহ কৰিবৰ প্ৰয়োজনে দেখা দিলে। দেশ গঠনৰ কাৰণে আৰু বিশেষকৈ দেশৰ ছাত্ৰ-বৃন্দক উপযুক্ত নাগৰিক হিচাবে গঢ়ি তোলাৰ দায়িত্বৰ পৰা দেশত থকা বিভিন্ন ছাত্ৰ অনুষ্ঠান সমূহে গা-এৰা দিব নোৱাৰে। স্বাধীনতা লাভৰ পাচতো আৰম্ভে নিখিল ভাৰতৰ ছাত্ৰ ফেডাৰেশনে, "এই স্বাধীনতা ভুৱা" : এই স্বাধীনতা হৈছে "ইংৰাজ আমেৰিকাৰ অৰ্থনৈতিক শোষণৰ ভুৱা ৰূপ" ইত্যাদি কথা প্ৰচাৰিব লাগিল।

১৯৪৭ চনৰ শেষত বিশ্ব ছাত্ৰ প্ৰতিষ্ঠানৰ এটা সজাতি দল ভাৰতলৈ আহিছিল। সেইলোকে ভাৰতৰ বিভিন্ন ছাত্ৰ অনুষ্ঠানৰ লগত নানা কথা আলোচনা কৰে। এই প্ৰতিনিধি দলৰ উপস্থিতিত, ২৮ মাৰ্চ্চ তাৰিখে দিল্লীত বিভিন্ন ছাত্ৰ অনুষ্ঠানৰ প্ৰতিনিধি সকলৰ মাজত, ভাৰতবৰ্ষত এটা মাত্ৰ ছাত্ৰ অনুষ্ঠান গঢ়ি তুলিবৰ কাৰণে আলোচনা চলে। নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছে সেই সভাত প্ৰস্তাৱ কৰে যে গোটেই ভাৰতৰ ছাত্ৰ সকলৰ এখন ঐক্যবদ্ধ ছাত্ৰ অনুষ্ঠানৰ অতি আৱশ্যক। সেই উদ্দেশ্যে গোটেই ভাৰতৰ স্কুল কলেজৰ ছাত্ৰ সকলৰ (১৪ৰ পৰা ৩০ বছৰলৈ) মাজত এটা সাধাৰণ নিৰ্ব্বাচন হওক। এই নিৰ্ব্বাচিত প্ৰতিনিধি সকলে, গণতান্ত্ৰিক নিয়মে এখন সম্পূৰ্ণ নতুন ছাত্ৰ অনুষ্ঠানৰ ভিত্তি ৰচনা কৰক আৰু তাৰ পিচত, বৰ্ত্তমান যি কেইখন ছাত্ৰ অনুষ্ঠান আছে সেই বিলাক ভাঙি দিয়া হওক। ছাত্ৰ কংগ্ৰেছৰ ফালৰ পৰা কোৱা হয় যে এনে এখন অনুষ্ঠানে গঢ় ললে, নিঃ ভাঃ ছাঃ কংগ্ৰেছ ভাঙি দিয়া হব। কিন্তু ভাৰতৰ ছাত্ৰ সকলৰ মাজত স্থায়ী ঐক্য প্ৰতিষ্ঠাৰ হকে কৰা এনে প্ৰস্তাৱো—নিঃ ভাঃ ছাঃ ফেডাৰেশ্যন, মুছলীম ছাত্ৰ ফেডাৰেশ্যন আৰু শ্ৰীঅৰবিন্দ বসুৰ তথাকথিত ছাত্ৰ কংগ্ৰেছে প্ৰত্যাখ্যান কৰে।

নিঃ ভাঃ ছাঃ কংগ্ৰেছৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ উদয়পুৰ অধিবেশনত, পোন প্ৰথমে, এই জাতীয় ছাত্ৰ ইউনিয়ন গঠন সম্পৰ্কীয় প্ৰস্তাৱ উত্থাপিত হয় আৰু ইয়াৰ মৌলিক নীতি গৃহীত হয়। এই সম্পৰ্কে A. I. S. C. Bulletin No 1 ত লিখা হৈছিল ;

"By the Udaipur resolution we had expressed ourselves in favour of students' unity "irrespective of political or organisational affiliations", but we could not subscribe to the 'top organisational unity" of the A. I. S. F. pattern. We do not believe that an artificial alignment of forces at the top can forge real unity. We do not believe in foisting a totalitarian regime on the students without ascertaining their wishes. If therefore the A. I. S. F. is at all sincere in its protestations of unity, let it face the democratic procedure of having the issue decided at the polls. Let them face the electorate and secure their verdict and we shall abide by it. We are ready to settle accounts with them in open general election".

কিন্তু নিঃভাঃছাঃ ফেডাৰেশ্যন বা আন অনুষ্ঠান সমূহে এই আহ্বানৰ বিৰোধীতা কৰিলে। ছাত্ৰ কংগ্ৰেছৰ দৃষ্টিভংগী সদায় গঠনাত্মক। কোনোবাই বিৰোধীতা কৰিলে বুলিয়েই এটা ভাল কাম কৰাৰ পৰা বিৰত হব তেওঁলোকে নুখুজিলে। দেশৰ নেতৃবৃন্দৰ সন্মুখত তেওঁলোকে এই প্ৰস্তাৱ উপস্থাপিত কৰিলে। শ্ৰীজয়প্ৰকাশ নাৰায়ণকে আদি কৰি দেশৰ নেতৃবৃন্দই ছাত্ৰ কংগ্ৰেছৰ এই আচনিৰ প্ৰতি অকুণ্ঠ সমৰ্থন জনালে।

১৯৪৮ চনত বাঙ্গালোৰত নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ অধিবেশন বহে। এই অধিবেশনতে "জাতীয় ছাত্ৰ ইউনিয়ন" (National Union of Students') সংগঠন কৰিবৰ কাৰণে, "জাতীয় প্ৰস্তুতি কমিটি" এখন (National Preparatory Committee) পাতি দিয়ে। এই কমিটিৰ চেয়াৰমেন হয় ডাঃ জাকিৰ হুছেইন। সেই অধিবেশনতে নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছ আনুষ্ঠানিক ভাবে ভাঙি দিয়া (stands dissolved) হয়। এই দৰেই ১৯৫০ চনত "জাতীয় ছাত্ৰ ইউনিয়ন"ৰ সূচনা হয়।

নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছ ভাঙি দিয়াৰ লগে লগে আপোনা আপুনি প্ৰদেশ ছাত্ৰ কংগ্ৰেছ সমূহো নিয়মতান্ত্ৰিকতাৰ ফালৰ পৰা ভাঙি গ'ল বুলি স্বীকৃত হৈ পৰিল।

National Union of Students'ৰ শাখা, প্ৰত্যেক প্ৰদেশৰ লগতে অসমতো আছে। কিন্তু এই অনুষ্ঠান যিভাবে চলিব লাগিছিল, সেই ভাবে চলা নাই। জাতীয় ছাত্ৰ ইউনিয়নে—ভাৰতৰ ছাত্ৰ আন্দোলনক পূৰ্ণতাৰ পথলৈ লৈ যাওক সেই আশাই আমি কৰোঁ। সেই আচনি কৃতকাৰ্য্য কৰিবলৈ, অসমে দিবলগীয়া বৰঙণি দিবলৈ পৰাঙ্মুখ নহব বুলি, বুকুত আমাৰ ভৰষা আছে।

স্বাধীনতাৰ উত্তৰ কালত যুবক সংগঠন

স্বাধীনতা লাভ হোৱাৰ পাচত ভাৰতবৰ্ষৰ ৰাজনৈতিক পটভূমিৰ বহুতো সলনি হবলৈ ধৰিলে। স্বাধীনতা যুদ্ধৰ কালত, ভিন্ ভিন্ ৰাজনৈতিক দল আছিল যদিও, মুক্তি সংগ্ৰামত সকলোৱে কংগ্ৰেছৰ পতাকাৰ তলত সমবেত হৈছিলহি বুলিব পাৰি। ১৯৩০ চনৰ পাচৰ পৰাই কংগ্ৰেছ অনুষ্ঠানৰ ভিতৰতে থাকি, বিভিন্ন আদৰ্শবাদ প্ৰতিষ্ঠাৰ হকে, একোটাহঁত দল গঠিত হৈছিল। স্বাধীনতা প্ৰাপ্তিৰ পাচত সেইদল সমূহ কংগ্ৰেছৰ পৰা আঁতৰি নিজ নিজ আদৰ্শৰ আলমত দল গঠন কৰিবলৈ তৎপৰ হল।

ৰাজনৈতিক আকাশত হোৱা এই পৰিবৰ্ত্তনে দেশৰ যুবক সাধাৰণক উদ্বুদ্ধ কৰাটো স্বাভাৱিক। সেইদেখি দেশৰ ছাত্ৰ আৰু যুবক বৃন্দই—নিজ আদৰ্শৰ লগ খাপ খোৱা ৰাজনৈতিক দলত, ভুক্ত বা সমৰ্থক হৈ কাম কৰিবলৈ ধৰিলে।

সৰ্ব্বভাৰতৰ লগতে, ঠিক এনেদৰেই অসমতো ১৯৪৭ চনৰ পাচত ইয়ং ছচিয়েলিষ্ট লীগ, প্ৰগ্ৰেছিভ ষ্টুডেণ্টছ ফ্ৰণ্ট, আদি নানান যুবক অনুষ্ঠানে গঢ় লবলৈ ধৰিলে। তাৰ বাহিৰেও, সম্প্ৰদায় আৰু জাতিগত ভেটিতো নানান যুবক অনুষ্ঠানে গঢ় ললে। এই কথাটো বিশেষভাৱে মন কৰিব লাগিব যে, ৰাজনৈতিক বিৰোধী দলে গঢ় লোৱাত আচৰিত হব লগীয়া একো নাই—কবলৈ গ'লে—সংসদী ৰাজনীতিৰ পৰিক্ৰমাত ই এটা সুস্থ চিনাক।

যুৱক কংগ্ৰেছ

ভাৰতবৰ্ষত আঞ্চলিক নানা ৰকমৰ যুৱক অনুষ্ঠান থাকিলেও সৰ্ব্বভাৰতীয় যুৱক অনুষ্ঠান নাই বুলিয়েই কব পাৰি। কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰী দপ্তৰৰ যোগেদি এনেকুৱা যুৱক অনুষ্ঠান গঢ়ি তুলিবলৈ যথেষ্ট অৰ্থকৰি ব্যৱস্থা হাতত ললে। যদি যুৱক সকলৰ এই সুযোগ লবৰ আগ্ৰহ নাথাকে, চৰকাৰে আগবঢ়োৱা ধনবে বিশেষ কিবা ফল হব নোৱাৰে। ইও ঠিক যে কেৱল আনে দিয়া ধনৰ ওপৰত নিৰ্ভৰ কৰা অনুষ্ঠান বেছি দিন স্থায়ী হব নোৱাৰে। সেই কাৰণেই কংগ্ৰেছ মহা-সভাই সৰ্ব্বভাৰতীয় যুৱক অনুষ্ঠান এটা গঢ়ি দিবৰ কাৰণে যথেষ্ট চেষ্টা কৰিলে। এই উদ্দেশ্যেই ভাৰতবৰ্ষত যুৱক কংগ্ৰেছৰ প্ৰতিষ্ঠা হ'ল।

দেশ স্বাধীন হোৱাৰ পাচত দেশত উদ্ভৱ হোৱা নানা সমস্যাই গোটেই জাতিটোকে অস্থিৰ কৰি তুলিলে। কংগ্ৰেছ ক্ষমতাত প্ৰতিষ্ঠিত হোৱাত বিৰুদ্ধবাদী দল বিলাকে নানা ৰকমে অপপ্ৰচাৰ কৰি গোটেই দেশতে এটা নিৰুৎসাহৰ ভাব সৃষ্টি কৰিলে। ফল স্বৰূপে দেশৰ গোটেই যুৱক সমাজ খেলি-মেলি হৈ পৰিল। দেশৰ জটিল সমস্যা সমাধানত আবদ্ধ থাকিব লগা হোৱাত, কংগ্ৰেছৰ নেতা সকলে এই বিষয়ত যথেষ্ট গুৰুত্ব দিব নোৱাৰাৰ কাৰণে, যুৱক সকলৰ কিছু অংশই নানান দলত ভৰ্ত্তি হল। আৰু বাকী গৰিষ্ঠ অংশই নিষ্ক্ৰিয় হৈ পৰিল। ইয়াৰ ফলত যুৱক আন্দোলনৰ গতি কিছু ৰোধ হৈ গল। কংগ্ৰেছে এটা সুস্থ যুৱক অনুষ্ঠান গঢ়ি তোলাৰ কথা, ১৯৫০ চনৰে পৰাই চিন্তা কৰি আহিছিল যদিও, ১৯৫৪ চনৰ পৰাহে ই সৰ্ব্বভাৰতীয় অনুষ্ঠান হিচাবে গঢ় ললে। অসমতো সেইদৰে যুৱক কংগ্ৰেছ অনুষ্ঠানৰ জন্ম হল।

যুৱক কংগ্ৰেছক কংগ্ৰেছে গঢ়ি তোলাৰ কাৰণেই কংগ্ৰেছৰ বহুতীয়া অনুষ্ঠান বুলি বহুতে আখ্যা দিয়ে। সন্দেহৰ কাৰণ ইয়াত যথেষ্ট থাকিবও পাৰে, কিন্তু অনুষ্ঠানৰ মৌলিক কথাবিলাক জানিলে এই সন্দেহ নিশ্চয় দূৰ হব।

দেশ স্বাধীন হোৱাৰ পাছত, দেশৰ ভাৰ কংগ্ৰেছৰ ওপৰতেই পৰিল। চৰকাৰে দেশবিভাজনৰ ফলত উদ্ভৱ হোৱা বিভিন্ন জটীল সমস্যাৱলী সমাধানৰ লগে লগে দেশত উন্নয়নমূলক প্ৰথম পাচ বছৰীয়া আঁচনিও হাতত ললে। তাৰ পাচত দ্বিতীয় পাচ বছৰীয়া আঁচনিও গ্ৰহণ কৰিলে।

সেইদৰে বিভিন্ন আচনিৰে কংগ্ৰেছে দেশখনক সমৃদ্ধিশালী কৰা যিমান দৰকাৰ, তেনেকৈয়ে দেশৰ যুৱক সকলক বিভিন্ন শিক্ষা দি উপযুক্ত নাগৰিক কৰি গঢ়ি, ভৱিষ্যৎ দেশৰ দায়ীত্ব লব পৰা মানুহ তৈয়াৰ কৰাও সিমান দৰকাৰ। কংগ্ৰেছে আনুষ্ঠানিক স্বাৰ্থৰ কাৰণে যুৱক সকলক গঠন কৰিব খোজা নাই। দেশ গঠনৰ লগতে যুৱক সকলক গঠন কৰাটোও কংগ্ৰেছৰ কৰ্ত্তব্য। কংগ্ৰেছে সময়ৰ এই কৰ্ত্তব্য নকৰিলে ভৱিষ্যৎ বংশধৰ সকলে বা বুৰঞ্জীয়ে এই ভুলৰ কৰণে ক্ষমা নকৰিব। সেই কাৰণে কংগ্ৰেছে নিজৰ কৰ্ত্তব্য কৰি গ'ল।

যুৱক কংগ্ৰেছ এটা বহুমুখী অনুষ্ঠান; কিন্তু ইয়াৰ কোনো ৰাজনৈতিক আচনি নাই। নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা, দেশ শাসন কৰা আদি আচনি যুৱক কংগ্ৰেছৰ নহয়। যুৱক কংগ্ৰেছৰ আচল কথা হৈছে যুৱক সকলৰ নিহিত গুণ ৰাখি, সাহিত্য, দৰ্শন, বিজ্ঞান আৰু খেলাধূলা ইত্যাদি বিলাকত কি সুবিধা দিলে বা পালে চৰম উৎকৰ্ষ সাধিত হব পাৰে, আৰু লগে লগে সমাজৰ বিভিন্ন ক্ষেত্ৰত নেতৃত্ব লবপৰা উপযুক্ততা লাভ কৰিব পাৰে, তাৰ সুবিধা প্ৰদান কৰা। এক কথাত কবলৈ গলে "It is a training ground and not of experiment." সেই কাৰণেই যুৱক কংগ্ৰেছে ক্লাব, লাইব্ৰেৰী, শিক্ষাভ্ৰমণ আৰু নানা ৰকম গঠন মূলক আচনিৰে সমাজৰ বুকুলৈ আগবাঢ়ি আহিবলৈ সাব্যস্ত কৰিলে।

ইয়াৰ উপৰিও স্বাধীনতা লাভৰ পাচত যুৱকসকলৰ মূৰলৈ এটা বিৰাট দায়িত্ব আহি পৰিল। সেইটো হৈছে দেশ গঠন কৰা। কৃষি প্ৰধান দেশৰ এই বিৰাট যুৱক শক্তি (Man Power) যদি অপচয় কৰা হয়, তাৰ ফল যে আমিয়েই ভোগ কৰিব লাগিব সেইটো নহয়; আন দেশৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰিব। সেইকাৰণে সকলো কথা, ব্যক্তিগত বা দলগত লাভালাভৰ ফালৰ পৰা বিবেচনা নকৰি, যুৱক কংগ্ৰেছে সময় আৰু যুক্তিৰ ফালৰ পৰা চিন্তা কৰি চাবলৈ ধৰিলে।

কংগ্ৰেছৰ লগত যুৱক কংগ্ৰেছৰ সম্বন্ধ

১৯৫৬ চনৰ ৯ আগষ্ট তাৰিখে "যুৱক কংগ্ৰেছ দিবসত" অসম প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি শ্ৰীবিমলা প্ৰসাদ চলিহা দেৱে যুৱক কংগ্ৰেছৰ

লগত কংগ্ৰেছৰ সম্বন্ধৰ বিষয়ে এটি স্পষ্ট ঘোষণা কৰিছে। তেখেতে কৈছে: "কংগ্ৰেছে কিবা আনুষ্ঠানিক লাভৰ কাৰণে বা নিৰ্ব্বাচনত প্ৰয়োগ কৰি ভোট সংগ্ৰহৰ কাৰণে, যুবক কংগ্ৰেছক গঢ়িব খোজা নাই। যুবক কংগ্ৰেছ, কংগ্ৰেছৰ নেজ নহয়। দেশৰ যুবকসকলে সকলো বিষয়তে নিজক উপযুক্তকৈ গঢ়ি তুলি, নিজক, দেশক বা জাতিক আৰু পৃথিবীক মহীয়ান কৰি তোলক, এয়ে কংগ্ৰেছৰ ইচ্ছা। ইয়াকে দেখা পালেই আমি সন্তোষ পাম, —কংগ্ৰেছে সন্তোষ পাব। যুবক কংগ্ৰেছক সুস্থ ভাবে গঢ়ি তুলিবলৈ যিখিনি সাহায্য লাগে কংগ্ৰেছে তাক কৰিব।" আশা কৰো তেখেতৰ এই ভাষণে কংগ্ৰেছ আৰু যুবক কংগ্ৰেছৰ মাজত থকা সম্বন্ধতো বুজাত সহায় কৰিব। যুবক কংগ্ৰেছে কংগ্ৰেছক জাতীয় অনুষ্ঠান বুলি গৌৰব অনুভব কৰে। যুবক কংগ্ৰেছে কংগ্ৰেছৰ ঘৰুৱা আৰু পৰৰাষ্ট্ৰীয় নৈতিক সৰ্ব্বভাৰতীয় নীতি বুলি গ্ৰহণ কৰিছে। নিজ দেশখনক কি দৰে গঢ়িলে দেশৰ সৰ্ব্বতো-প্ৰকাৰ মঙ্গল সাধন হব পাৰে, কংগ্ৰেছৰ সেই নীতিত যুবক কংগ্ৰেছে পূৰ্ণ বিশ্বাস কৰে। সমাজবাদী আৰ্হিৰ সমাজ ব্যৱস্থাৰ আদৰ্শ কংগ্ৰেছে আনৰ পৰা ধাৰ কৰা কথা নহয়। এই নীতি ভাৰতৰ মাটি পানীৰ লগত খাপ খুৱাই ভাৰতত প্ৰয়োগ কৰিব পৰাকৈ গ্ৰহণ কৰা ভাৰতীয় নীতি।

যুবক কংগ্ৰেছে বৰ্ত্তমান পৃথিবীৰ সকলো দেশলৈ শুভেচ্ছা দল পঠাই বন্ধুত্ব গাঢ় কৰিবলৈ স্থিৰ কৰিছে আৰু আন্তৰ্জ্জাতিক কেইবা খনো সন্মিলনত ভাৰতৰ প্ৰতিনিধিয়ে প্ৰতিনিধিত্ব কৰিছে। যুবক কংগ্ৰেছে আজি গোটেই পৃথিবীৰ যুবক সকলৰ লগত বন্ধুত্ব স্থাপন কৰি, এটম বোমা আৰু হাইড্ৰোজেন বোমাৰ পৰা উদ্ভৱ হোৱা বিভীষিকাৰ দ্বাৰা সমাজৰ নিৰাপত্তা ৰক্ষা কৰি, পৃথিবীত প্ৰকৃত শান্তি প্ৰতিষ্ঠা কৰিবলৈ বিচাৰে।

সংগঠনৰ পথত অসম প্ৰদেশ যুবক কংগ্ৰেছ

অসম প্ৰদেশ যুবক কংগ্ৰেছৰ ১ম অধিবৰ্ত্তন ১৯৫৪ চনৰ ৭ জুনত ডিব্ৰুগড়ত বহে। এই অধিবৰ্ত্তনতে আনুষ্ঠানিকভাবে প্ৰদেশ যুবক কংগ্ৰেছৰ প্ৰতিষ্ঠা হয় আৰু নিয়মতন্ত্ৰ প্ৰস্তুত কৰি, গ্ৰহণ কৰা হয়।

দ্বিতীয় অভিবৰ্ত্তন বহে তেজপুৰত ১৯৫৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৮ তাৰিখে। এই অভিবৰ্ত্তন উদ্বোধন কৰে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাপতি শ্ৰীইউ,এন ডেবৰে। অভিবৰ্ত্তনৰ সভাপতিত্ব কৰে, অসম প্ৰদেশ যুৱক কংগ্ৰেছৰ সভাপতি শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীয়ে। এই অভিবৰ্ত্তনলৈ অসমৰ প্ৰায় সকলো জিলাৰ প্ৰতিনিধি আহিছিল। এবছৰ কাল পূৰ নৌ হওঁতেই এই অভিবৰ্ত্তন পাতিবলগীয়া হোৱাত, নিয়মতন্ত্ৰ অনুসৰি প্ৰতিনিধি নিৰ্ব্বাচিত হোৱা নাছিল যদিও, অসমৰ সকলো জিলাৰ যুৱক কংগ্ৰেছৰ আহ্বায়ক, সভাপতি, সম্পাদক সকলে যোগদান দিছিল। এই অভিবৰ্ত্তনৰ লগতে, প্ৰদেশ যুৱক কংগ্ৰেছৰ তৰফৰ পৰা এখন প্ৰচাৰ পত্ৰিকা আৰু শ্ৰীডেবৰজীৰ জীৱনী সম্বলিত এখন পুস্তিকা প্ৰকাশ হয়।

অসম প্ৰদেশ যুৱক কংগ্ৰেছৰ প্ৰথম বাৰ্ষিক অধিবেশন ১৯৫৫ চনৰ ৩০ আৰু ৩১ জুলাই তাৰিখে নগাৱঁত বহে। এই অধিবেশন উদ্বোধন কৰে, নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক শ্ৰী শ্ৰীমান নাৰায়ণে। এই অধিবেশনত অসমৰ সকলো জিলাৰ প্ৰতিনিধিয়ে যোগদান দিয়ে। সম্পাদকীয় প্ৰতিবেদনৰ পৰা জনা গৈছে যে সেই বছৰত প্ৰাদেশিক যুৱক কংগ্ৰেছৰ সভ্যসংখ্যা হৈছিল সাত হেজাৰ। এইদৰেই অসম প্ৰদেশ যুৱক কংগ্ৰেছ, অসমৰ একমাত্ৰ প্ৰতিনিধি স্থানীয় যুৱক অনুষ্ঠানলৈ ৰূপান্তৰিত হোৱাৰ পথেৰে অগ্ৰসৰ হ'ল।

সামৰণি

১৯১৬ চনতে সূত্ৰপাত হোৱা অসমৰ যুৱক তথা ছাত্ৰ আন্দোলনৰ ৰূপ আজি স্বাধীন ভাৰতৰ পটভূমিত বৈশিষ্ট্যপূৰ্ণ হৈ পৰিছে। ৺চন্দ্ৰনাথ, ৺হেমবৰুৱা, অমিয়কুমাৰে অসমত যুৱক বৃন্দক স্বাধীনতা মন্ত্ৰত যি দীক্ষা দিলে, সিয়েই অসমত ৰাজনৈতিক অভ্যুত্থানৰ সচ বিয়পালে। আজিৰ অসমৰ যুৱক বৃন্দই অসমৰ ঐতিহ্য ৰক্ষা কৰাৰ সঙ্কল্পেৰে যদি আগবাঢ়ি নাহে, তেনেহলে সেই সকল দেশসেৱকৰ চকুত জিলিকি উঠা জেউতী বোলীয়া ছবিখনি, নিজ হাতেৰে মচি পেলোৱাৰ লেখীয়া কথা হব।

মৃত্যুৰেই মৰণক জিনিলে, স্বাধীনতাযুদ্ধাক অসমৰ শ্বহীদ সকলে। তেওঁলোকৰ পুণ্যাত্মাৰ গৌৰৱণত, আমি লুইতপৰীয়া অসমৰ ডেকা দলে, আজি আকাশ বতাহ মুখৰিত কৰি ধ্বনি তুলিব লাগিব—

"লুইতৰ পাৰৰে আমি ডেকা-লৰা
মৰিবলৈ ভয় নাই" ।............বুলি; ৰূপকোঁৱৰৰ

সেই যুগান্তকাৰী সঙ্গীতৰ প্ৰথম কলিটিৰে ।

—অন্ত—

প্ৰদেশ যুৱক কংগ্ৰেছৰ দ্বাৰা প্ৰকাশিত অন্যান্য কিতাপ

১। শ্ৰী ইউ, এন, দেবৰ

২। Yuvak Congress Souvenir (

৩। Information Guide for Student & Youth

অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মুখপত্ৰ

'কংগ্ৰেছ'ৰ গ্ৰাহক হৈ

কংগ্ৰেছ অনুষ্ঠানৰ আদৰ্শ আৰু কৰ্ম্মপন্থাৰ বতৰা লওক।

মূল্য—খনে ১৲ টকা

অসম প্ৰদেশ যুৱক কংগ্ৰেছৰ দ্বাৰা প্ৰকাশিত আৰু [illegible]
প্ৰেছত শ্ৰীনবীন মালাকৰৰ দ্বাৰা মুদ্ৰিত।